সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

# সোণালী

সোণাৰি মহাবিদ্যালয় আলোচনী

২০১২-১৩ বৰ্ষ




সম্পাদকদ্বয়
নিশিত কুমাৰ ডেকা
ৰূপম তাছা

# Some Glimpses of College













# সোণালী

সোণাৰি মহাবিদ্যালয় আলোচনী - ২০১২-১৩ বৰ্ষ



প্ৰতি ..............................

..............................

সম্পাদকদ্বয় ঃ
নিশিত কুমাৰ ডেকা
ৰূপম তাহা

S-47

SONARI COLLEGE LIBRARY Estd. 1970

# "Sonali"

Sonari College Journal : Vol - XXVI, 2012-13. Edited by Nishit Kr. Deka and Rupam Tasha : Published by Sonari College Students' Union : 2012-13, on behalf of the Sonari College, Sonari, Sivasagar - 785 690. Printed at : Binayak Offset, Sankar Mandir Road, Sivasagar-785640.

## সম্পাদনা সমিতি

**উপদেষ্টা মণ্ডলী :**
শ্ৰীযুত গণেশ বৰুৱা
শ্ৰীযুতা প্ৰণিতা কলিতা
শ্ৰীযুতা লাকী চেতিয়া

**সভাপতি :**
শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা

**সম্পাদক :**
শ্ৰী নিশিত কুমাৰ ডেকা
শ্ৰী ৰূপম তাছা

**বেটুপাত :**
শ্ৰী সুভম সেন
শ্ৰী দেৱাশিষ কোঁৱৰ

**বৰ্ণ বিন্যাস :**
শ্ৰী পংকজ গগৈ
শ্ৰী পলাশ বুঢ়াগোহাঁই

**প্ৰচ্ছদ আৰু অলংকাৰ :**
শ্ৰীমতী মিঠু ফুকন
শ্ৰীমতী প্ৰান্তিময়ী দত্ত

**মুদ্ৰণ :**
বিনায়ক অফচেট
শংকৰ মন্দিৰ পথ, শিৱসাগৰ



PRINCIPAL- MR. A.K. BORUAH



VICE PRINCIPAL - MRS RANU MOHAN

# EDTORIAL BOARD



MR. A.K. BORUAH
PRINCIPAL



MRS RANU MOHAN
VICE PRINCIPAL



MR. GANESH BORUAH
PROFFESOR IN-CHARGE



MISS LUCKY CHETIA
PROF. IN-CHARGE



MRS PRONEETA KALITA
PROF. IN-CHARGE



SRI NISHIT KR. DEKA
EDITOR



SRI MUKUTA GOGOI
MEMBER



SRI RUPAM TASHA
MEMBER

# উচৰ্গা

স্বদেশ আৰু স্বজাতিৰ হকে
যিসকল ব্যক্তিয়ে
নিজৰ জীৱন আহুতি দিলে
তথা
মহাবিদ্যালয়খনৰ উন্নতিৰ হকে নিঃস্বাৰ্থ ত্যাগ আগবঢ়াই
ইহ সংসাৰৰ পৰা বিদায় মাগিলে সেইসকলৰ স্মৃতিত
'সোণালী'ক
উচৰ্গা কৰা হ'ল।



## মহাবিদ্যালয়ৰ সংগীত

ৰচনা, সুৰ ঃ শ্ৰী ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ,
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাততে লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদুৰি
হৰযে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।

সৃষ্টিৰ কঠিয়া আহা গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।

# অধ্যক্ষৰ মেজৰ পৰা



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সোণালী'ৰ লগত জড়িত সকলোলৈকে আমাৰ আন্তৰিক ধন্যবাদ জনাইছো। ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ এই সুদীৰ্ঘ দিনত ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক প্ৰতিভা বিকাশত 'সোণালী'য়ে এক মুখ্য ভুমিকা পালন কৰি আহিছে। বৰ্তমান 'জ্ঞানৰ বিস্ফোৰণ' ঘটা যুগত যুৱক-যুৱতী সকলৰ প্ৰতিভা বিকাশত এনে পদক্ষেপে নিশ্চয় অৰিহণা যোগাব, কিন্তু জ্ঞানৰ বিস্ফোৰণ' ঘটিছে বুলি বিভিন্ন স্তৰত পৰ্যালোচনা কৰা হ'লেও এই বিস্ফোৰণে সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক কিমান পৰিমাণে উপকৃত কৰিছে সেইটো চিন্তনীয় বিষয়।

স্বাধীনোত্তৰ কালত দেশত শিক্ষিত লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে ঠিকেই, কিন্তু ই যে দেশৰ সকলো স্তৰৰ সকলো ব্যক্তিকে সামৰি ল'ব পৰা নাই সেইটোও বিভিন্ন প্ৰসঙ্গত প্ৰকাশিত তথ্যসমূহে প্ৰমাণ কৰে, উদাহৰণস্বৰূপে বিহাৰ, উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ৰাজস্থান আদি ৰাজ্যই কেৰেলা, মিজোৰাম বা দিল্লীৰ তুলনাত শিক্ষিতৰ হাৰৰ ক্ষেত্ৰত যথেষ্ট পিছ পৰি আছে। বৃহৎ পৰিসৰত সমগ্ৰ ভাৰতবৰ্ষৰ কথা বাদ দি আমি যদি আমাৰ ৰাজ্যখনৰ ক্ষেত্ৰতে চাওঁ, তেন্তে দেখা পাম যে মৰিগাঁও জিলাত মুঠ জনসংখ্যাৰ সৰ্বাধিক সংখ্যক ৮৯.৪৯ শতাংশ মানুহ নিৰক্ষৰ। ঠিক তেনেকৈ বঙাইগাঁও জিলাত ৮৭.৫৭ শতাংশ, দৰং জিলাত ৮৭.৬৫ শতাংশ, কামৰূপ জিলাত ৮৪.০৮ শতাংশ মানুহ নিৰক্ষৰৰ তালিকাত আছে। দেশত শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে বিভিন্ন আঁচনি লোৱা হৈছে। প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি, অনানুষ্ঠানিক শিক্ষা আঁচনি আদিৰ পাছত ২০০১ চনৰ পৰা সৰ্বশিক্ষা আঁচনিৰ যোগেদি নিৰক্ষৰ ব্যক্তিৰ সংখ্যা হ্ৰাস কৰাৰ ব্যৱস্থা কৰা হৈছে। যদিও উপৰোক্ত পৰিসংখ্যাসমূহে এই আঁচনি সমূহৰ সফলতা নুসুচায়।

১৯৫০ চনতে তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱহৰলাল নেহেৰুৱে ১০ বছৰৰ ভিতৰত সকলো শিশুক প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু তাৰ ৬০ বছৰৰ পাছত ২০১০ চনৰ পহিলা এপ্ৰিলৰ পৰা শিক্ষাৰ মৌলিক অধিকাৰ বিল এখন কেন্দ্ৰীয় চৰকাৰে কাৰ্যকৰী কৰিছে, এই আইনৰ জৰিয়তে ৬-১৪ বছৰ বয়সৰ সকলো শিশুকে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ পদক্ষেপ লোৱা হৈছে। বিদ্যালয়ত দুপৰীয়াৰ আহাৰ যোগানৰ ব্যৱস্থাৰ লগতে বিনামূলীয়া কিতাপ, সাজ পোছাক, বেগ শিক্ষাৰ যাৱতীয় সঁজুলি আদি যোগানৰ ব্যৱস্থা কৰা হৈছে। কিন্তু দেশত এই বিভিন্ন ক্ষেত্ৰত নিম্ন মানৰ সামগ্ৰী যোগান, অখাদ্য দ্ৰব্যৰ যোগান আদি ধৰণৰ দুৰ্নীতিয়ে বাঁহ লৈছে। দুপৰীয়া বিদ্যালয়ত যোগান ধৰা অখাদ্য খাই ছাত্ৰ-ছাত্ৰীৰ মৃত্যু ঘটা, চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰিব লগা হোৱা আদি ঘটনা প্ৰচাৰ মাধ্যমত প্ৰচাৰ হৈ আছে। গতিকে কেৱল আঁচনিৰ বাবে আঁচনি নহৈ, দুৰ্নীতি ৰোধ কৰি, উপযুক্ত বিষয়া-কৰ্মচাৰী নিযুক্তিৰে সকলো কামৰ সঠিক পৰ্যবেক্ষন আদিৰ ব্যৱস্থা কৰিলেহে এনে আঁচনি বিলাক সঠিক অৰ্থত সফল হ'ব। তদুপৰি অভিভাৱকৰ আৰ্থিক উন্নতি অবিহনে শিশু শ্ৰমিকৰ অৱসান নহ'ব আৰু শিশু শ্ৰমিক ৰোধ কৰিব নোৱাৰিলে সকলোৰে বাবে শিক্ষা বা শিক্ষাৰ অধিকাৰ আইনখনো সফল নহ'ব।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰীভাৱে প্ৰকাশ পোৱা তথ্যমতে দেশৰ শতকৰা ১২ ভাগ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ স্তৰ পায়গৈ। এই হাৰ শতকৰা ২০ ভাগ কৰিবৰ কাৰণে দেশত যথেষ্ট সংখ্যক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ আৱশ্যকতা আছে, এখন স্বাধীন দেশত স্বাধীনতাৰ সপ্তম দশকৰ সময়ত দেশৰ শিক্ষা সম্প্ৰসাৰণৰ এনে তথ্যই চৰকাৰী অমনোযোগিতা বা অৱহেলাৰ কথাকে সূচায়, ইফালে দেশত দিনে-দিনে বিভিন্ন শিক্ষাৰে শিক্ষিত লোক যিখিনি ওলাইছে সেইখিনিয়ে উপযুক্ত সংস্থানৰ অভাৱত হাহাকাৰ কৰিব লগা হৈছে। ইয়াৰ ফলত সামাজিক বিশৃংখলা, যুৱ উচ্ছৃঙ্খলতা, চুৰি, ডকাইতি, ঠগবাজি, হত্যা, ধৰ্ষণ, মূল্যবোধৰ অৱক্ষয়, সন্ত্ৰাসবাদ আদি সহজলভ্য হৈছে। এই যুৱক-যুৱতীসকলে বিভিন্ন ব্যক্তি, সংগঠন, বহুজাতিক নিগম আদিৰ সহজ চিকাৰত পৰিণত হৈছে। যুৱচামৰ নৈতিক স্খলন, মূল্যবোধৰ অৱনতি আদিয়ে ৰাস্তাই-

ঘাটে, মেল-মিটিং, বিয়া-সবাহ আদিত শান্তিপূৰ্ণভাৱে থাকিব খোজাজনক অশান্তিৰ মাজলৈ ঠেলি দিয়াৰ লগতে মানসিক উত্তেজনা বৃদ্ধি কৰিছে। পূৰ্বৰ তুলনাত বহু যুৱক-যুৱতীয়ে পঢ়াশুনাৰ ক্ষেত্ৰত অতি উচ্চমানদণ্ড ৰক্ষা কৰিবলৈ সক্ষম হ'লেও সেই মানদণ্ড বহুতৰ ক্ষেত্ৰত দীৰ্ঘদিনলৈ বজাই ৰাখিবলৈ সক্ষম হোৱা দেখা নাযায়। হাইস্কুল শিক্ষান্ত বা উচ্চতৰ মাধ্যমিক পৰীক্ষাত স্থান দখল কৰা ছাত্ৰ-ছাত্ৰীসকলো এটা সময়ত সমাজৰ পৰা হেৰাই যায়। তেওঁলোক যেন সমাজৰ প্ৰতি কোনোপধ্যে দায়বদ্ধ নহয়। উচ্চ চিন্তাধাৰা, মানসিকতাৰ অভাৱত তেওঁলোক সমাজৰ বোজা স্বৰূপ হৈ পৰে।

তাৰ মাজতো এচাম ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ প্ৰতি অতি উচ্চ ধাৰণা লৈ নিজকে বিভিন্ন কামত জড়িত কৰা দেখা যায়। আজি সুদীৰ্ঘ বছৰ জুৰি ১৬-১৭ বছৰৰ পৰা ২১-২২ বছৰীয়া যুৱক-যুৱতীসকলৰ শিক্ষাৰ লগত জড়িত থাকি অনুভৱ হৈছে যে তেওঁলোকে বিপথে পৰিচালিত হোৱা দেখিলে আৰু সেই সম্পৰ্কে তেওঁলোকৰ লগত মুকলি আলোচনা কৰিলে নিজৰ ভুল সহজে বুজি পায় আৰু সহজতে সঠিক পথলৈ প্ৰত্যাৱৰ্তন কৰে। ভৱিষ্যত জীৱনৰ অনিশ্চয়তাই তেওঁলোকক মানসিকভাৱে দুৰ্বল কৰি ৰাখে, কৰ্মৰ প্ৰতি অৱহেলা, কৰ্তব্যবোধৰ অভাৱ, সৰু-ডাঙৰ কামৰ বিভাজন, কৃষি-বাণিজ্যৰ প্ৰতি অনিহা আদি কাৰণে স্থানীয় যুৱক-যুৱতীসকলৰ জীৱিকাৰ অভাৱত ভোগে। কিন্তু ৰাজ্যখনৰ বাহিৰৰ বিভিন্নজনে তেনে কামবোৰ কৰি সুন্দৰভাৱে জীৱিকা নিৰ্বাহ কৰি আছে। তেনে ধনাত্মক দিশবিলাকৰ প্ৰতি আমি লক্ষ্য নাৰাখো। কিন্তু কোনোবাই ভালকৈ জীৱিকা নিৰ্বাহ কৰা দেখিলে তেওঁলোকৰ বিৰুদ্ধে বিভিন্ন পন্থা অৱলম্বন কৰো।

বৰ্তমান দিনত ক্ষুদ্ৰ জাতি সত্তাৰ বিকাশ, নেতা হোৱাৰ মানসিকতা, দেশৰ আইন-কানুনৰ বিকৃত প্ৰয়োগ, ৰাজনৈতিক প্ৰভাৱ, নেতাসকলৰ চিন্তাৰ দৈন্য আদিয়ে যুৱক-যুৱতীসকলক শিক্ষাৰ সু-পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা নাই। বহুজাতিক নিগমসমূহৰ চকুত চমক লগোৱা পণ্য দ্ৰব্যসমূহে তেওঁলোকক সহজতে আকৰ্ষিত কৰে। কিন্তু কোম্পানীসমূহে যে তেওঁলোকক চিকাৰ হিচাবে ব্যৱহাৰ কৰিছে সেই কথা হৃদয়ঙ্গম কৰিব নোৱাৰে। দৈনন্দিন প্ৰয়োজনীয় দ্ৰব্যসমূহৰ আৱশ্যকতা নুই কৰিব নোৱাৰিলেও সেইবিলাকৰ অপপ্ৰয়োগে সমাজত না-না বিশৃঙ্খলাৰ উদ্ভৱ কৰিছে। শৈক্ষিক দিশত আমি আগবাঢ়িলেও শিক্ষাৰ প্ৰকৃত উদ্দেশ্য যেন বহুত পিছ পৰি ৰৈছে, যাৰ ফলত বহুজাতিক নিগম সমূহৰ কৃপাত আজিৰ যুৱক-যুৱতীয়ে 'বন্ধুত্বৰ দিন', 'প্ৰেমৰ দিন', 'মাতৃ দিৱস', 'পিতৃ দিৱস' আদি উদ্‌যাপনৰ নামত হাজাৰ টকা খৰচ কৰে আৰু কোম্পানীসমূহে হাজাৰ কোটি টকাৰ ব্যৱসায় কৰে। ২০১২ চনত 'ভেলেন্টাইন দে'ৰ নামত ভাৰতত ৩৬,০০০.০০ হাজাৰ কোটি টকাৰ ব্যৱসায় হৈছিল। এনে উদাহৰণে ভাৰত বা অসমক দুখীয়া দেশ বুলি কোনে ক'ব, তাৰ পাছতো পিতৃ-মাতৃৰ প্ৰতি দায়বদ্ধতা, প্ৰেম-বন্ধুত্বৰ নেতিবাচক কাহিনীয়ে সংবাদ মাধ্যমত প্ৰতিদিনেই মুখ্য স্থান লাভ কৰি আহিছে।

মানুহৰ কৰ্মই নিৰ্দ্ধাৰণ কৰে জীৱনৰ গতিপথ। সেয়ে কৰ্ম কৰি যোৱাৰ বাদে মানুহৰ জীৱনত গত্যন্তৰ নাই। কৰ্মই মানুহক দিয়ে সফলতা, পৰিচয়। নিজা কৰ্মৰ দ্বাৰাই ভিৰৰ মাজত মানুহে নিজৰ এটা সুকীয়া সত্তা গঢ়ি তুলিব পাৰে। গীতা শাস্ত্ৰতো কৰ্মযোগৰ বাণী দিছে এনেদৰে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° আব্দুল কালামে শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ সমাবৰ্তন ভাষনত উল্লেখ কৰিছিল

গতিকে জীৱনত মহান হ'বলৈ জ্ঞান লাগিব, জ্ঞানৰ বাবে ধনাত্মক চিন্তা লাগিব, চিন্তাৰ বাবে সৃজনীশক্তি লাগিব, সৃজনী শক্তি আহৰণৰ বাবে শিক্ষা আহৰণ কৰিব লাগিব। কিন্তু সেই শিক্ষা হ'ব লাগিব দেশৰ মাটি, পানী, প্ৰাকৃতিক সম্পদ, মানৱ সম্পদৰ ওপৰত ভিত্তি কৰি, বৰ্তমান আমদানিকাৰী শিক্ষা ব্যৱস্থাই দেশৰ মাটি পানীৰ লগত জীন যাব নোৱাৰা বাবেই কিজানি দেশত বিশৃঙ্খলাৰ পৰিমাণ বেছি হৈছে। ভাৰতীয় বিজ্ঞানীয়ে মঙল গ্ৰহলৈ উপগ্ৰহ প্ৰেৰণ কৰা সময়তো ডাইনী কাগুৰ দৰে ঘটনাই দেশৰ শিক্ষা ব্যৱস্থাৰ অসাৰতাকে প্ৰমাণ কৰিছে। দেশত অশান্তিৰ মূল কাৰকসমূহ সঠিকভাৱে চিনাক্ত কৰি সমাধানৰ পৰিৱেশ সৃষ্টি কৰিব পাৰিলেহে দেশৰ উন্নতি সম্ভৱ হ'ব।

শ্ৰী অৰ্পণ কুমাৰ বৰুৱা
ভাৰপ্ৰাপ্ত অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়

# সম্পাদকীয়

আজিৰ পৰা প্ৰায় দুকুৰি চাৰি বছৰৰ আগত তেতিয়াৰ শিৱসাগৰ জিলাৰ শিৱসাগৰ মহকুমাৰ অন্তৰ্গত দক্ষিণ-পূব দিশৰ বৃহত্তৰ সোণাৰি অঞ্চলত উচ্চ শিক্ষাৰ বাবে এখনো প্ৰতিষ্ঠান নাছিল। সেয়ে সেই সময়ত যি কেইজন শিক্ষাপ্ৰেমী উদ্যোক্তাই এই অঞ্চলৰ মাজমজিয়াত এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এই সোণাৰি মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিবৰ বাবে আত্মনিয়োগ কৰি এক সুদৃঢ় ভেটি গঢ়িলে সেই সকলৰ প্ৰতি জয়জয়তে বৰ্তমানৰ সদৌ সোণাৰি মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ হৈ আমাৰ হিয়াভৰা ওলগ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো। সেই উদ্যোক্তাসকলৰ যিসকল বৰ্তমানো জীৱিত তেখেত সকলৰ দীৰ্ঘায়ু আৰু কৰ্মনুপ্ৰেৰণা কামনা কৰিলো; যিসকলে ইতিমধ্যে পৰলোকলৈ গতি কৰিলে সেই সকললৈ আমাৰ শ্ৰদ্ধা নিবেদিছো। তেখেত সকলৰ আত্মাই শান্তি লাভ কৰক আৰু সুদৃঢ় ভেটি গঢ়ি থৈ যোৱা মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি আৰু সুনাম যাতে উপচি পৰে তাৰ বাবে পৰলোকৰ পৰা সেই সকল বিদেহী আত্মাই আৰ্শীষ বৰ্ষণ কৰক।

শিক্ষাই হৈছে এখন দেশ, এখন সমাজ তথা এটা জাতিৰ চালিকা শক্তি। শিক্ষা নহ'লে জ্ঞানৰ পৰিধি বৃদ্ধি নহয় আৰু জ্ঞান নহ'লে কোনোৱে দেশৰ, সমাজৰ তথা জাতিৰ উন্নতিৰ হকে কাৰ্য সম্পাদন কৰিব নোৱাৰে। শিক্ষা অবিহনেও জ্ঞান অৰ্জন কৰা যায়, কিন্তু সি সম্পূৰ্ণ নহয়। এই শিক্ষা তথা জ্ঞান অৰ্জন কৰিবৰ বাবে যি আহিলাৰ আৱশ্যক সেয়াই হৈছে পুথি। যিদৰে পুথিৰ পৰা বিদ্যা আৰু জ্ঞান আহৰণ কৰিব পাৰি সেইদৰে পুথি প্ৰণয়নৰ যোগেদি বিদ্যা আৰু জ্ঞান বিস্তাৰ তথা প্ৰচাৰ কৰিব পাৰি। এই পুথিৰ এটা বিশেষ অংশ হৈছে আলোচনী। আলোচনীয়ে এখন দেশৰ, সমাজৰ তথা এটা অঞ্চলৰ বিদ্যানুৰাগী সকলে জ্ঞান আহৰণ তথা বিতৰণ কৰাৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। সেয়ে সাম্প্ৰতিক কালত সমগ্ৰ পৃথিৱীতে প্ৰতিখন উচ্চ শিক্ষাৰ অনুষ্ঠানতে প্ৰতিবছৰে বা দুই-তিনি বছৰৰ অন্তৰে অন্তৰে একোখন আলোচনী প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ই শিক্ষাৰ্থী তথা শিক্ষক সকলক জ্ঞান আহৰণ আৰু জ্ঞান বিতৰণৰ আহিলা ৰূপে উল্লেখযোগ্য বৰঙণি যোগাই আহিছে।

সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভায়ো ইয়াৰ জন্মলগ্নৰে পৰা 'সোণালী' নামেৰে এখনি বাৰ্ষিক মুখপত্ৰ (আলোচনী) প্ৰকাশ কৰি আহিছে। এই বছৰ এই মুখপত্ৰখনিৰ সম্পাদকৰ গুৰু দায়িত্ব এই অভাজনৰ গাত জাপি দিয়াত এফালে যেনেদৰে আনন্দিত হৈছো তেনেদৰে আনফালে চিন্তিত হৈ থৰহৰি কম্পমান হৈছো। যিহেতু সাহিত্যৰ ক্ষেত্ৰখনত আমাৰ জ্ঞান তেনেই শূণ্য বুলিলে অত্যুক্তি নহ'ব। সি যি নহওঁক মহাবিদ্যালয়খনৰ প্ৰতিজন সদস্যই আমাক সু-পৰামৰ্শৰে এই ক্ষেত্ৰত সহায় -সহযোগ আগবঢ়োৱাৰ বাবে সকলোটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই আপাহতে সাম্প্ৰতিক কালৰ দেশ তথা সমাজৰ পৰিৱেশ পৰিস্থিতিৰ সন্দৰ্ভত এষাৰ মাত মতাৰ আৱশ্যকতা অনুভৱ কৰিলো। বৰ্তমান আমাৰ ৰাজ্যখনেই নহয়, আমাৰ দেশখন তথা সমগ্ৰ পৃথিৱীখনেই হিংসা, সন্ত্ৰাস, অনীতি-দুৰ্নীতি, অসৎ কৰ্ম, অসৎ আচৰণ আদিয়ে চানি ধৰিছে আৰু এই বিলাক আচৰণৰ কৰ্মীসকল আমাৰ সমাজৰে এটা অংশ যিসকলে ভোগৰ লালসাত অপকৰ্ম কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। সেই সকলে মনুষ্যত্ব তথা মানৱীয়তা বিৰ্সজন দি এনে কামত লিপ্ত হৈছে। এই সকলৰ মাজত শিক্ষিত, অৰ্দ্ধশিক্ষিত আৰু দেশৰ তথা সমাজৰ নেতৃস্থানীয় ব্যক্তিও আছে। তেওঁলোকে আহৰণ কৰা শিক্ষা বা বিদ্যা কুলষিত কৰি সমাজত কলংকিত ব্যক্তিৰূপে পৰিগণিত হৈয়ো লজ্জাবোধ কৰা নাই। ইয়াৰ একমাত্ৰ কাৰণ হ'ল সেইসকলৰ বৌদ্ধিক জ্ঞান আৰু আত্ম উপলব্ধিৰ অভাৱ। যিহেতু তেওঁলোকে শিক্ষা আহৰণ কৰিলে বা দেশ তথা সমাজৰ নেতৃত্ব গ্ৰহণ কৰিলে বা জোৰকৈ আয়ত্ব কৰিলে সঁচা কিন্তু প্ৰকৃত জ্ঞান আৰু বুদ্ধি আহৰণ কৰিব নোৱাৰিলে। যাৰ অভাৱত মনুষ্যত্ব হেৰুৱাই ভোগবাদৰ কবলত পৰি সমাজ তথা দেশক অধঃপতনৰ মুখলৈ ঠেলি দিছে।

গতিকে এই অধঃপতনৰ পৰা দেশ জাতি আৰু সমাজক ৰক্ষা কৰিবলৈ হ'লে আমি নৱপ্ৰজন্মই সু-শিক্ষা গ্ৰহণ কৰি প্ৰকৃত জ্ঞান আহৰণ কৰাৰ লগতে আনকো এই ক্ষেত্ৰত প্ৰবৃত্ত কৰাব লাগিব।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ পৰিচালক, প্ৰশাসক, শিক্ষাৰ্থী, শিক্ষক, কৰ্মচাৰীবৃন্দ আৰু পাঠক সমাজলৈ ক্ষমা প্ৰাৰ্থনাৰে সামৰিলো।

সম্পাদকদ্বয়
নিশিত কুমাৰ ডেকা
ৰূপম তাছা

# কৃতজ্ঞতাৰ শৰাই

- মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱাদেৱলৈ
- উপাধ্যক্ষা ৰাণু মহন বাইদেউলৈ
- আলোচনী বিভাগৰ উপদেষ্টা গণেশ বৰুৱা, প্ৰণিতা কলিতা, লাকী চেতিয়া বাইদেউলৈ
- লেখনিসমূহ নিৰ্বাচনত সহায় কৰা তথা লেখাসমূহৰ ওপৰত চকু ফুৰাই দিয়া ৰাণু মহন, প্ৰণিতা কলিতা, লাকী চেতিয়া, পদ্মাকুমাৰী গগৈ, ৰঘুনাথ কাগয়ুং চাৰলৈ
- হৃদয়ৰ নিৰ্বাসেৰে সিক্ত কৰি বাৰ্ষিক আলোচনী 'সোণালী'ৰ সৌষ্ঠৱ বৃদ্ধি কৰা সমূহ লেখক-লেখিকা তথা 'সোণালী'লৈ লেখা পঠিওৱা সকলৈ
- মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ সমূহ অধ্যাপক-অধ্যাপিকালৈ
- ভাৰপ্ৰাপ্ত গ্ৰন্থাগাৰিকা আৰু কৰ্মচাৰীবৃন্দলৈ
- মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ
- ফটোসমূহ সংগ্ৰহ কৰি দিয়া দুদুল ফুকনলৈ
- সুন্দৰভাৱে স্কেচসমূহ অংকন কৰি দিয়া প্ৰান্তী, মিথুলৈ আৰু বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা ৰূপম আৰু মুকুতালৈ
- সোণাৰি মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টীলৈ
- বেটুপাত অংকন কৰা সুভম আৰু দেবাশিষলৈ
- বিনায়ক অফচেটৰ সমূহ কৰ্মকৰ্তালৈ
- সদৌ শেষত শত-সহস্ৰ 'সোণালী'ৰ শুভাকাংক্ষীলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

সম্পাদনা সমিতি

# অনুক্ৰমণিকা ঃ—

ঃ অসমীয়া শাখা ঃ

## প্ৰবন্ধ বীথিকা ঃ


- মবাইল ফ'ন - কিছু তথ্য আৰু কিছু প্ৰশ্ন— বীণা বৰঠাকুৰ/১১
- সাম্প্ৰতিক সময়ৰ বিশ্ব শ্ৰেষ্ঠ প্ৰতিবন্ধী বিজ্ঞানী ঃ ষ্টিফেন হকিং — টঙ্কেশ্বৰ বৰুৱা/১৩
- ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিত শিল্পচেতনা — ৰেখামণি গগৈ/১৬
- অসমীয়া ভাষাৰ উচ্চাৰণ সমস্যা — পদ্মকুমাৰী গগৈ/১৯
- বোলছবিৰ মাজেৰে বান্ধবীলৈ চিঠি — গীতাঞ্জলি গগৈ/২৩
- ছাত্ৰ-ছাত্ৰী আৰু আত্মবিশ্বাস — অনন্যা বুঢ়াগোহাঁই/২৪
- থোৰতে মাজুলী — সোণমনি পগাগ/২৫


## গল্প কুঞ্জ ঃ


- ডেউকা — বিজয়লক্ষ্মী গগৈ/২৯
- সুখৰ ৰেঙনিৰ প্ৰতীক্ষা — সোণমনি পগাগ/৩১
- কোন কাৰ চেনেহৰ, কোন কাৰ মৰমৰ ...? — আৰতি মাছাৰী/৩২
- অনুভৱ — হাচিবুন চুলতানা/৩৪


## কবিতা কানন ঃ


৩৭-৪৭

অশ্ৰাব্য অসহনীয়/ ৰিতুপৰ্ণা শৰ্মা, বিষাদৰ জীয়া ৰূপ/ মণিদীপা লাহন, স্মৃতিয়ে কাকো শুব নিদিয়ে/ অতুল বৰগোহাঁই, ভালপোৱা/ চক্ৰধৰ বাইলুং, তোমাৰ বাবে চাৰিটা স্তবক/ পৰিস্মিতা বুঢ়াগোহাঁই, বিষাদৰ ৰজনী/ বৰ্ণালী হাতীবৰুৱা, স্মৃতি/ শৰত কুমাৰ গগৈ, মোৰ জীৱন/ গীতাশ্ৰী দৈমাৰী, মোক এখন হৃদয় দিয়া/ নৱজ্যোতি খাণ্ডাধৰা, তুমি নাহাঁহিবা অপৰাজিতা/ অনিন্দিতা বুঢ়াগোহাঁই, কবিতা/ নৱজিৎ বৰগোহাঁই, অলপ অনুভৱ এজাক বৰষুণৰ মাজত/ পুষ্পী দত্ত, অনুতপ্ত/ হাচিবুন চুলতানা, শান্তিৰ সন্ধানত/ মিছ হাছিনা বেগম, এৰাবাৰীৰ এন্ধাৰত যিদিনা জোনাক ফুলিব/ ৰিতুপৰ্ণা শৰ্মা, শাওনৰ সেউজীয়া ৰং/ চিমি গগৈ, শ্ৰদ্ধাঞ্জলি/ নৱজ্যোতি খাণ্ডাধৰা, উজনি অসম/ মিছ হাছিনা বেগম, শেষ দিনৰ গান/ অতুল বৰগোহাঁই, সেউজী পাতৰ সপোন/ বিষ্ণুপ্ৰিয়া তামুলী, "ভগ্ন হৃদয়ৰ অনুভৱ"/ জ্যোতিষ বুঢ়াগোহাঁই


## কিছু একান্ত ব্যক্তিগত অনুভৱ ঃ


- অনুভৱৰ দলিচা — প্ৰান্তীময়ী দত্ত/৪৮
- বিদায় এমুঠি অনুভৱৰ গাঁঠা — জ্যোতিষ বুঢ়াগোহাঁই/৪৯
- কলেজৰ প্ৰথম দিনৰ অনুভৱ — জ্যোতিষ্মান বৰগোহাঁই/৫০
- বন্ধুত্বৰ এটি মিঠা অনুভৱ — সোণমণি পগাগ/৫০

**ভ্ৰমণ কাহিনী ঃ**


- সাগৰ চোৰাৰ হেঁপাহত.... — কল্যাণী বৰুৱা/৫১


**নাটক ঃ**


- বিচাৰকৰ বিলৈ — ড° ৰীতা দত্ত/৫৩


## : English Section :

**Articles :**


- Food and Cancer - Jyoti Prasad Phukon/৫৯
- Moral Values : Role of Parents and Teachers – Sangeeta Roy/৬২
- The Indo-Anglian Women Novelists : Their Contribution to Indian Literature – Dr. Anita Konwar/৬৫
- ARISTOTLE'S CONCEPT OF TRAGEDY – Anjuara Begum/৬৯
- ZOOS : Protecting Animals, Educating Humans – Rupam Tasha/৭৩
- Science and the Mordern Man – Simanta Dev/৭৭
- Eutnanasia : Mercy Killing – Md. Saddam Iraqui/৭৮
- Environment Ethics – Dharam Nath Gupta/৮১
- The first Artificial Satelliet Sputnik - I – Simanta Dev/৮২


**Poems :**


- Autumn's Benediction – Porishmita Buragohain/৮৩
- Everlasting Soul – Akhtara Begum/৮৩
- Waiting for you Still – Sachin Rai/৮৪


**Quiz :**


- Intellects Quiz – Rupam Tasha/৮৫


**Travelling Tour :**


- KOTA KINABALU—A MALAYS1AN SOJOURN – Deepanjali Gogoi/৮৬


## : Hindi Section :


- उन्नति में चार चांद लगाति है पौछो - धरम नाथ गुप्ता/৮৯


**বিভাগীয় প্ৰতিবেদন ঃ** ৯০-১০০



# প্ৰবন্ধ বীথিকা

# মবাইল ফ'ন - কিছু তথ্য আৰু কিছু প্ৰশ্ন

**ৰীণা বৰঠাকুৰ**, সহযোগী অধ্যাপিকা
পদাৰ্থ বিজ্ঞান বিভাগ

বৰ্তমান সময়ত এক মুহূৰ্তও নহ'লে চলিব নোৱাৰা আধুনিক আহিলা বিধেই হৈছে মবাইল ফ'ন (চলভাষ যন্ত্ৰ) বা চেল ফোন। এই যন্ত্ৰটিয়ে আমাৰ জীৱনত প্ৰৱেশ কৰা বৰ বেছিদিন হোৱা নাই, কিন্তু জন্মৰ পিছৰে পৰা ইয়াৰ প্ৰভাৱে আমাৰ জীৱন যাত্ৰাত এনে এক মাত্ৰা প্ৰদান কৰিলে যে জীৱ থাকিলে মানৱ সৃষ্ট সকলো যন্ত্ৰ পাতিয়েই ইয়াক ঈৰ্ষাৰ চকুৰে চালেহেতেন। প্ৰথণতে আমি এই চলভাষ যন্ত্ৰটিৰ বিষয়ে কিছু তথ্য পাঠকসকলক দিব বিচাৰিছোঁ।

১) ১৯৮০ চনৰ মাজভাগত মবাইল ফ'নে পৃথিৱীত ভূমুকি মাৰিলে আৰু পৰীক্ষাগাৰত ভূমিষ্ঠহোৱাৰ আজি ৩৩ টা বছৰ (এই লিখনিৰ সময় ২০১৩ চনলৈ ধৰিলে) পিছত ই নগৰ চহৰ, গাঁৱে-ভূঞে সকলোতে মানৱ সমাজৰ অপৰিহাৰ্য্য সামগ্ৰীত পৰিণত হৈ পৰিল। লগতে ইয়াৰ উপলব্ধৰ বাবে প্ৰয়োজন হৈ পৰা 'বেচ ষ্টেচন' বোৰৰ স্থাপন সাংঘাটিক ভাবে বৃদ্ধি পাবলৈ ধৰিলে।

২) এই 'চলমান দূৰাভাষ' যন্ত্ৰটি মানুহৰ ইমান প্ৰিয় হোৱাৰ কাৰণ - ইয়াৰ সহায়ত যতি নপৰাকৈ, একে স্থানত নথকাকৈয়ে পাব পৰা সংযোগ ব্যৱস্থা। বহু ক্ষেত্ৰত গোপনীয়তা ৰক্ষাৰ বাবেও ইয়াক ব্যৱহাৰ কৰিবলৈ সহজ। এই যন্ত্ৰক 'মবাইল ফ'ন', 'চেল ফোন' বা 'হেণ্ডছেট' আদি শব্দৰেও বুজোৱা হয়।

৩) প্ৰকৃততে মবাইল ফ'নটোক এটা দুই মুখী ৰেডিঅ'ৰ লগত ৰিজাব পাৰি। ইয়াত প্ৰেৰক আৰু গ্ৰাহক (Transmiter and Receiver) দুয়োটা সংলগ্ন হৈ থাকে। এই যন্ত্ৰই ৰেডিঅ' কম্পনাংক (RF Frequency) বিকীৰণ কৰে। ইয়াৰ ওচৰত থকা প্ৰাণীজগত তথা পৰিবেশ এই তৰঙ্গৰ দ্বাৰা ভেদিত হয়।

৪) সাধাৰণতে কম শক্তি সম্পন্ন ৰেডিঅ' তৰঙ্গক মানুহ তথা প্ৰাণীজগতৰ বাবে অপকাৰী বুলি ভবা নহয়। কিন্তু এই ধাৰণাটোক সম্পূৰ্ণ সত্য বুলি কব নোৱাৰি। নিউজিলেণ্ডৰ লিংকন বিশ্ববিদ্যালয় 'পৰিবেশ আৰু স্বাস্থ্য' বিভাগৰ অধ্যাপক ডঃ নেইলচেৰীৰ লেঠাৰিনিছিগাকৈ কৰা বিস্তৰ অধ্যয়নে আন কিছুমান ভয়াবহ তথ্যৰহে উন্মোচন কৰিছে। ভাৰতবৰ্ষতো বোম্বে আই আই টিৰ অধ্যাপক প্ৰফেচৰ গিৰিশ কুমাৰেও বহু গৱেষণাৰ অন্তত "চেল টাৱাৰ ৰেডিয়েচনৰ" ওপৰত এক ৰিপৰ্ট প্ৰস্তুত কৰি গৱৰ্ণমেণ্টক দাখিল কৰিছে। পৃথিৱীৰ বহু সচেতন গৱেষকে ৰেডিঅ' কম্পনাংকই জীৱকুল তথা পৰিবেশৰ ওপৰত পেলাব পৰা প্ৰভাৱৰ ওপৰত গৱেষণা কৰি আছে।



৫) এতিয়ালৈকে প্ৰকাশ পোৱা গৱেষণাসমূহে বহু ভয়াবহ তথ্যৰ উন্মোচন কৰিছে যদিও তথ্যসমূহৰ বিশ্বাস যোগ্যতাত প্ৰধান অন্তৰায় হৈ থিয় দিছে পাৰ্শ্বক্ৰিয়াসমূহ দেখা দিবলৈ লগা

দীৰ্ঘ সময়ে।

৬) প্ৰশ্ন হয়, ক্ৰিয়াসমূহৰ গতি লেহেমীয়া হোৱা বাবেই অৰ্থাৎ ই 'স্ল পয়জনৰ' দৰে কাম কৰিছে বুলিয়েই ইয়াক প্ৰাধান্য নিদিয়াটো উচিত হ'বনে? বহু জগতিক কোম্পানীসমূহৰ আগ্ৰাসনত বাধা হ'ব পৰা প্ৰকৃত তথ্যবোৰ সাধাৰণ মানুহৰ পৰা নিশ্চয় লুকুৱাই ৰাখিবৰ যত্ন কৰা হয়, তেওঁলোকৰ দ্বাৰা আশীষধন্য বহু গৱেষকে মবাইল ফোন বা ইয়াৰ টাৱাৰসমূহৰ পৰা হ'ব পৰা বিকীৰণক হানীকাৰী নহয় বুলি ধাৰণা এটা প্ৰতিপন্ন কৰিবৰ বাবে অহৰহ চেষ্টা চলাই আছে। কিন্তু এটা সাধাৰণ সত্য যে, অপ্ৰাকৃত ভাবে সৃষ্টি হোৱা কোনো তৰঙ্গই আমাক অহৰহ ভেদন কৰি থাকিব আৰু ইয়াৰ কোনো প্ৰভাবেই আমাৰ কোষসমূহত নপৰিব এই কথা সাধাৰণ ব্যক্তি এজনেও মানি লবলৈ টান পাব।

এতিয়া চোৱা যাওক বিকীৰণ কি? একেবাৰে সাধাৰণ ভাবেৰে ক'বলৈ হ'লে ই এক চলমান শক্তি। যি তৰঙ্গৰ দ্বাৰা এই শক্তি সঞ্চালিত হয় তাত দুই ধৰণৰ তৰঙ্গ সন্নিবিষ্ট হৈ থাকে - এবিধ বৈদ্যুতিক আৰু আন বিধ চুম্বকীয়। এই দুই তৰঙ্গই একেলগে মহাশূন্যত পোহৰৰ বেগেৰে গতি কৰে। আমি বাস কৰা পৃথিৱীখনত আমি সকলো 'স্বাভাৱিক' আৰু 'মানৱসৃষ্ট' দুয়োধৰণৰ বিকীৰণত সকলো সময়ত উন্মুক্ত হৈ থাকোঁ। কেইটামান এনেধৰণৰ বিকীৰণৰ উদাহৰণ হৈছে —

১) সূৰ্য্যৰ পৰা অহা অতি বেগুনীয়া ৰশ্মিৰ বিকীৰণ।

২) কচ্‌মিক বা অজান ৰশ্মিৰ বিকীৰণ।

৩) ৰেডিঅ', টেলিভিশন, মবাইল ফোন আদিৰ বিকীৰণ।

৪) X-ray পৰীক্ষাত হোৱা বিকীৰণ।

ইয়াৰে প্ৰথম দুটা স্বাভাৱিক বা প্ৰাকৃতিক ভাবে হোৱা বিকীৰণ আৰু পিছৰ দুটা মানৱ সৃষ্ট এই বিকীৰণৰ প্ৰভাৱ সম্পৰ্কে ১৯৫৯ চনৰ 'হেলাৰ' আৰু 'টেক্সেৰীয়া পিণ্টোৱে', ১৯৭৬ চনত 'বাৰানস্কি' আৰু 'যাক্সিয়ে', ১৯৭৮ চনত 'ইয়াঅ' এ আৰু ১৯৮২ চনত বহুকেইজন বিজ্ঞানীয়ে সামূহিক প্ৰচেষ্টাৰে তেখেতসকলৰ নেৰানেপেৰা গৱেষণাৰ অন্তত বহুখিনি তথ্য উদ্‌ঘাটন কৰিছে। তথ্যসমুহে বহু ভয়াবহ ইংগিত ডাঙি ধৰিছে। এই তথ্যসমূহৰ ভিতৰত জীৱিত কোষৰ ওপৰত বিকীৰণে সৃষ্টি কৰিব পৰা বিষক্ৰিয়া (genotoxic) শ্ৰৱণেন্দ্ৰিয়ৰ ওপৰত পৰা প্ৰভাৱ লগতে উদ্বেগজনক ভাবে বাঢ়ি অহা বহু বেমাৰৰ কাৰক বা অৰিহনা যোগোৱা আদি তথ্যও সন্নিবিষ্ট হৈছে। আনকি কিছু প্ৰজাতিৰ চৰাই, মৌ-মাখি আদি প্ৰতঙ্গৰ ওপৰতো বিকীৰণে কৰা ক্ষতি গ্ৰস্ততাৰ উদাহৰণো ডাঙি ধৰা হৈছে। জনস্বাস্থ্য তথা পৰিবেশৰ ওপৰত লক্ষ্য ৰাখি আমেৰিকা আদি উন্নত দেশসমূহত কিছু সজাগতা অভিযান আৰম্ভ কৰা হৈছে। যেনে -

১) এজন ব্যক্তিয়ে দৈনিক ২৪ মিনিটৰ, পাৰিলে ১৮ মিনিটত মবাইল ফ'নৰ ব্যৱহাৰ সীমিত কৰিব লাগে।

২) একেৰাহে ৬ মিনিটৰ বেছি ফন ব্যৱহাৰ কৰিব নালাগে।

৩) লোকালয়ত বেচ্‌ষ্টেচিন স্থাপন কৰিব নালাগে।

৪) কম বয়সৰ শিশুসকলক এই ফ'ন ব্যৱহাৰ কৰিবলৈ দিয়াটো অনুচিত — ইত্যাদি।

আমাৰ দেশৰ জনসাধাৰণ এইবোৰ সকিয়নীৰ বাহিৰত আছে। কিছুৱে জানি শুনিও অজ্ঞান বা তথ্যৰ ওপৰত বিশ্বাস স্থাপন কৰিবলৈ অনিশ্চুক হৈ আছে। মবাইল ফ'ন এতিয়া কেৱল প্ৰয়োজনীয় আহিলা হৈ থকা নাই, কিছু যুৱক-যুৱতীৰ বাবে ই এক গ্লেমাৰৰ 'শ্বপিচ' হৈ পৰিছে। আমাৰ ব্যক্তিগত অভিমত হৈছে - 'মবাইল ফ'ন আমি নিশ্চয় ব্যৱহাৰ কৰিম, কিন্তু কেৱল প্ৰয়োজনত তাকো পৰিমিত হিচাবত, নহ'লে এইবিধ স্ল পয়জনে আমাৰ বৰ্তমান তথা অনাগত প্ৰজন্মক কিছু হ'লেও ক্ষতি কৰিব শাৰীৰিক আৰু মানসিক দুয়ো ধৰণেৰেই।" - আহক আমাৰ মহাবিদ্যালয়ৰ পৰাই আমি শিক্ষক ছাত্ৰ সমন্বিতে সমাজলৈ এই সজাগতাৰ বাণী প্ৰেৰণ কৰোঁ।❐

(টোকা — লিখাটো যুগুতাওঁতে Dr. Neil Cherry, Prof. Girish Kumar, Ng Kwan-Hoong আদি গৱেষকৰ তথ্য ব্যৱহাৰ কৰা হৈছে। প্ৰবন্ধৰ লগত সন্নিবিষ্ট ছবিৰ বাবে পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ অংকুৰৰ প্ৰতি কৃতজ্ঞতা যাচিলোঁ।





# সাম্প্ৰতিক সময়ৰ বিশ্ব শ্ৰেষ্ঠ প্ৰতিবন্ধী বিজ্ঞানী

# ষ্টিফেন হকিং

**টঙ্কেশ্বৰ বৰুৱা**
সহযোগী অধ্যাপক, সোণাৰি মহাবিদ্যালয়

বৰ্ত্তমান বিজ্ঞান জগতত বিষ্ময় সৃষ্টি কৰি ন ন তথ্যৰে বিজ্ঞান জগতক সমৃদ্ধ কৰা বিজ্ঞানীসকলৰ ভিতৰত ষ্টিফেন উইলিয়াম হকিং অন্যতম। আইষ্টাইনৰ পাছতে জীৱিত আৰু শ্ৰেষ্ঠ বিজ্ঞানী হিচাবে খ্যাত শাৰিৰীক ভাবে প্ৰতিবন্ধী বিজ্ঞানীজন আকৌ মানসিক ভাৱে অতি উৎকৃষ্ট মস্তিষ্কৰ। তেওঁৰ জন্ম ১৯৪২ চনৰ জানুৱাৰীত লণ্ডনৰ পৰা উত্তৰে ৩৫ কিঃমিঃ দূৰত ভেৰ নামৰ সৰুনৈৰ কাষৰ চেইণ্ট এলবান্স নগৰত। হকিঙৰ পিতৃ ফ্ৰেঙ্ক হকিং পেছাত এজন নামী চিকিৎসক আৰু মাতৃ ইছাৰেল স্কইলেগুৰ জীয়ৰী।

লণ্ডনৰ হাইগেট নামৰ ঠাইৰ বাইৰণ হাউছত তেওঁ পঢ়া আৰম্ভ কৰে আৰু চেইণ্ট এলবান্সৰ এখন চৰকাৰী স্কুলত হাইস্কুলীয়া শিক্ষা শেষ কৰে। ইংলেণ্ডৰ বিশ্ব বিখ্যাত অক্সফোৰ্ড বিশ্ববিদ্যালয়ত অঙ্ক আৰু পদাৰ্থ বিজ্ঞান যুটীয়া বিষয়ত অধ্যয়ন কৰি সন্মান সহকাৰে তেওঁ প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয়। তাৰ পাছতে তেওঁ ডক্টৰেট ডিগ্ৰীৰ বাবে মন মেলে। অক্সৰ্ফোডত থাকোতে তেওঁ গড় হিচাবে এক ঘণ্টাহে পঢ়িছিল কাৰণ তেওঁৰ বাবে পঢ়াবোৰ তেনেই উজু আছিল।

সেই সময়ত সূত্ৰাত্মক (Theoretical) পদাৰ্থ বিদ্যা আৰু জ্যোতি বিদ্যাত (Astronomy) গৱেষণাৰ বাবে বিশেষ সুবিধা নথকাৰ বাবে (অক্সফোৰ্ডত) কিছুদিন তাৰ Royal Greenwishত গৱেষণা কৰিও মন বহুৱাব নোৱাৰিলে কাৰণ তেওঁ তাত নতুন কিবা পোৱাৰ আশা নেদেখিলে। তেওঁৰ মন সূত্ৰাত্মক ব্ৰহ্মতত্ব (Theoritical cosmology)ৰ প্ৰতি আকৰ্ষিত হ'ল। ইতিমধ্যে তেওঁ কেমব্ৰিজ বিশ্ববিদ্যালয়ত গৱেষণাৰ সুযোগ পায়। তাত তেওঁ Department of Applied Mathematics and theoritical physics (DAMTP)ত Ph. Dৰ কাৰণে গৱেষণা আৰম্ভ কৰে।

কেম্ব্ৰিজত থকা সময়ত ২১ বছৰ বয়সত মটৰ নিউৰণ বা লুগেৰিকৰ নামৰ এক মাৰাত্মক অসুখত পৰে। এই বেমাৰে তেওঁৰ শৰীৰৰ মাংস পেশীবোৰ শুকুৱায় জঠৰ কৰি পেলালে। এনে বেমাৰত দুই বা আঢ়ৈবছৰ হে মানুহ জীয়াই থাকে। সৌভাগ্য যে তেওঁ তাৰ পাছতো ৫০ বছৰ জীয়াই থাকি বৈজ্ঞানিক কাম-কাজ চলাই আছে। বৰ্তমান Living centre নামৰ যোগাযোগ পদ্ধতি ব্যৱহাৰ কৰি লিখা পঢ়া আৰু হুইল চেয়াৰত লগাই দিয়া Speech synthesizer (বাক্ সংশ্লেষণকাৰী) যোগেদি মানুহৰ লগত কথা কব পাৰে আৰু বক্তৃতা দিব পাৰে। তেওঁ এখন হাতত দুটা আঙুলিহে লৰাব পাৰে বাকী অংগবোৰ লৰাব নোৱাৰে।

শাৰীৰিক ব্যাধিলৈয়েই তেওঁ আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ আঁত ধৰি অতি বৃহৎ ব্ৰহ্মাণ্ডতত্বৰ ওপৰত গৱেষণা আৰম্ভ কৰে। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ে কৃষ্ণগহ্বৰ (Black hole) ওপৰত কৰা গৱেষণাৰ বাবে হকিঙক Ph. D ডিগ্ৰী প্ৰদান কৰে। গৱেষণাৰ গাইড আছিল ডেনিচ ষ্কিয়ামা নামৰ এজন জ্যোতিবিদ। ষ্কিয়ামাই তেওঁক পায্যমানে সহায় কৰিছিল যদিও তেওঁৰ লগত হফিঙৰ গৱেষণা বিষয়ত প্ৰায় মতাণক্য ঘটিছিল। গৱেষণা কাৰ্য্যত প্ৰেৰণা যোগোৱা জেন ৱাইল্ড নামৰ এগৰাকী গাভৰুৰ লগত ১৯৬৫ চনত বিবাহ কালত আবদ্ধ হয়। ইতিমধ্যে তেওঁ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ বিজ্‌কলেজত 'ফেলো' হিচাবে নিযুক্তি পায় আৰু মাহেকত শকত পৰিমাণৰ ধন বৃত্তি হিচাবে পাবলৈ সক্ষম হয়। তেওঁ দুৰ্বল ভৰি দুটা চোঁচৰাই

চোচৰাই দুকাষে পেংলৈ কলেজলৈ যাব লগা হৈছিল। বিয়াৰ এবছৰৰ পাছত হকিঙৰ জিভাৰ জড়তা আৰু বাঢ়িল, মাতবোৰ বেছি অস্পষ্ট হবলৈ ধৰিলে। তেওঁৰ পাণ্ডিত্য চেমিনাৰ, কৰ্মশালাবিলাকত প্ৰতিফলিত হৈছিল সেয়ে কলেজ কতৃপক্ষই শ্ৰেণীত পাঠদানৰ পৰা অব্যাহতি দিছিল। পণ্ডিতসকলৰ মাজত তেওঁ আইনষ্টাইনৰ উত্তৰাধিকাৰী হিচাবে খ্যাতি পাবলৈ ধৰিলে।

১৯৬৭ চনত প্ৰথম পুত্ৰ ৰৰ্বাট জন্ম হোৱাত তেওঁ অতি আনন্দিত হৈ "Singularities and the Geometry of space time" প্ৰবন্ধ লিখে যাৰ বাবে তেওঁ সন্মানজনক Adam's Prize লাভ কৰে। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ বিখ্যাত জ্যোতিৰ্বিদ আৰু ব্ৰহ্মাণ্ডতত্ত্ববিদ ফ্ৰেড হুইলক প্ৰত্যাহ্বান জনাব



পৰা বিজ্ঞানী নাছিল। যুক্তৰাষ্ট্ৰত ৰয়েলচচাইটিৰ এখন সন্মিলনত বিশ্ব ব্ৰহ্মাণ্ডৰ Steady state theory ৰ ওপৰত আধাৰিত বক্তৃতাৰ প্ৰশ্নোত্তৰ শিতানত "প্ৰফেচাৰ হুইল, তোমাৰ অঙ্কটোত ভুল আছে।" বুলি হকিঙে প্ৰত্যাহ্বান জনাইছিল। মাত্ৰ ৩২ বছৰ বয়সতে তেওঁ বৃটেইনৰ বিখ্যাত Royal Societyৰ সন্মানজনক fellow নিৰ্বাচিত হয়।

**Big Bang Theory উদ্ভাৱন ঃ**

সেই সময়ত বাৰবেক কলেজৰ গণিত শাস্ত্ৰৰ অধ্যাপক পেনৰ'জে কৃষ্ণ গহ্বৰৰ (Black hale) বিষয়ে গৱেষণা কৰি আছিল। ১৯৬৫ পৰা ১৯৭০ চনৰ ভিতৰত হকিং আৰু অধ্যাপক পেনৰ'জে মিলি সাধাৰণ আপেক্ষিকতা বাদৰ সূত্ৰৰ ওপৰত অনুসন্ধান আৰম্ভ কৰি স্থানকালৰ (Space time) পাৰস্পৰিক সম্পৰ্ক বিশ্লেষণ বাবে এক নতুন গাণিতিক পদ্ধতি উদ্ভাৱন কৰে আৰু বিংশ শতিকাৰ আগলৈকে মহাবিশ্বত নক্ষত্ৰবোৰ নিজ স্থানত সদায় স্থিৰ অৱস্থাত থাকে বুলি থকা ধাৰণা সলনি কৰে, তেওঁলোকে প্ৰমাণ কৰিলে যে বিশ্বব্ৰহ্মাণ্ডখন পৰিবৰ্তনশীল। ১৯৬৭ চনত গাণিতিক ভাবে সূত্ৰ উদ্ধাৱন কৰি প্ৰকাশ কৰিলে যে- এটা সময়ত বিশ্বব্ৰহ্মাণ্ডৰ ঘনত্ব অসীম আছিল আৰু প্ৰকৃততেই বিশ্বব্ৰহ্মাণ্ডৰ জীৱন ইতিহাসত এটা মহাবিস্ফোৰণ ঘটিছিল। সেয়েই Big Bang অৰ্থাৎ মহানাদৰ বিস্ফোৰণ। ইয়াৰ পৰা ইয়াকে দেখুৱালে যে সময়ৰ এটা আৰম্ভণি আছিল। নিউটনৰ সময়লৈকে স্থানকাল স্থিৰ আৰু স্থায়ী নহয়, বিশ্বব্ৰহ্মাণ্ড সদায় একে থাকে বুলি থকা ধাৰণা সলনি কৰিলে। আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ আঁত ধৰি হকিঙে বিশ্বব্ৰহ্মাণ্ডৰ যে এটা আৰম্ভণি আছিল আৰু স্থানকাল কোনো বেলেগ সত্বা নহয় অৰ্থাৎ এটাক এৰি আনটোৰ কথা ভাবিব নোৱাৰি সেইটো প্ৰতিপন্ন কৰে।

মহানাদৰ বিষয়ে হকিঙে ব্যাখ্যা কৰি কৈছিল যে আমাৰ পৃথিৱীৰ আকাৰৰ এটা নক্ষত্ৰ সঙ্কুচিত হৈ কেই মিলিমিটাৰ মানৰ এটি ক্ষুদ্ৰ কৃষ্ণ গহ্বৰ হব পাৰে ইয়াৰ ঘনত্ব অতি বেছি। এই অতি ঘনত্ব কৃষ্ণ গহ্বৰটি ক্ৰমান্বয়ে বেছি তপত হৈ সময়ত বিস্ফোৰিত হ'ব পাৰে সেয়েই Big Bang অৰ্থাৎ মহানাদ।

**Black hole ৰ নতুন তথ্য ঃ**

১৯৭০ চনত হকিঙৰ দ্বিতীয় সন্তান (কন্যা) লুচীৰ জন্ম হয়। পিতৃত্বৰ গৌৰৱেৰে তেওঁ অতি আনন্দিত হয় আৰু সেইসময়তে তেওঁ কৃষ্ণ গহ্বৰ বিষয়ে অধিক তথ্য উদ্‌ঘাটন কৰি কয় যে- কৃষ্ণগহ্বৰৰ মহাকৰ্ষণীয় শক্তিৰ প্ৰাবল্য ইমান বেছি যে তাৰ পৰা একোৱেই ওলাই আহিব নোৱাৰে আনকি প্ৰতি চেকেণ্ডত তিনিলাখ কিলোমিটাৰ (পোহৰৰ বেগ) গতিবেগত গতি কৰা পোহৰৰ ৰশ্মিও ইয়াৰ পৰা ওলই আহিব নোৱাৰে। অন্য বস্তুৰ কথাই নাই। ১৯৭৪ চনত তেওঁ আৰু এখোজ আগোৱাই গৈ প্ৰমাণ কৰিলে যে কৃষ্ণগহ্বৰবোৰ সম্পূৰ্ণ কলা





নহয়। ১৯৮৩ চনত প্ৰমাণ কৰি দেখুৱালে যে স্থানকালৰ বিস্তৃতি সীমাবদ্ধ কিন্তু তাৰ কোনো দাঁতি বা সীমনাই যিদৰে পৃথিৱীৰ উপৰিভাগ সীমাবদ্ধ কিন্তু তাৰ কোনো সীমা বা দাঁতি নাই।

**বিজ্ঞান মহলত স্বীকৃতি ঃ**

বহুতেই তেওঁৰ আবিষ্কাৰসমূহ মানি লবলৈ টান পাইছিল, তীক্ষ্ণ প্ৰশ্নবানেৰে তেওঁক থকা সৰকা কৰিব বিচাৰিছিল কিন্তু বাৰে বাৰে তেওঁৰটোহে শুদ্ধ হয়, যিহেতু নিৰ্ভুল অঙ্কৰে তেওঁ সত্যতা প্ৰমাণ কৰি দেখুৱাইছিল। শেষত সকলো বিজ্ঞানীয়েই তেওঁৰ কথা মানিলে কৃষ্ণগহ্বৰৰ পৰা নিৰ্গত হোৱা কণাসমূহক হকিং বিকিৰণ (Hawking radiation) বুলি নামকৰণ কৰে। ইতিমধ্যে তেওঁ এজন বিখ্যাত বিজ্ঞানী হিচাপে পৰিগণিত হ'ল। ১৯৮৫ চনলৈকে পৃথিৱীৰ বহুতো দেশত ব্ৰহ্মাণ্ড তত্ত্বৰ ওপৰত বক্তৃতা দিবৰ বাবে আমন্ত্ৰণ লাভ কৰি তাত অংশ গ্ৰহণ কৰে। বিধিৰ বিপাক, তেওঁ নিউমোনিয়াৰোগত আক্ৰান্ত হৈ শ্বাসনলী বন্ধ হৈ পৰে আৰু যাৰ বাবে শ্বাসনলীৰ অস্ত্ৰোপচাৰ কৰা হয় কিন্তু চিৰদিনৰ বাবে তেওঁৰ মাতটো হেৰুৱাব লগাত পৰে আৰু লগে লগে বিশ্বভ্ৰমণৰ অন্ত পৰে।

**Grand Unified Theory পৰম ঐক্যবদ্ধ সূত্ৰ ঃ**

আইনষ্টাইনে আপেক্ষিকতাবাদৰ লগত এটা বিশেষ সূত্ৰ সংযোগ কৰি এটা 'মহাসূত্ৰ' উলিয়াবলৈ চেষ্টা কৰিছিল যিটো বিজ্ঞানীসকলে 'সৰ্বসূত্ৰ' (Theory of Every thing) বুলি কৈছে। এই সূত্ৰটো আবিষ্কাৰ হ'লে আমি ক'ৰ পৰা আহিলো? আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ আৰম্ভণী কেনেকৈ হ'ল? আদি প্ৰশ্নৰ উত্তৰৰ লগতে আমাৰ শৰীৰৰ প্ৰতিটো অনু-পৰমাণুৰ বিষয়েও ব্যাখ্যা কৰিব পৰা যাব। আইনষ্টাইনৰ জীৱন কালত যিটো সম্ভৱ নহ'ল, ষ্টিফেন হকিঙে কিন্তু এই ক্ষেত্ৰত হাৰমনা নাই। তেওঁ কৈছে এই সৰ্বসূত্ৰ বা পৰম ঐক্যবদ্ধ সূত্ৰ (Grand Unified Theory) আবিষ্কাৰ হ'লে ই মানৱজাতিৰ বিশ্বব্ৰহ্মাণ্ডখনক বুজিবলৈ চলোৱা সুদীৰ্ঘ আৰু মহান প্ৰচেষ্টা তথা সংগ্ৰাম অন্ত পৰিব। এই আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ তেওঁৰ প্ৰচেষ্টা অব্যাহত আছে। বৰ্তমান বিজ্ঞানীসকলে অনুমান কৰিছে যে Hawking radiation আবিষ্কাৰ সৰ্বসূত্ৰ উদ্ভাৱনৰ এক ইংগিত।

**A Brief History of time ঃ**

আমেৰিকাৰ বিখ্যাত প্ৰকাশন প্ৰতিষ্ঠান, বাণ্টাম পাব্লিকেছনে তেওঁৰ 'A Brief History of time' নামৰ এখন উৎকৃষ্ট গ্ৰন্থ প্ৰকাশ কৰিবলৈ বিচাৰি তেওঁলৈ ভাৰতীয় মূল্য হিচাপত সাতাশী লাখ পঞ্চাশ হেজাৰ টকা আগবঢ়ায়। ইয়াৰ ওপৰিও Royalityৰ বাবদ প্ৰতিবছৰে বৃহৎ অঙ্কৰ ধন আয় হিচাপে আছেই। ১৯৯৩ চনলৈকে বিশ্বৰ ৩৩ টা ভাষাত প্ৰকাশ হৈ গ্ৰন্থজগতৰ ইতিহাস ৰচনা কৰিছে। ১৯৯২ চনলৈকে B.B.C.ৰ তথ্যমতে কিতাপখনৰ বিক্ৰীৰ সংখ্যা ১ কোটিৰো অধিক। এখন কিতাপেই হকিঙক কোটিপতি কৰিলে। বৰ্তমানলৈকে বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্মান আৰু বঁটাৰে হকিঙ বিভুষিত হৈছে।

সম্প্ৰতি ৭১ বছৰ বয়সীয়া বিশ্বখ্যাত প্ৰতিবন্ধী বিজ্ঞানীজনে এতিয়াও কয় তেওঁৰ বহুতো কাম বাকী আছে "My goal is simple. It is complete understanding of the Universe."□

# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিত শিল্পচেতনা


ৰেখামণি গগৈ
প্ৰৱক্তা, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়


"সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।"

সুন্দৰ চেতনা আৰু সুন্দৰ সাধনাৰ প্ৰতীক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। নামেই যাৰ পৰিচয়। এইজনা জ্যোতিপ্ৰসাদে সপোন দেখিছিল বিশ্ব মানৱক সুন্দৰ কৰি তোলাৰ যি সুন্দৰ ধাৰণাই অসমীয়া তথা বিশ্ব সংস্কৃতিক সমৃদ্ধিশালী কৰি তুলিব পাৰি। অসমীয়া সংস্কৃতিৰ নিৰ্মাতা মহাপুৰুষ শ্ৰীশ্ৰী শঙ্কৰদেৱৰ পিছতেই জ্যোতিপ্ৰসাদৰ স্থান বুলি কলেও ভুল কোৱা নহয়। জ্যোতিপ্ৰসাদৰ জ্যোতিয়ে সংস্কৃতিৰ পথাৰখন এনেভাৱে পোহৰাই তুলিছিল যে সেই পোহৰত ন ন কৃষ্টি সংস্কৃতিৰ জন্ম হ'ল। গীত, নাট, বোলছবি, স্থাপত্য ভাস্কৰ্য, শিল্পদৰ্শন আদি তেওঁৰ অসমীয়া জাতীয় জীৱনলৈ আগবঢ়োৱা বিচিত্ৰ আৰু বিপুল অৰিহণা। য'ত তেখেতৰ শিল্প চেতনাৰ সুন্দৰ নিদৰ্শন ফুটি উঠিছে। জীৱন আৰু জগতৰ সৰ্বত্ৰ সুন্দৰ দৰ্শন কৰা শিল্পীগৰাকীয়ে পৃথিৱীখনকে সুন্দৰ কৰাৰ প্ৰয়াস কৰি শিল্পীৰ বিশাল ৰূপৰ উপলব্ধি কৰিছে। যাৰবাবে নতুন পৃথিৱী গঢ়িবলৈ প্ৰতিজন মানুহেই শিল্পীলৈ ৰূপান্তৰ হোৱাৰ কথা কৈছে। তেখেতৰ মতে, পৃথিৱীখন শিল্পীৰ ঘৰ শিল্পীৰ কাৰখানা আৰু শিল্প সংস্কৃতি সম্পদৰ প্ৰদৰ্শনী। গতিকে সুকুমাৰ সৌন্দৰ্যৰ সাধনাত শিল্পীয়ে অসত্যক প্ৰশ্ৰয় দিলে অথবা মানৱৰ মঙ্গললৈ আওকান কৰিলে এই সৌন্দৰ্যৰ বিকাৰ আৰম্ভজাৱী সেয়ে ছবি অঁকা, গান গোৱা, কবিতা লিখাই শিল্পী নহয়, য'ত বৌদ্ধ, যীশুখ্ৰীষ্ট, মহম্মদৰ ধৰ্মও মহৎ শিল্প। সমাজ সংস্কাৰো এক কঠিন কিন্তু অমূল্য শিল্প বুলি শিল্পীগৰাকীয়ে মন্তব্য কৰিছে।

জ্যোতিপ্ৰসাদৰ চিন্তা আৰু সৃষ্টি শিল্পচেতনাৰে সমৃদ্ধ। জ্যোতিপ্ৰসাদ যথাৰ্থ শিল্পী বাবেই তেওঁ অতীতৰ বিশ্লেষণ, বৰ্তমানৰ সমীক্ষা আৰু ভৱিষ্যতৰ বাবে ৰচনাত্মক চিন্তা কৰিব জানিছিল। তেওঁৰ 'বিশ্বশিল্পী' নামৰ কবিতাত আছে, যথা

"শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যৰ
আদিতেই যাত্ৰা কৰি অনাদিলে যাওঁ,
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ।"

অতীত, বৰ্তমান আৰু ভৱিষ্যৰ — এই তিনিও কালৰ প্ৰতি জ্যোতিপ্ৰসাদৰ এক সুতীক্ষ্ণ দৃষ্টি আছিল বাবেই তেওঁৰ শিল্পচেতনাত তিনিটা বিশিষ্ট চেতনাৰ সমাহাৰ হোৱা দেখা যায়। অন্ধকাৰ চেতনা, আলোক চেতনা আৰু ৰূপান্তৰ চেতনা। যিয়ে জ্যোতিপ্ৰসাদৰ শিল্প চেতনাক সমৃদ্ধ কৰি তুলিছে।

কবিতাৰ দৰে জ্যোতিপ্ৰসাদৰ নাটকৰ গীততো শিল্প চেতনা দেখিবলৈ পোৱা যায়। তেওঁৰ নাটকৰ গীতৰ ভাৱবস্তু ৰোমান্তিকতাৰ পৰা মুক্ত হৈ বহুধা দিশত প্ৰকাশ পাইছে। ৰোমান্টিক ভাৱৰ বহিৰ্ভূত এটা বিশিষ্ট দিশ হ'ল ৰোমান্টিকতাৰ মাজেদি কৃষ্ণ সংস্কৃতিলৈ জ্যোতি চিন্তাৰ উত্তৰণ ঘটোৱা। জ্যোতিপ্ৰসাদে শ্ৰীকৃষ্ণক তথা কথিত ভক্তৰ দৃষ্টিৰে গ্ৰহণ কৰা নাই, জ্যোতিৰ দৃষ্টিত শ্ৰীকৃষ্ণ আন্ধাৰ বিনাশী পোহৰ আৰু গতিশীলতাৰ প্ৰতীক। জ্যোতিচিন্তাত কৃষ্ণতত্বই প্ৰথম আত্মপ্ৰকাশ কৰিছে 'শোণিতকুঁৱৰী' নাটকত। ইয়াৰ পিছত জ্যোতিপ্ৰসাদৰ চিন্তাত কৃষ্ণক সংস্কৃতিৰ ৰূপত গীতৰ মাজেদি প্ৰকাশ কৰা হ'ল





- 'কাৰেঙৰ লিগিৰী' নাটকৰ তৃতীয় অংকৰ প্ৰথম দৰ্শনত। সুন্দৰ কোঁৱৰৰ বন্ধু সুদৰ্শনৰ মুখৰ 'মোৰে জীৱনৰে সখা কৃষ্ণ তই" গীতটিৰ মাজেদি কৃষ্ণৰ চিৰসুন্দৰ আৰু সাংস্কৃতিক ৰূপটো পোহৰলৈ অনা হৈছে। 'শোণিত কুঁৱৰী' নাটকৰ চিত্ৰলেখা আৰু কৃষ্ণ চৰিত্ৰৰ মাজেদি নাট্যকাৰ গৰাকীৰ শিল্পচেতনা পোহৰলৈ আহিছে।

জ্যোতিপ্ৰসাদ কেৱল গান গোৱা শিল্পী নহয়। তেওঁ সমাজক অসুন্দৰৰ পৰা সুন্দৰ কৰিব খোজা এগৰাকী সক্ৰিয় শিল্পী। সেয়ে তেওঁৰ অন্তৰাত্মা মানৱিক উপলব্ধিৰে ভৰপুৰ। কিন্তু সমাজৰ দুষ্কৃতিকাৰীজনৰ প্ৰতি জ্যোতিপ্ৰসাদ অতি কঠোৰ। সেয়ে তেওঁৰ 'মোৰ গানত জ্বলে শতযুগৰ কত অভিমান' গীতত আৰু 'মোৰ গানে বিচাৰে চিৰ দুখীয়াৰ চিৰ পৰিত্ৰান' বুলি কৈ দুষ্কৃতিকাৰীৰ প্ৰতি কঠোৰ হৈ কৈছে। —

মোৰ গানত গুমৰি
ভুঁইকপ কৰে
পৃথিৱী নিৰ্মাণ
মোৰ গানৰ জুইয়ে জগত পুৰিব
দুষ্কৃত সাৱধান।
মোৰ অস্থিৰে মই ৰচিছোঁ বজ্ৰগান
প্ৰালয়িকী মোৰ জাগিছে ছন্দ
কৃতান্ত মূৰ্তিমান
গানেৰে মই বিশ্ব জীৱন
কৰি আছোঁ আহ্বান।"

— এই গীতটোৰ পতাই স্পষ্ট হৈ পৰিছে যে, শিল্পীগৰাকীয়ে মানৱিকতাৰ বাবেই দৰিদ্ৰজনৰ চিৰকল্যান কামনা কৰিছে। আৰু দৰিদ্ৰজনৰ কল্যাণৰ বাবে প্ৰয়োজন হ'লে দুষ্কৃতিকাৰীৰ বিধ্বংস কৰিবলৈ তেওঁ মুঠেই কুণ্ঠিত নহয়।

জ্যোতি চিন্তাৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল কলাৰ সকলো দিশতেই মৌলিক চিন্তা আৰু সৃষ্টিৰে যিদৰে নৱৰূপ দিছিল, অসমীয়া নৃত্যকো তেওঁ ন-পুৰণি তথা পূব পশ্চিমৰ নৃত্যৰ বৈশিষ্ট্যৰ মিশ্ৰণ ঘটাই আধুনিক ৰূপত সজাই তুলিছিল। যাৰ কাৰণে তেওঁ আধুনিক অসমীয়া নৃত্য গঢ়নত লোকনৃত্যক আধাৰৰূপে গ্ৰহণ কৰাত গুৰুত্ব দিছিল। সেয়ে জ্যোতিপ্ৰসাদৰ চিন্তা আৰু মৌলিকতা। তেওঁ কৈছিল 'অসমীয়া নাচ যে আগৰ পুৰণি ভাৰতীয় নাচৰে অপভ্ৰংশ তাত অসমীয়া dancing pose বোৰেৰে মিলাই চালেই গম পোৱা যায়। জ্যোতিপ্ৰসাদে প্ৰধান ভাৱে চাৰিটা ধাৰাৰ পৰা নৃত্যভঙ্গীৰ উপাদান গ্ৰহণ কৰি অসমীয়া নৃত্যক ন-ৰূপ দিয়াত গুৰুত্ব দিছিল। এই চাৰিটা ধাৰা হ'ল - অসমৰ লোকনৃত্য, আৰু জনজাতীয় নৃত্য, প্ৰাচীন পুথি আৰু শিলৰ মূৰ্তি, ভাওনাৰ ধ্ৰুপদী নৃত্য আৰু বৰ্হিভাৰতীয় নৃত্য। এই কেইটা বিশিষ্ট নৃত্যধাৰাৰ পৰা উপাদান গ্ৰহণ কৰি তাতে আপোনদেশৰ জনমনত হোজাকৈ কল্পনাৰো বোল সানি অসমীয়া নৃত্যক সজাই তোলাৰ যি পৰিকল্পনা তাতেই নৃত্যশিল্পী হিচাপে জ্যোতিপ্ৰসাদৰ শিল্পচেতনা প্ৰকাশ পাইছে। ইয়াৰোপৰি জ্যোতিপ্ৰসাদৰ শিল্পচেতনাৰ সম্যক প্ৰকাশ ঘটিছে 'জয়মতী' কথাছবি নিৰ্মাণৰ কলাকুশলতাত। তেওঁৰ চিত্ৰবন ষ্টুডিঅ'ৰ সাজসজ্জা, বিভিন্ন ঘটনাৰ পটভূমি নিৰ্মাণ কৌশল আদিত জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক চেতনাৰ গভীৰতা প্ৰকাশ পাইছে। তদুপৰি মধ্যযুগৰ বাতাবৰণ নিৰ্মাণৰ বাবে সংগ্ৰহ কৰা বিভিন্ন সম্পদ যেনে, ডাঙৰ ডাঙৰ পিতলৰ



শৰাই, বঁটা, হাতী দাঁতৰ পাটি, আহোম স্বৰ্গদেউসকলৰ দিনৰ নানা সাজপাৰ, ঢাল-তৰোৱাল। আ-অলংকাৰ আদিয়ে জয়মতী বোলছবিত মধ্যযুগীয় সমাজখনৰ ছবিখন দৰ্শকে কল্পনাৰ পৰা

মুক্ত কৰি বাস্তৱত দৰ্শন কৰাৰ সুবিধা পাইছিল। গতিকে আধুনিক বিজ্ঞানৰ ব্যয়বহুল বিলাসী মঞ্চ সজ্জাৰ বিপৰীতে অতি সাধাৰণ সামগ্ৰীৰে মঞ্চত সজ্জা কৰা কৌশল উদ্ভাৱনতো জ্যোতিপ্ৰসাদৰ শিল্পপ্ৰতিভাৰ সম্ভেদ পোৱা যায়।

স্থাপত্য শিল্পৰ দিশত জ্যোতিপ্ৰসাদৰ নতুন চেতনা পোষণ কৰা দেখা যায়। এইক্ষেত্ৰত তেখেতে নতুন দিনৰ সংস্কৃতি গঢ়িবলৈ ওলোৱাৰ সময়ত পুৰণি ধোঁৱাচাঙো বিচাৰি চলাথ কৰি পুৰণিৰ ভেটিত নতুনক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰে। যাৰ বাবে তেওঁ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামঘৰৰ সহজ সৰল স্থাপত্য ৰূপটোক ভূয়সী প্ৰশংসা কৰাৰ লগতে নামঘৰক বিশ্বস্থাপত্যৰ আধুনিক আৰু ভৱিষ্যতক ৰূপতো আদৰ্শ বুলি অভিহিত কৰিছে। শঙ্কৰী স্থাপত্যৰ আধ্যাত্মিক ভাৱনাৰ মাজতে বিশ্ব স্থাপত্যৰ আৰ্হি দেখি শঙ্কৰী স্থাপত্যকে আধুনিকতাৰ বোলেৰে বুলাই বিশ্ব স্থাপত্যৰ ৰূপ দিব বিচৰা চিন্তা আৰু দৃষ্টিতেই জ্যোতিপ্ৰসাদৰ শিল্প চেতনাৰ উমান পাব পাৰি।

প্ৰকৃত অৰ্থত জ্যোতিপ্ৰসাদ আগৰৱালা শিল্প সাধনাৰ প্ৰতিভু। তেখেতৰ সংস্কৃতিৰ ধাৰণাই সুকীয়া। সংস্কৃতি হৈছে 'সুন্দৰৰ পূজা'। এই সুন্দৰ ৰোমাণ্টিক ভাৱবিলাসেৰে নিৰ্মিত কোনো মানস ছবি নহয়। তেখেতৰ সুন্দৰ হৈছে সৎ চিন্তা, সৎ ভাৱনা আৰু গতিশীল সৃষ্টিৰে সজাইতোলা কলাত্মক জীৱন। আৰু সৌন্দৰ্য জীৱন আৰু সংস্কৃতিৰ সৈতে নিবিড় ভাৱে জড়িত হৈ আছে। তেওঁ কৈছে - "আজি বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য প্ৰয়োগ কৰাৰ লগে লগে আমাৰ মন আৰু হৃদয়ৰ গুণতো সৌন্দৰ্য প্ৰয়োগ কৰোঁ। এই বাহিৰ আৰু ভিতৰ দুয়োৰে উৎকৰ্ষণ আৰু তাত সৌন্দৰ্য প্ৰয়োগ হ'লেই মানুহৰ সংস্কৃতিয়ে পূৰ্ণৰূপ পায়। 'এজন মানুহ যদি সুকুমাৰ কলাৰ সৃষ্টিত অভিনৱ সৌন্দৰ্য সৃষ্টি কৰিব পৰা হৈয়ো মানুহৰ সৈতে ব্যৱহাৰত আৰু সম্বন্ধত মানসিক গুণবোৰ প্ৰকাশ কৰিব নোৱাৰে; সেই মানুহজনক নিশ্চয় অসম্পূৰ্ণ বুলিব লাগিব।" জ্যোতিপ্ৰসাদৰ সংস্কৃতি কেৱল বাহ্যিক আচৰণ নহয় ই শুদ্ধ আৰু ৰুচিবোধ সম্পন্ন চিন্তাবৃত্তিৰ প্ৰকাশহে। এনে অৰ্থতে তেওঁ কৈছে, "সাধাৰণতে সংস্কৃতি বুলিলে সুকুমাৰ কলাকেই বুজাই আৰু বিশেষ ভাৱে তাক বুজাবলৈ সংস্কৃতি শব্দৰ ব্যৱহাৰ কৰা হয়। কিন্তু সংস্কৃতিয়ে দৰাচলতে সমস্ত মানুহৰ চিন্তা আৰু কৰ্মক সামৰি ধৰিছে। "এই অৰ্থতে জ্যোতিপ্ৰসাদে সংস্কৃতিৰ দুটা ভাগৰ কথা উল্লেখ কৰিছে। এটা হৈছে অন্তৰভাগ আৰু আনটো বৰ্হিভাগ। অন্তৰ ভাগৰ প্ৰকাশ হয় আধ্যাত্মিক উপলব্ধিত, মানসিক উৎকৰ্ষণত আনহাতে বৰ্হি সংস্কৃতি প্ৰকাশ পায় বাস্তৱ জীৱনৰ চিন্তা আৰু কৰ্মৰ যোগেদি। যাক আৱশ্যকীয়তা আৰু সৌন্দৰ্য্য সাধনাৰ ফালৰ পৰা জনা যায়।' সেয়ে বৰ্তমান সময়ত জ্যোতিপ্ৰসাদৰ শিল্পচেতনাৰ অনুগামী হোৱা উচিত।❐





# অসমীয়া ভাষাৰ উচ্চাৰণ সমস্যা

**পদ্মকুমাৰী গগৈ**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

**১.০ প্ৰস্তাৱনা ঃ**

ভাষাৰ মৌলিক উপাদান হৈছে ধ্বনি (phone, sound)। মানুহে হাওঁফাওঁৰ পৰা বায়ু বাহিৰলৈ উলিয়াই দিওঁতে বা ভিতৰলৈ শুহি লওঁতে বাগিন্দ্ৰিয়ৰ সঞ্চালনৰ জৰিয়তে যি নাদৰ সৃষ্টি কৰা হয় তাকে ধ্বনি বোলে। ধ্বনি ভাষাৰ কাণেৰে শুনা শ্ৰুয়মান প্ৰতীক। ইয়াৰ দৃশ্যমান প্ৰতীকেই আখৰ। ধ্বনি বিশ্লেষণী প্ৰক্ৰিয়াৰে নিৰ্ণয় কৰা সমজাতীয় ধ্বনিসমষ্টিৰ একক প্ৰতীককে বৰ্ণ (Phoneme) বুলি কোৱা হয়। ভাষাত উচ্চাৰিত ধ্বনিৰ উচ্চাৰণ বিকৃত হ'লে ভাষাটোৰ ভেটি ল'ৰে। প্ৰাচীন কালত ভাৰতবৰ্ষত উচ্চাৰণৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। মহৰ্ষি যাজ্ঞবল্কৰ মতে,

প্ৰকৃতিৰ্যস্য কল্যাণো দন্তোষ্ঠৌ যস্য শোভনৌ।
প্ৰগলভ শ্চ বিনীতশ্চ স বৰ্ণান বৰ্ক্তুমহতি।।

অৰ্থাৎ যাৰ প্ৰকৃতি ভাল, যাৰ দাঁত আৰু ওঁঠ শোভন, যি কথা বাৰ্তাত মুখৰ আৰু বিনয়ী, তেওঁ প্ৰকৃত উচ্চাৰণ কৰিব পাৰে।

প্ৰাচীন ভাৰতত বেদ পাঠ কাৰ্যত বেদৰ উপাংগ 'শিক্ষা' শাস্ত্ৰৰ নিৰ্দেশমতে, বেদ পাঠ কৰোঁতাসকলে ধ্বনি উচ্চাৰণৰ অভ্যাস কৰিছিল। বৈদিকশাস্ত্ৰৰ ধ্বনি উচ্চাৰণৰ ক্ষেত্ৰত কটকটীয়া নিয়ম মানি চলা হৈছিল। খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতিকাৰ বৈদিক সংস্কৃতৰ কথিত ৰূপে পালি, প্ৰাকৃত, অপভ্ৰংশৰ মাজেৰে ক্ৰমপৰিৱৰ্তন ঘটি খ্ৰীষ্টীয় দশম শতিকাত জন্মহোৱা নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ ক্ষেত্ৰত বিশেষকৈ অসমীয়াৰ ক্ষেত্ৰত বৈদিক শাস্ত্ৰৰ উচ্চাৰণৰ কটকটীয়া নিয়ম শিথিল হৈ পৰিল।

বৰ্তমান বিশ্বায়নৰ ধামখুমীয়াত, অন্যান্য ভাষাৰ প্ৰভাৱত অসমীয়া ভাষা বিজতৰীয়া হ'বলৈ আৰম্ভ কৰিছে। উচ্চাৰণ, বানান আদি বিভিন্ন দিশত ভাষাটোত বেমেজালিৰ সৃষ্টি হৈছে। উচ্চাৰণৰ ক্ষেত্ৰত দেখা যায় যে বিদ্যালয়, মহাবিদ্যালয়ৰ বিদ্যাৰ্থীসকলৰ অসমীয়া ভাষাৰ অনুশীলন আশানুৰূপ নহয়। সাধাৰণ জনতাৰ কথাবতৰাত, সভা-সমিতিৰ বক্তৃতাত, ৰেডিঅ', দূৰদৰ্শনৰ কথিকা, ঘোষণা ইত্যাদিত যথেষ্ট অশুদ্ধ উচ্চাৰণ পৰিলক্ষিত হয়।

**২.০ অধ্যয়নৰ উদ্দেশ্য ঃ**

পৃথিৱীৰ প্ৰতেক ভাষাৰে নিজা নিজা উচ্চাৰণ, নিজা ৰূপ আছে। কোনো এটা ভাষাৰ উচ্চাৰণ, ৰূপ আন এটা ভাষাৰ ওপৰত জাপি দিব নোৱাৰি। আৰ্যমূলীয় অসমীয়া ভাষাৰো নিজা ৰূপ, নিজা উচ্চাৰণ, নিজা কালিকা শক্তি আছে। বৈদিক আৰ্য বা বৈদিক সংস্কৃতৰ কথিত ৰূপৰ পৰাই অসমীয়া ভাষাৰ উৎপত্তি হৈছে যদিও সেই ভাষাৰ সকলো বৈশিষ্ট্য অসমীয়া ভাষাত আৰোপ কৰিব নোৱাৰি। অসমীয়া ভাষাৰ উচ্চাৰণৰ দিশটোত বৰ্তমান কিছু আলোচনা হৈছে যদিওসেয়া পৰ্যাপ্ত নহয়। অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণৰ ক্ষেত্ৰত অনেক সমস্যা পৰিলক্ষিত হয়। এই ক্ষেত্ৰত গৱেষণাৰ প্ৰয়োজন আছে।

**৩.০ উচ্চাৰণ ভুল হোৱাৰ কাৰণসমূহ ঃ**

অসমীয়া ভাষাৰ উচ্চাৰণৰ ক্ষেত্ৰত দেখা দিয়া বেমেজালিৰ অন্তৰালত এখন উচ্চাৰণাত্মক অভিধানৰ অভাৱ পৰিলক্ষিত হয়। অসমীয়া ভাষাত উচ্চাৰণ সম্পৰ্কীয় বিজ্ঞানসন্মত আলোচনা কেৱল গোলোক চন্দ্ৰ গোস্বামীয়েহে কৰিছে। তেওঁৰ An Introduction to Assamese Phonology (১৯৬৬,

পিছলৈ ১৯৬৯ চনত 'অসমীয়া বৰ্ণপ্ৰকাশ' নামেৰে প্ৰকাশ কৰা হয়।) আৰু 'অসমীয়া ভাষাৰ উচ্চাৰণ' (২০০২) গ্ৰন্থ দুখনতহে অসমীয়া ভাষাৰ উচ্চাৰণৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্ৰন্থ Assamese, its Formation and Developmentত অসমীয়া ভাষাৰ ঐতিহাসিক বিৱৰ্তনৰ কাৰণে প্ৰয়োজন হোৱা ধ্বনিতত্ত্বৰ কিছু অংশহে আলোচনা কৰিছে, বিস্তৃতভাৱে কৰা নাই। বিশ্বৰ ভিতৰতে চহকী তথা শক্তিশালী ভাষা ইংৰাজীত থকা ডেনিয়েল জ'ঞ্চৰ An English Pronouncing Dictionary, কেনন আৰু নটৰ A pronouncing Dictionary of American English দৰে কিতাপ আমাৰ ভাষাত পোৱা নাযায়।

অসমীয়া ভাষাৰ উচ্চাৰণ ব্যক্তিভেদে, অঞ্চলভেদে, সম্প্ৰদায়ভেদে, কোৱাৰ শৈলীভেদে, পৰিৱেশ অনুযায়ী ভিন্ন হ'ব পাৰে। উদাহৰণস্বৰূপে, অসমৰ জনগোষ্ঠীয় লোকসকল দ্বিভাষী। তেওঁলোকৰ নিজা ভাষা থকা সত্বেও তেওঁলোকে অসমীয়া ভাষা কয়। তেওঁলোকে ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ উচ্চাৰণত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। এই ক্ষেত্ৰত তিৱা ভাষাৰ এটি উদাহৰণ দাঙি ধৰিব পাৰি। তেওঁলোকে 'পূজা','পাপ' আদি শব্দক 'ফুজা', 'ফাপ' আদি ৰূপত উচ্চাৰণ কৰে। এনে ভিন্নতাক কিন্তু ভুল বুলি ধৰিব নোৱাৰি। অসমীয়া ভাষাৰ মান্যৰূপতো এনে ভিন্নতা থকাটো স্বাভাৱিক বুলি পাৰি।

অসমীয়া ভাষাত উচ্চাৰণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ ফঁহিয়াই চালে এনেবোৰ কাৰণ পৰিলক্ষিত হয় ঃ

**৩.১ অনুকৰণ**
**৩.২ শাৰীৰিক মানসিক বিসংগতি**
**৩.৩ উচ্চাৰণ সম্পৰ্কীয় শিক্ষাৰ অভাৱ**
**৩.৫ কিছুমান যুক্তাক্ষৰৰ বানান আৰু উচ্চাৰণৰ মাজত থকা পাৰ্থক্যৰ বাবে**
**৩.৬ উচ্চাৰণ আৰু বৰ্ণবিন্যাসৰ অমিলৰ বাবে**
**৩.৭ নীৰৱ পঠন**
**৩.৮ জতুৱা ঠাঁচৰ প্ৰকৃত সুৰলহৰ নজনাৰ বাবে**
**৩.৯ সদায় ভুল উচ্চাৰণ শুনি থকাৰ বাবে**

**৩.১ অনুকৰণ ঃ**

শিশুৱে মাক-দেউতাক, আত্মীয়-স্বজন, ওচৰ চুবুৰীয়া আদিৰ পৰা ভাষা শিকে। তেনেস্থলত শিশুৰ পিতৃ-মাতৃ বা অন্যান্য লোকৰ উচ্চাৰণ যদি অশুদ্ধ হয় তেন্তে শিশুৰো উচ্চাৰণ অশুদ্ধ হয়। কেতিয়াবা প্ৰাথমিক স্তৰৰ শিক্ষকৰ ভুল উচ্চাৰণো শিশুৰ অশুদ্ধ উচ্চাৰণৰ কাৰণ হৈ পৰে। কাৰণ শিশুসকলে আনক অনুকৰণ কৰি কথা ক'ব খোজে।

**৩.২ শাৰীৰিক - মানসিক বিসঙ্গতি ঃ**

শিশুৰ শাৰীৰিক আৰু মানসিক বিসঙ্গতিৰ কাৰণেও উচ্চাৰণ ভুল হ'ব পাৰে। শ্ৰৱণ যন্ত্ৰ, বাগযন্ত্ৰ আদিৰ বিকাৰ থাকিলে আৰু মানসিক দিশত কিবা বিকাৰ থাকিলে উচ্চাৰণ ভুল হয়। মানসিক দিশত কিবা বিকাৰ নাথাকিলেও যদি প্ৰাৰম্ভিক শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উচ্চাৰণৰ প্ৰতি মনোযোগ নিদিয়ে তেন্তে উচ্চাৰণ ভুল হ'ব পাৰে।

**৩.৩ উচ্চাৰণসম্পৰ্কীয় শিক্ষাৰ অভাৱ ঃ**

প্ৰাৰম্ভিক স্তৰতে ছাত্ৰ-ছাত্ৰীক শুদ্ধ উচ্চাৰণ সম্পৰ্কীয় কথাবিলাক শিক্ষকে শিকাব লাগে। উচ্চাৰণ সম্পৰ্কীয় উপযুক্ত শিক্ষাৰ অভাবৰ কাৰণেও ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণ ভুল হয়।

**৩.৪ অন্যান্য ভাষাৰ প্ৰভাৱ ঃ**

অসম বহুভাষিক ৰাজ্য। অসম বিভিন্ন ভাষা-ভাষী লোকৰ মিলন থলী। ইন্দোইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত অসমীয়া, উড়িয়া, বঙলা ইত্যাদি ভাষাৰ উপৰিও চীন তিব্বতীয়, অষ্ট্ৰিক আদি বিভিন্ন পৰিয়ালৰ ভাষা অসমত প্ৰচলিত হৈ আছে। তদুপৰি অসমত প্ৰচলিত ইংৰাজী, হিন্দী পাঠ্যক্ৰমৰ ভাষা হিচাপে ব্যৱহাৰ কৰা হয়। ইংৰাজী আৰু হিন্দী ভাষাৰ যথেষ্ট প্ৰভাব অসমীয়া ভাষাত পৰিছে। এই প্ৰভাৱ ধ্বনিৰ উচ্চাৰণ, ৰূপ, বাক্য ইত্যাদিৰ ক্ষেত্ৰত পৰিছে। সৰহ সংখ্যক ছাত্ৰ ছাত্ৰীৰ ক্ষেত্ৰত দেখা যায় অসমীয়া ভাষাৰ কিছুমান শব্দ ইংৰাজী আৰু হিন্দী ভাষাৰ সুৰলহৰত উচ্চাৰণ কৰিবলৈ ধৰিছে। অসমীয়া ভাষী ছাত্ৰ-ছাত্ৰীৰ চৌপাশে বহুভাষিক পৰিৱেশ গঢ় লৈ উঠাৰ বাবেও শ্ৰৱণ প্ৰক্ৰিয়াৰ বিচ্যুতি ঘটি উচ্চাৰণ ভুল হয়।

**৩.৫ কিছুমান যুক্তাক্ষৰৰ বানান আৰু উচ্চাৰণৰ মাজত থকা পাৰ্থক্যৰ বাবে ঃ**

কিছুমান যুক্তাক্ষৰৰ বানান আৰু উচ্চাৰণৰ মাজত পাৰ্থক্য থাকে। এনে পাৰ্থক্যৰ বাবে ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণ কেতিয়াবা অশুদ্ধ হ'ব পাৰে। উদাহৰণস্বৰূপে,

জ্ + ঞ = জ্ঞ - ৰ উচ্চাৰণ গ্য => গয়অ । ইয়াত জ নাইবা ঞ এটাৰো উচ্চাৰণ ৰক্ষিত হোৱা নাই।

তেনেদৰে,

ক + য = খ্য => খয়অ

হ্ + য = হ্য => য্য => যয়অ

**৪.৬ উচ্চাৰণ আৰু বৰ্ণবিন্যাসৰ অমিলৰ বাবে ঃ**

অসমীয়া ভাষাৰ লিখিত বৰ্ণমালা সংস্কৃতৰ আৰ্হিৰ। ইয়াৰ সকলোবোৰৰ উচ্চাৰণ অসমীয়াত পাবলৈ নাই। অসমীয়া ভাষাত উচ্চাৰিত বিশিষ্ট স্বৰবৰ্ণ ৮টা আৰু ব্যঞ্জন বৰ্ণ ২৩ টা। সেয়া হ'ল -

স্বৰ বৰ্ণ - ই এ' এ আ অ অ' ও উ

ব্যঞ্জন বৰ্ণ - প ত ক ব দ গ ফ থ খ ভ ধ ঘ ম ন ঙ চ য য হ ৰ ল ৱ য়

কিন্তু এইকেইটা উচ্চাৰণৰ বিপৰীতে আখৰৰ সংখ্যা ৫১টা। ছাত্ৰছাত্ৰীয়ে প্ৰাথমিক স্তৰত এই ৫১টা আখৰ শিকে। এই ৫১টা আখৰৰ ভিতৰত এ' আৰু অ' ধ্বনি দুটাৰ উল্লেখ নাই। কিন্তু এ' আৰু অ' ধ্বনি অসমীয়া ভাষাৰ উচ্চাৰণত পোৱা যায়। এই দুটা ধ্বনি পৰম্পৰাগত স্বৰমালাত বঢ়োৱা হ'লে কিছু পৰিমাণে উচ্চাৰণৰ খেলিমেলি আঁতৰিলহেঁতেন। তদুপৰি অসমীয়াত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য উচ্চাৰণত নাই কিন্তু আখৰ জোঁটনিত ইয়াৰ পাৰ্থক্য আছে।

ব্যঞ্জনৰ ক্ষেত্ৰতো একেই সমস্যা দেখা যায়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত শ,স আৰু ষ উচ্চাৰণৰ মাজত পাৰ্থক্য নাই। অসমীয়াত কেৱল ইহঁতৰ প্ৰতিনিধিত্বকাৰী এটা বৰ্ণ 'ষ' পোৱা যায়। লিখিত ভাষাত ইহঁতৰ পাৰ্থক্য আছে। কিন্তু কেতিয়াবা শ স ষৰ উচ্চাৰণ 'খ','চ','হ'ৰ নিচিনা হয়। যেনে

| | লিখিত | উচ্চাৰণ |
|---|---|---|
| শ > খ | দিশ | দিখ |
| শ > ষ | বিষ | বিখ |
| শ > চ | শচীন | চচীন |
| | বিশ | বিচ |
| স> চ | সুচিত্ৰ | চুচিত্ৰ |
| শ > হ | শিৱসাগৰ | হিৱসাগৰ |

এই ধ্বনিসমূহৰ উচ্চাৰণ শিকিবলৈ, কেনেকুৱা শব্দত এই ধ্বনি তিনিটা থাকিব পাৰে তাৰ এটা নিৰ্ভুল ধাৰণা শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনত সোমোৱাই দিব লাগিব। লগতে উক্ত তিনিটা আখৰে গঠিত কোনো বাক্য বা কবিতাৰ উদাহৰণসহ বুজাই দিব পাৰিলে ছাত্ৰ-ছাত্ৰীয়ে বুজি পাব।

কেতিয়াবা দুটা শব্দৰ বানান একে হ'লেও উচ্চাৰণ ভিন্ন হ'ব পাৰে। উদাহৰণস্বৰূপে- 'পাৰ' আৰু 'পাৰ' শব্দ দুটাৰ এটা স্বৰান্ত আৰু আনটো ব্যঞ্জনান্ত হ'লে উচ্চাৰণ ভিন্ন হোৱাৰ লগতে অৰ্থও ভিন্ন হয়। স্বৰান্ত 'পাৰ' মানে পাৰ চৰাই আৰু ব্যঞ্জনান্ত 'পাৰ' মানে নদীৰ পাৰক বুজাইছে। প্ৰাথমিক স্তৰত এনে ধৰণৰ কথাক বৰ বেছি গুৰুত্ব নিদিয়াৰ বাবেও ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণ ভুল হ'ব পাৰে।

**৪.৭ নীৰৱ পঠন ঃ**

বহুক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ বিষয়সমূহ নীৰৱে পঢ়িব লগা হয়। উচ্চাৰণ অশুদ্ধ হোৱাৰ ইও এক কাৰণ।

**৪.৮ জতুৱা ঠাঁচৰ প্ৰকৃত সুৰলহৰ নজনাৰ বাবে ঃ**

সকলো ভাষাৰে নিজা জতুৱা ৰূপ বা ঠাঁচ থাকে। এনে ৰূপবোৰ অসমীয়া মানুহে আগৰে পৰা যেনেকুৱা সুৰত আৰু ঠাঁচত প্ৰয়োগ কৰি আহিছে তেনেকৈ ক'লেহে কোৱাত বা উচ্চাৰণত প্ৰকৃত অসমীয়া ভাষাৰ ৰূপ প্ৰকাশ পায়। আগৰে পৰা কোৱাৰ নিচিনাকৈ যদি উচ্চাৰণ কৰা নাযায় তেন্তে সেই ৰূপবোৰ শুদ্ধ ব্যাকৰণ মতে ক'লেও তাৰ প্ৰকৃত উচ্চাৰণ বিকৃত হ'ব।

**৪.৯ সদায় ভুল উচ্চাৰণ শুনি থকাৰ বাবে ঃ**

সদায় ভুল উচ্চাৰণ শুনি থকাৰ বাবেও ভুল উচ্চাৰণকে শুদ্ধ যেন বোধ হয়। অসমীয়া ভাষাৰ মূল আৰু গাঁথনিক দিশ সম্পৰ্কে জ্ঞান নাথাকিলেও এনে হ'ব পাৰে। উদাহৰণস্বৰূপে, 'যাতায়াত' আৰু 'ভৌগোলিক' শব্দ দুটাৰ বেছিভাগ অসমীয়া ভাষী মানুহৰ মুখত 'যাতায়ত' আৰু 'ভৌগলিক' ৰূপেহে উচ্চাৰণ কৰা দেখা যায়। এই ৰূপ কেইটাৰ গাঁথনিক দিশ আৰু মূল সম্পৰ্কে নজনাৰ ফলত এনে ভুল হয়। এজনে ভুল উচ্চাৰণ কৰাৰ পাছত সেই উচ্চাৰণ শুনি আনৰো উচ্চাৰণ ভুল হয়। 'যাতায়াত' সংস্কৃত 'যাত' আৰু 'য়াত' শব্দৰ পৰা আহিছে। অৰ্থাৎ যাত মানে যোৱা আৰু য়াত মানে অহা। আৰু 'ভূগোল' শব্দৰ পৰা ভৌগোলিক শব্দৰ সৃষ্টি হৈছে। এনেধৰণৰ কথাবোৰ নজনা ব্যক্তিয়ে, ছাত্ৰ-ছাত্ৰীয়ে এনেবোৰ শব্দ উচ্চাৰণৰ ক্ষেত্ৰত ভুল কৰাৰ পৰিলক্ষিত হয়।

**৪.০ উচ্চাৰণ সমস্যা সমাধানৰ উপায় ঃ**

ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণৰ অশুদ্ধতা আঁতৰ কৰিবলৈ কিছুমান পদক্ষেপ লোৱাৰ প্ৰয়োজন। সেইবোৰ এনেধৰণৰ-

৪.১ প্ৰাথমিক স্তৰত উপযুক্ত ভাষা শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণৰ শুদ্ধতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব লাগিব। শিক্ষকজনে ধ্বনি বিজ্ঞান সম্পৰ্কীয় কথাবোৰ জানিব লাগিব।

৪.২ শাৰীৰিক বিকাৰৰ কাৰণে হোৱা উচ্চাৰণৰ অশুদ্ধতা দূৰ কৰিবৰ কাৰণে চিকিৎসকৰ সহায় ল'ব লাগে।

৪.৩ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ পাঠসমূহ স্পষ্টকৈ পঢ়িবলৈ অভ্যাস কৰাব লাগে। এনে দৰে পঢ়িলে শিক্ষকে তথা ডাঙৰে উচ্চাৰণৰ ভুল-ক্ৰটীবোৰ শুধৰাই দিব পাৰিব।

৪.৪ ছাত্ৰ-ছাত্ৰীৰ অশুদ্ধ উচ্চাৰণ আঁতৰ কৰিবৰ বাবে শ্বাসাঘাতৰ অনুশীলন কৰাব লাগে। কোনো বিশেষ ধ্বনিৰ ওপৰত জোৰ দিয়াই হৈছে শ্বাসাঘাত। কিছুমান শব্দ উচ্চাৰণ কৰোঁতে বিশেষ বিশেষ ধ্বনিৰ ওপৰত জোৰ দিব লগা হয়। শব্দটোৰ কোনটো ধ্বনিত শ্বাসাঘাত পৰে সেই কথা নজনাৰ ফলত উচ্চাৰণ অশুদ্ধ হয়। শিক্ষকসকলে এনেধৰণৰ উচ্চাৰণবোৰ ছাত্ৰ-ছাত্ৰীৰ আগত ডাঙৰকৈ মাতি শুনাব লাগে। উদাহৰণস্বৰূপে এনেধৰণৰ শব্দৰ কথা ক'ব পাৰি -

উল্লেখ, উৎকৃষ্ট, দৈনন্দিন, চৈধ্য, দৈত্য ইত্যাদি ।

৪.৫ প্ৰাথমিক স্তৰৰ ছাত্ৰছাত্ৰীক ওমলা গীত, ধেমেলীয়া কবিতা আদি ছন্দ মিলাই গাই শুনাব লাগে। ছাত্ৰ-ছাত্ৰীক গাবলৈ দিব লাগে। এনেধৰণৰ অনুশীলনে ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণ শুদ্ধ হোৱাত সহায় কৰিব।

৪.৬ ল'ৰা-ছোৱালীক শুদ্ধ উচ্চাৰণ কৰাবলৈ হ'লে পিতৃ-মাতৃয়েও নিজৰ উচ্চাৰণ শুদ্ধ কৰি ল'ব লাগে। ল'ৰা-ছোৱালীৰ মুখৰ অশুদ্ধ উচ্চাৰণ সৰুতেই শুধৰাই দিব লাগে।

৪.৭ বিদ্যালয়ত অনুষ্ঠিত হোৱা নাইবা কোনো উৎসৱ পাৰ্বণত অনুষ্ঠিত হোৱা আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা আদিত ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰাবলৈ চেষ্টা কৰিব লাগে। এই প্ৰতিযোগিতাবোৰৰ সু-ফলবিলাক ছাত্ৰ-ছাত্ৰীক শিক্ষকে অভিভাৱকে বুজাই দিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে এনে প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰিলে উচ্চাৰণৰ অশুদ্ধতা কিছু আঁতৰিব।। তদুপৰি শ্ৰেণীকক্ষতো ছাত্ৰ-ছাত্ৰীক কথা ক'বলৈ সুযোগ দিব লাগে ।

**৫.০ উপসংহাৰ ঃ**

অশুদ্ধ উচ্চাৰণে ভাষা এটাক বিকৃত ৰূপ প্ৰদান কৰে, স্বকীয়তা নোহোৱা কৰে। সাম্প্ৰতিক অসমৰ পৰিৱেশ, মাতৃভাষাৰ প্ৰতি অৱহেলা, ইংৰাজী প্ৰীতি আদিয়ে অসমীয়া ভাষাক ধ্বংসৰ গৰাহলৈ ক্ৰমান্বয়ে আগবঢ়াই নিছে। এনে সময়ত ভাষাটোক বচাই ৰখাৰ ক্ষেত্ৰত প্ৰতিজন অসমীয়াই আগবাঢ়ি আহিব লাগিব, দৃঢ় পদক্ষেপ ল'ব লাগিব। ভাষাৰ শিপাডাল ধৰি ৰাখিব পাৰিলেহে অসমীয়া বুলি নিজৰ পৰিচয় দিব পাৰিব। □

**প্ৰসংগপুথি ঃ**

১. গোস্বামী, গোলোক চন্দ্ৰ ঃ অসমীয়া ভাষাৰ উচ্চাৰণ, বীণা লাইব্ৰেৰী, গুৱাহাটী, তৃতীয় সংস্কৰণ, ১৯৯৬ চন।
২. গোস্বামী, গোলোক চন্দ্ৰ ঃ অসমীয়া বৰ্ণ প্ৰকাশ, বীণা লাইব্ৰেৰী, গুৱাহাটী, তৃতীয় সংস্কৰণ, ১৯৯৬ চন।
৩.গোস্বামী, যতীন্দ্ৰ নাথ ঃ মাতৃভাষা শিক্ষণ, জ্যোতি প্ৰকাশন, গুৱাহাটী, ১৯৬৪ চন।
৪. দাস, চক্ৰেশ্বৰ ঃ অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা, বাণী মন্দিৰ, ডিব্ৰুগড়, দ্বিতীয় প্ৰকাশ, ২০০৬ চন।
৫. নেওগ, মহেশ্বৰ ঃ নিকা অসমীয়া ভাষা, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, জুন, ২০১১ চন।





# বোলছবিৰ মাজেৰে বান্ধবীলৈ চিঠি

গীতাঞ্জলি গগৈ
স্নাতক তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ

মৰমৰ

'পৰিকল্পিতা'

পোন প্ৰথমে মৰম ল'বা। আশা কৰো 'বিধাতা'ৰ কৃপাত তোমাৰ লগতে তোমালোকৰ ঘৰৰ আটাইৰে ভাল। মনত পৰেনে তোমাৰ 'ৰ'দ'ৰ পোহৰত ঘামি জামি আইচক্ৰীম খাই 'সূৰ্য্যাস্ত'ৰ আগে আগে ঘৰলৈ অহাৰ কথা। এতিয়া তুমি মোৰ পৰা বহু নিলগত। অতীতৰ কথা ভাবিলে 'পলে পলে উৰে মন।' আমাৰ লগৰ যে 'উজনিৰ দুজনী গাভৰু', 'জুমন-সুমন' এইবাৰ বোলে দুইজনীয়ে বিউটিচিয়ান শিকিবলৈ চহৰলৈ যাব। অ' তোমাৰ 'অজলা ককাই'ৰ খবৰ কেনে? জনাবাচোন। সি যে আমাৰ লগৰ 'কাদম্বৰী'ক 'অগ্নিসাক্ষী' কৰি বিয়া পতাৰ কথা কৈছিল। সেইবোৰ কথাও মোৰ ভালকৈ মনত আছে জানা। আমাৰ গাঁৱৰ 'ৰংমনে' ওচৰৰ গাঁৱৰ পখিলীক বিয়া কৰাই 'ককাদেউতাৰ ঘৰ জোঁৱাই' হ'লগৈ। সিহঁতৰ 'হিয়া দিয়া নিয়া' স্কুলীয়া দিনৰে পৰা আছিল। আমাৰ লগৰ জুৰিকো 'চুৰেন চুৰৰ পুতেকে' শনিবাৰে 'মহাৰথী' হৈ পলুৱাই লৈ গ'ল। লগে লগে সৰু সুৱা 'ৰণাংগন'ৰে সৃষ্টি হ'ল। পঢ়াত দুগুণ চিৰিয়াছ 'বসুন্ধৰা' গুৱাহাটীলৈ পঢ়িবলৈ গৈ 'দীনবন্ধু'ৰ লগত এক প্ৰকাৰ বিয়াই ঠিক হ'ল। সুন্দৰৰ 'জানমণি'ৰ লগত বিয়া ঠিক হ'ল। 'জানমণি'ৰ প্ৰেমিকৰ আকৌ 'নায়কৰ' দৰে চেহেৰা। তাই হেনো সেইখন ঘৰৰ 'সৰু বোৱাৰী' হ'বগৈ। সেই যে 'বৰলা ককাই' পদুম, তেওঁৰো 'ঘৰ-সংসাৰ' হ'লগৈ। সংসাৰৰ 'বান্ধোন'ত তেখেত বোলে বৰ ব্যস্ত। 'মাঘত মামণিৰো বিয়া' হৈ গ'ল। তাইৰ 'কন্যাদান'ৰ দিনা লগৰ কেইবাজনীও লগ পালো। সেইদিনা তোমাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলো। লগৰ নিজৰাও বোলে জীৱন বাটৰ লগৰীৰ সন্ধানত আছে। তাইৰ ককায়েক 'জোনদা ইমান গুণ্ডা' আমাৰ লগৰ নিকিতাক তুমিয়ে মোৰ কল্পনাৰ', 'তুমি মোৰ মাথোঁ মোৰ' বুলি কৈ জোকাই থাকে। আমাৰ দাদাৰো অহা ব'হাগতে বিয়া ঠিক হৈছে। দাদাৰ মতে 'কইনা মোৰ ধুনীয়া' 'বহাগতে পাতি যাওঁ বিয়া।' 'তুমি যদি ধুনীয়া, ব'হাগতে পাতি যাওঁ বিয়া।' 'তুমি যদি কোৱা' দাদাৰ বিয়ালৈ নিমন্ত্ৰণ জনাব পাৰো। (সপৰিয়ালে)



শৈশৱৰ দিনবোৰৰ স্মৃতি ৰোমন্থন কৰিলে মনটো উদং উদং লাগে। কৈশোৰৰ সোণসেৰীয়া স্মৃতিৰ 'দাগ'বোৰ পৰিস্ফুট হৈ উঠে। 'ৰামধেনু'ৰ সাতোৰঙেৰে ভৰপুৰ সেই অতীত স্মৃতি আজিও 'বুকুৰ মাজত জ্বলে।' বৰ্তমান কলেজীয়া দিনবোৰ 'জেতুকা পাতৰ দৰে', গাঢ় সেউজীয়া আৰু মধুৰ। 'গুণ গুণ গানে গানে' সপোনৰ ৰহন সানে, সেউজীয়াৰ পৰশ পাই। অতীত স্মৃতি, এক হৃদয় গাঁথা। শেষত, 'জয়মতী' চিনেমা হ'লত 'কাৰমা কে ৰাতি' চোৱাৰ কথা নকৈ নোৱাৰিলো। তোমালৈ পুনৰবাৰ শত সহস্ৰ মৰম আৰু শুভকামনা যাচিলো। আগন্তুক দিনবোৰ তোমাৰ বাবে সফলতাৰ মাপকাঠি হওঁক।

প্ৰান্তত
বান্ধৱী
জীৱন তৃষ্ণা

# ছাত্ৰ-ছাত্ৰী আৰু আত্মবিশ্বাস

অনন্যা বুঢ়াগোহাঁই
একাদশ শ্ৰেণী, কলা শাখা

মানৱ জীৱনৰ লগত জড়িত এটা অত্যাৱশ্যকীয় শব্দ হৈছে আত্মবিশ্বাস। ইয়াৰ অৰ্থ নিজৰ ওপৰত ৰখা বিশ্বাস। ইংৰাজীত ইয়াক 'Self-Confidence' বুলি কোৱা হয়। নিজৰ ওপৰত বিশ্বাস ৰাখি সকলো কাম পৰিপাটীকৈ আৰু নিয়মীয়াকৈ কৰি গ'লেহে এজন মানুহে তেওঁৰ জীৱনত সফলতা বা কৃতকাৰ্যতা লাভ কৰিব পাৰে। আত্মবিশ্বাস হেৰাই গ'লে কোনো মানুহেই জীৱনত সফলতা লাভ কৰিব নোৱাৰে।

ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনতো আত্মবিশ্বাসৰ এক বিশেষ ভূমিকা আছে। ছাত্ৰ অৱস্থাৰ পৰাই যদি আমি জীৱনত আত্মবিশ্বাস ৰাখি নিয়মিতভাৱে সকলো কাম কৰি নাযাওঁ তেনেহ'লে আমাৰ জীৱনলৈ আন্ধাৰ নামি আহিব। সমাজত এনে কিছুমান মানুহ আছে যিয়ে নিজৰ ওপৰত আত্মবিশ্বাস হেৰুৱাই পেলায় আৰু বিভিন্ন ধৰণৰ পথ বাছি লয়। নিজৰ ওপৰত আত্মবিশ্বাস নথকাৰ কাৰণেই আজিৰ সমাজত আত্মহত্যাৰ দৰে কাৰ্য সংঘটিত হোৱা আমি দেখিবলৈ পাওঁ। জীৱনৰ পথত আগবাঢ়ি যাবলৈ আত্মবিশ্বাসৰ বৰ প্ৰয়োজন। বহুক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে আত্মবিশ্বাসে মানুহৰ জীৱনলৈ প্ৰেৰণা আনি দিয়ে। এই প্ৰেৰণাৰ দ্বাৰাই বহুতেই তেওঁলোকৰ জীৱনৰ অসৎ পথবোৰ এৰি সৎপথেদি আগবাঢ়ি যায়।

বহুতো মানুহে হতাশাত ভুগি জীৱনটো অন্ধকাৰময় বুলি ভাৱে। এনেকৈয়ে তেওঁলোক বিবেক দংশনত ভোগে। এই ক্ষেত্ৰত তেওঁলোকৰ আত্মবিশ্বাসৰ প্ৰয়োজন। এজন মানুহ বা ছাত্ৰ-ছাত্ৰীৰ জীৱনত এই আত্মবিশ্বাস জন্মাব পাৰে প্ৰথমতে পিতৃ-মাতৃয়ে তাৰ পাছত শিক্ষক-শিক্ষয়িত্ৰী আৰু বন্ধু-বান্ধৱীসকলে। শিক্ষকৰ পৰা যদি এজন দুৰ্বল ছাত্ৰই পঢ়াৰ ক্ষেত্ৰত অনুপ্ৰেৰণা পায়, তেতিয়া তেওঁৰ মাজত জন্মে এক আত্মবিশ্বাস। এই আত্মবিশ্বাসে দুৰ্বল ছাত্ৰজনক পৰৱৰ্তী পৰীক্ষাসমূহত এক সুন্দৰ ফলাফল আনিবলৈ সক্ষম কৰি তোলে।

গতিকে দেখা যায় যে এজন ছাত্ৰৰ পৰা এজন ব্যক্তিৰ জীৱনলৈ আত্মবিশ্বাস নামৰ মহৎ গুণটোৰ এক বিশেষ ভূমিকা আৰু অৱিহণা আছে। আত্মবিশ্বাসে আনি দিয়ে সাহস, দৃঢ়তা আৰু মনোবল। এই গুণবোৰে মানুহৰ জীৱনলৈ এক বৃহৎ সফলতা আনি দিয়ে।□



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ - ২০১২-১৩ বৰ্ষ

# থোৰতে মাজুলী

সোণমনি পগাগ
তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

অসমীয়া কৃষ্টি সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, ঐতিহাসিক সম্পদেৰে ভৰপুৰ, বিশ্ব ঐতিহ্য ক্ষেত্ৰ, অনাবিল সৌন্দৰ্যৰ ৰম্যভূমি এটকা মহন্তৰ থল মাজুলী। বিশ্বৰ বৃহত্তম নদী দ্বীপ মাজুলী।

মাজুলী নামটোৰ জন্ম আৰু অৰ্থ বিচাৰ কৰোতে বুৰঞ্জী আৰু প্ৰচলিত জনবিশ্বাসৰ মতে ত্ৰয়োদশ শতিকাৰ পৰা ষষ্ঠদশ শতিকাৰ ভিতৰত প্ৰাকৃতিক খেয়ালৰ ফলত দিহিঙে ব্ৰহ্মপুত্ৰই মিলি জন্ম দিলে মাজুলী দ্বীপ। আহোম ৰাজত্বৰ সময়ত ইয়াৰ নাম মাজলি, মজালি, মায়ালি আদি থকা বুৰঞ্জীত আছে। এই 'মাজুলী' শব্দটো অষ্টাদশ শতিকাত ডঃ জে পি ৱেডে প্ৰথম ব্যৱহাৰ কৰে। পানীৰে আবৃত, জল পৰিবেষ্টিত অৰ্থতেই 'মাজুলী' শব্দটো ব্যৱহাৰৰ বিষয়ে হেমকোষত আছে। আনহাতে অতুলচন্দ্ৰ হাজৰিকাৰ মতে - "মাজুলী দ্বীপটো এসময়ত শস্যে মৎস্যে উভৈনদী ভোগালী ঠাই আছিল আৰু সেইবাবে ইয়াক সন্ধি কৰি মা মানে লক্ষী আৰু জুলী মানে ভঁড়াল অৰ্থাৎ মা+জুলী = লক্ষীৰ ভঁড়াল মাজুলী কৰা হ'ল।



সত্ৰ মাজুলীৰ জীৱনী শক্তি। বৰ্তমান মাজুলীত চাৰি সংহতিৰ প্ৰায় ৩৬ খন সত্ৰ আছে। সেইবোৰ হ'ল - (১) আউনী আটী (২) দক্ষিণ পাট (৩) বেঙেনা আটী সত্ৰ (৪) গড়মূৰ বৰসত্ৰ (৫) গড়মূৰ সৰুসত্ৰ (৬) উত্তৰ কমলাবাৰী সত্ৰ (৭) নতুন চামগুৰি সত্ৰ (৮) নতুন কমলাবাৰী সত্ৰ (৯) পুৰণা চামগুৰি সত্ৰ (১০) দলনি চামগুৰি (১১) ভোগপুৰ (১২) টকৌ বাৰী সত্ৰ (১৩) মলুৱান (১৪) আঁহত গুৰি (১৫) সাঁকোপাৰা (১৬) বাঁহজেঙনি (১৭) মদাৰগুৰি (১৮) বিহিমপুৰ (১৯) বেলেসিদ্ধিয়া (২০) কৰতিপাৰ (২১) নৰসিংহ (২২) আদি এলেঙি (পোৰাভেটি) (২৩) বৰ এলেঙি (২৪) কামজনীয়া (২৫) পোহাৰ দিয়া (২৬) ঔৱাসত্ৰ (২৭) দিখৌমখীয়া (২৮) কালশিলা (২৯) দীঘলী সত্ৰ (৩০) ৰাজগুৰুবাৰী (৩১) বনগঞা (৩২) পুনিয়া সত্ৰ (৩৩) চকলা সত্ৰ (৩৪) চাৰিঙিয়া (৩৫) আধাৰ সত্ৰ আদি।

ইয়াৰে কিছুমান সত্ৰ ৰজাঘৰীয়া আৰু কিছুমান গুৰু ঘৰীয়া পৃষ্ঠপোষকতাত গঢ়ি উঠা। প্ৰাকৃতিক দুৰ্যোগৰ বাবে কিছুমান সত্ৰ স্থানান্তৰ হৈ মাজুলীৰ বাহিৰত প্ৰতিষ্ঠা হৈছে। গড়মূৰ, আউনীআটী, ভোগপুৰ, চামগুৰি আদি সত্ৰবোৰ মাজুলীৰ মূল সত্ৰ। আউনীআটী সত্ৰৰ পালনাম, গড়মূৰ সত্ৰৰ পালনাম আৰু বেঙেনাআটী সত্ৰত ফাকুৱা আৰু দক্ষিণপাট সত্ৰৰ ৰাস উৎসৱে ঐতিহাসিক তাৎপৰ্য বহন কৰাৰ লগতে মাজুলীৰ বাহিৰৰ অনেক পৰ্যটকক আকৰ্ষণ কৰি আহিছে। চামুগুৰিসত্ৰৰ মুখাশিল্প আৰু ভোগপুৰ সত্ৰৰ ভোৰতাল নৃত্য বিশেষ আকৰ্ষণীয়

দিশ।

**মাজুলীৰ সংস্কৃতি -**

মাজুলী মানেই যেন সংস্কৃতিৰ ভড়াঁল। অসমীয়া সাহিত্যৰ বৰঘৰৰ বাবে ৰহনীয়া অসমীয়া সংস্কৃতিৰ সম্পদেৰে ভৰপুৰ মাজুলী। মাজুলী বৈচিত্ৰ্য ৰক্ষাৰ বাবে মিচিং আৰু দেউৰী আদি জনজাতীয় বৈশিষ্ট্যই নিজস্ব অৱদান আগবঢ়াইছে। মূল অসমীয়া সাংস্কৃতিক বৈশিষ্ট্য, নিজস্ব সত্ৰীয়া সাংস্কৃতিক বৈশিষ্ট্য আৰু জনজাতীয় সাংস্কৃতিক বৈশিষ্ট্যৰ অপূৰ্ব সংমিশ্ৰণৰ নিদৰ্শন মাজুলী সংস্কৃতি। সত্ৰ সংস্কৃতিৰ চৰ্চাই সৰ্বদা মাজুলীৰ বুকু উখল-মাখল। পুৱা গধূলি দবা-কাঁহ খোল-তালৰ শব্দই মাজুলীৰ বুকুত ভক্তিৰ নিৰ্যাস বোৱাই পবিত্ৰ নিৰ্মল আধ্যাত্মিক পৰিবেশৰ সৃষ্টি কৰে। কিন্তু, জনজাতীয় উৎসৱ সমূহৰ উপৰিও তিনিটা বিশেষ উৎসৱে মাজুলীৰ বুকুলৈ বাহিৰৰ মানুহক টানি আনে। সেই উৎসৱ তিনিটা হ'ল -

১) শ্ৰীকৃষ্ণৰ ৰাসযাত্ৰা
২) পাল নাম
৩) ফাকুৱা

**মাজুলীৰ সমস্যা -**

বানপানী আৰু খহনীয়া মাজুলীৰ বাবে একোটা সমস্যাই নহয় ই সন্ত্ৰাসত পৰিণত হৈছে। প্ৰতি বছৰে ধুৱাই যোৱা বানপানী আৰু ভূ-খণ্ডক সংকুচিত কৰা খহনীয়াই মাজুলীৰ আৰ্থিক সামাজিক, যাতায়ত আদিৰ উন্নতিৰ ক্ষেত্ৰত প্ৰতিবন্ধক হৈ থিয় দিছে।

**ঐতিহাসিক ঠাই -**

(১) ফুলেশ্বৰী থান (ফুলনি) (২) গোসাঁনী থান (মাজৰ দেউৰী) (৩) আতৈচুক (কঢ়াল গাঁও) (৪) গড়মূৰ (৫) ধোৱাচলা গড় (৬) বাপুৰাম বৰুৱা গড় (পহুমৰাৰ ওচৰত) (৭) গোঁসাই বাৰী গড় (৮) ন-গোসাঁই বাৰী গড় (ফুলনিৰ সমীপৰ) (৯) ৰাৱনা পুখুৰী (ৰাৱনাপাৰ) (১০) ৰতনপুৰ (১১) চিনাবলী (১২) শালমৰা (১৩) নাওশালী (১৪) যোগীগাওঁ (১৫) সোণাৰী আটী (১৬) সোণোৱাল কছাৰী আদি।

এইবোৰ পৰ্যটকৰ বাবে আৰ্কষণীয় ঠাই।

**আৰ্থ সামাজিক অৱস্থা -**

মাজুলীৰ জনসাধাৰণ মূলতঃ কৃষিজীৱী। এসময়ত মাজুলী শস্যে-মৎস্যে নদন-বদন আছিল বাবেই মাজুলীক 'লক্ষ্মীৰ ভঁড়াল' বোলা হৈছিল। বানপানীয়ে মাজুলীৰ কৃষকৰ দুৰ্ভোগ ভোগালেও মাজুলীৰ নদী কাষৰীয়া অঞ্চলসমূহ পলস পেলাই সাৰুৱা কৰি তোলে। কোনো ঔদ্যোগিক বাতাবৰণ নথকা বাবে ধোৱাই মাজুলীত শস্য উৎপাদন, মীন উৎপাদন



আৰু পহু পালনৰ সংখ্যাও কমি আহে।

**সাহিত্য চৰ্চা -**

উনবিংশ শতিকাৰ মধ্যভাগতেই মাজুলীৰ আউনীআটী সত্ৰৰ পৰা প্ৰকাশিত তিনিখন পত্ৰিকা ক্ৰমে - "আসাম বিলাসিনী" "আসাম দীপক" আৰু "আসাম তৰা" মাজুলীত সাহিত্যৰ ক্ষেত্ৰত বৰঙণি যোগাইছিল।□



# গল্প কুঞ্জ



# ডেউকা

**বিজয়লক্ষ্মী গগৈ**
প্ৰৱক্তা, অসমীয়া বিভাগ

মনামীয়ে ড্ৰাইভাৰ ৰতনক এ.চি টো অফ কৰিবলৈ কৈ খিৰিকীখন খুলি দিলে। খিৰিকীৰে তাই বাহিৰলৈ চাই পঠিয়ালে। আহ!!! এইয়া যে তাইৰ ইমান চিনাকী সুবাস। ক'তদিন এই পথেৰে তাই ডিব্ৰুগড়লৈ অহা যোৱা কৰিছিল। মনামী আৰু তাইৰ লগৰ ৰূপালী 'মা তাৰা' নামৰ বাছখনেৰে তিনিচুকীয়াৰ ওচৰৰ বৰডুবিৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ অহা-যোৱা কৰিছিল। প্ৰথমে মনামী আৰু ৰূপালী দুয়োজনীয়ে তাইৰ দেউতাকৰ লগত ইউনিৰ্ভাচিটিলৈ নামভৰ্ত্তি কৰিবলৈ গৈছিল পিছত 'নলিনীবালা' হোষ্টেলত যেতিয়া দুয়োজনীয়ে প্ৰায়ে ওচৰা ওচৰিকৈ থাকিবলৈ পাইছিল তেতিয়াটো কথাই নাই বন্ধুত্বটো আৰু নিকপকপীয়া হৈছিল। মাহেকে পযেকে দুয়োজনী লগ লাগি অহা-যোৱা কৰিছিল ঘৰলৈ। ইউনিৰ্ভাচিটিৰ মেইন গেটত চিটিবাছত উঠি দুয়োজনী থানা চাৰিআলিত নামিছিল। আৰু 'ৰামবদনত' পৰঠা আৰু ঘুগ্নি খাই ফুল বাগানৰ বাছ ষ্টপলৈ খোজ কাঢ়িয়েই গৈছিল। ৰামবদনৰ সেই কাবেলি বুটৰ ঘুগ্নিখিনি তাইৰ এতিয়াও জিভাত লাগি থাকে, আৰু সেই ফুলবাগানৰ বাদাম ভজা ... তাই চকুকেইটা মুদি দিলে।

মনামী কলিতা। তিনিচুকীয়াৰ ৱমেনচ্ কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা। বুৰঞ্জীত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মনামীয়ে ৱমেন্চ কলেজৰ চাকৰিটো বৰ সহজেই পাইছিল। বৰধুনীয়া নহ'লেও একোচা দীঘল চুলিৰে লাহি মনামী বৰ মৰম লগা তাতেই তাই হাঁহিলে গালত পৰা তোলটোৱে তাইক আৰু মোহনীয়া কৰি তোলে। আৰু স্বভাৱতো মনামী বৰ অমায়িক। সহজেই সকলোৰে লগত মিলিব পাৰিছিল। মনামীৰ এই গুণাবোৰৰ বাবেই হয়তো তাই কৰা কলেজৰ Vice Principal ড° দীপক বৰুৱা ছাৰে সৰু ভায়েক প্ৰবীনৰ বাবে মনামীক বৰ পছন্দ কৰিছিল। প্ৰবীন বৰুৱা ডিগবৈৰ I.O.C. ৰ এজন উচ্চবৰ্গৰ বিষয়া। মনামীৰ দেউতাক অমল কলিতা বৰডুবি চাহ বাগিচাত মহৰীৰ চাকৰী কৰে। অভাৱ নেদেখিলেও মনামী, ভায়েক পলাশ আৰু ভনীয়েক প্ৰনামীৰ সৈতে সিহঁতৰ পাঁচজনীয়া পৰিয়ালটো আটোমটোকাৰী কৈ চলিছিল। সেয়ে I.O.C.ত চাকৰি কৰা প্ৰবীন বৰুৱাৰ বিয়াৰ প্ৰস্তাৱত আপত্তি দেখুৱাবলৈ তাইৰ বা মাক দেউতাকৰ কোনো যুক্তিয়েই নাছিল। আৰু এদিন ওৰণিৰ তলত তাই বৰডুবিৰ পৰা তিনিচুকীয়া নগৰৰ নতুন আমোলাপট্টিলৈ মনামী বৰুৱা হৈ গুচি আহিছিল।

সময়বোৰ উৰা মাৰিছিল বতাহৰ আগত। ইমান সুখ মনামীয়ে কল্পনাই কৰা নাছিল। গোটেই ঘৰখনে তাইক বৰ মৰম কৰিছিল। বৰজনাকো কলেজলৈ ওলাই মনামীক চিঞৰি থাকে তাইৰহে প্ৰথমে সঙ্কোচ হৈছিল দীপক বৰুৱা এনেও কলেজৰ Vice Principal তাতে তাইৰ বৰজনাক। কিন্তু তেখেতে সেই সঙ্কোচ নাইকিয়া কৰিছিল। মনামীক তেখেতে ভনীয়েকৰ দৰে জ্ঞান কৰিছিল। জ্যাক অৰুণিমা মনামীত কৈ বহুত ডাঙৰ হ'লেও তাইক বান্ধবীৰ দৰে ব্যৱহাৰ কৰিছিল। ইমান মৰমৰ মাজত ৰাতি পুৱাই ডিউটিলৈ ওলাই যোৱা গধূলি ঘূৰি অহা প্ৰবীনৰ অভাৱ তাই অনুভৱেই কৰা নাছিল। কিন্তু তাই মন কৰিছিল প্ৰবীন যেন কিছু নাৰাজ। তাইক সি অনবৰতে কৈ থাকে - "তোমাৰ আৰু মোলৈ সময়ে নাই, ৰাতিপুৱা পাকঘৰ, তাৰপিছত কলেজ, মই মানুহটো গধূলি ঘূৰি অহাৰ পাছটো তোমাৰ মোৰ কাষত বহি কথা এষাৰ পাতিবলৈ সময় নাই।" প্ৰবীনৰ এনেধৰণৰ কথাবোৰে তাইক বৰ কষ্ট দিয়ে। তাই ভাৱে প্ৰবীনৰ ঘৰখনক নিজৰ কৰি লোৱাত সি তাইক সহায়হে কৰিব লাগে তথাপিতো প্ৰবীনক সন্তোষ্ট কৰাত তাই কোনো ত্ৰুটি ৰাখিব নিবিচাৰে। তথাপিতো প্ৰবীন অসুখী। সি ভাল পাব বুলিয়েই সিহঁতৰ কোঠাতো ধুনীয়াকৈ সজালে সি গুমুঠা লাগি কয়হে — "কি যে গাঁৱলীয়া মানুহৰ নিচিনাকৈ ৰুমটো সজাইছা।" তাই ভাগি পৰে। এই সকলোবোৰ কথা অৰুণিমাই মন কৰি আছিল। আৰু এদিন মনামীক কাষত বহুৱাই লৈ অৰুণিমাই ক'লে- "মনা, তোমাক আজি কথা এটা কওঁ প্ৰবীন বৰ মৰম আকলুৱা, সি ঘৰৰ একেবাৰে সৰু, বায়েক চাৰিজনী আৰু ককায়েকে মাক-দেউতাক নথকাৰ বাবে তাক সকলোৱে পৰা বৰ আটোলটোলকৈ

তুলিলে। সেয়েহে হয়তো তাক সকলো বস্তুৰে ভাগ বেছিকৈ লাগে। সেয়া লাগিলে তোমাৰ মৰমেই হওঁক। ডিগবৈত প্ৰবীনৰ ডাঙৰ কোৱাটাৰ আছে। বিয়াৰ আগতে সি তাত প্ৰায়েই থাকিছিল। বিয়াৰ পিছৰে পৰা সদায় অহা-যোৱা কৰি তাৰ হয়তো কষ্টও হৈছে। তুমি নহ'লে তাৰ লগত ডিগবৈতে থকোগৈ —।" মনামী বহাৰ পৰা উঠি পৰিছিল আৰু তাই যেন আৰ্তনাদ কৰি উঠিছিল— 'বৌ মইতো তেতিয়াহ'লে কলেজলৈ ডিগবৈৰ পৰা তিনিচুকীয়ালৈ সদায় আহিব লাগিব, আৰু আপোনালোকক এৰি....। — তুমি বুজা ছোৱালী মনা। কিছুমান কথা খুলি ক'ব নোৱাৰি তাতে আমি নাৰীবোৰেহে বুজা পৰাৰ হাতখন প্ৰথমে আগবঢ়াব লাগে। কষ্ট যেন আমাৰ জন্মস্বত্ব। তোমালোকৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই কথা কেইটা ক'লো মোক ভুল নুবুজিবা। দুয়োজনী সাৱটি কান্দিব ধৰিলে।

অনিচ্ছা স্বত্বেও মনামীয়ে ভৰা ঘৰখন এৰি প্ৰবীনৰ লগত গুচি গৈছিল তৈলনগৰী ডিগবৈলে তাই সজাব বিচাৰিছিল তাই আৰু প্ৰবীনৰ সংসাৰখন। কিন্তু তাইৰ প্ৰতিটো কথাতে খুঁত উলিয়াতো প্ৰবীনৰ যেন এটা নিয়ম হৈ পৰিছিল। আন নালাগে তাইৰ মনৰ ইচ্ছাত পিন্ধিবও নোৱাৰিছিল। তাই লগত অনা মাকে বোৱা কাপোৰবোৰ প্ৰবীনে Out deted বুলি উলিয়াবই নিদিছিল। প্ৰথমে মনামীয়ে ভাবিছিল এয়া তাৰ তাইৰ প্ৰতি থকা মৰম। কিন্তু লাহে লাহে মনামী অতিষ্ঠ হৈ পৰিছিল। তাইৰ ধৈৰ্য্যৰ বান্ধ ছিগিছিল তেতিয়া তাইৰ প্ৰতিটো কথাতেই সন্দেহ কৰা প্ৰবীনে যেতিয়া কলেজলৈ যাওঁতে গাড়ীত ড্ৰাইভাৰ যোৱাৰ উপৰিও কাম কৰা মানুহজনীক পঠিয়াই দিছিল। তাইৰ আত্মসন্মানত পৰা এই আঘাটত তাই ঝৰ্ কৈ খহি পৰিছিল কিন্তু ইমানৰ মাজতো মনামীলৈ আহিছিল সুখৰ বতৰা। সৰুতে দৰা-কইনা খেলোতে সদায় কন্যা-দৰাৰ মাক হ'বলৈ ভাল পোৱা মনামীয়ে যেতিয়া গম পাইছিল তাই মাক হ'বলৈ ওলোৱাৰ খবৰ। তাই আনন্দত আত্মহাৰা হৈ উঠিছিল। সেইদিনা সন্ধ্যা প্ৰবীন অহালৈ তাই বৰ আশাৰে বাট চাই আছিল। আৰু যিমানপাৰে সি বিচৰা ধৰনে ঘৰটো সজাইছিল। কিন্তু .... । সেই হেঁপাহ কৰ্পূৰৰ দৰে উৰি গৈছিল যেতিয়া প্ৰবীনে কৈছিল — 'ইমান সোনকালে কেঁচুৱা কিয়? তুমি ইমান সোনকালে দেখিবলৈ বেয়া হৈ যোৱাটো মই নিবিচাৰো। আৰু যদিহে ছোৱালী হয়?? আকাশখন মনামীৰ মুৰৰ ওপৰত ভাগি পৰিছিল তাই কান্দি কান্দি অৰুণিমালৈ ফ'ন কৰি সকলো কথা জনাইছিল। ফ'নৰ ইটো পাৰে অৰুণিমাও যে মুক হৈ পৰিছিল। আৰু পিচ দিনাই প্ৰদীপ বৰুৱা আৰু অৰুণিমা আহি ডিগবৈ ওলাইছিলহি। প্ৰবীন বৰুৱাই ভায়েকক কাষতে বহুৱাই বুজাইছিল। 'মনামী তোৰ পত্নী হ'লেও, তাইৰ ওপৰত তোৰ অধিকাৰ থাকিলেও মনামীৰ নিজা বুলি মন এটা আছে। জীৱনতো যাপন কৰিবৰ বাবেই তাইতো স্বাধীনতা আছে। প্ৰবীনে মাত্ৰ শুনি গৈছিল। ককায়েকহঁত থকালৈকে প্ৰবীন সহজ হৈয়ে আছিল। কিন্তু তেওঁলোক যোৱাৰ পিছত প্ৰবীন যেন মানুহ হৈ থকা নাছিল। মনামীক গতিয়াই বিচনাত পেলাই সি চিঞৰি উঠিছিল। তই মোৰ দাদা-বৌক মোৰ পৰা আঁতৰাই পঠালি। তাইৰ সকলো বস্তু সি মজিয়ালৈ দলিয়াই দিছিল। আৰু তাৰ সকলো বস্তু লৈ গেষ্ট ৰুমলৈ গুচি গৈছিল। এখন ঘৰত দুটা প্ৰাণী দুইমূৰে থাকিবলৈ লৈছিল। দিনে দিনে বাঢ়ি অহা দুৰত্বই তাইক অৱশ কৰি তুলিছিল। তাই ভাৱিছিল তাইৰ আহিব লগা সন্তানে বাৰু ভৰা ঘৰখন দেখি পাবনে? প্ৰবীনৰ বাৰু কেতিয়াবা অনুশোচনা হ'ব নে? ইমানবোৰ প্ৰশ্নৰ মাজত মনামী উত্তৰ বিহীন হৈ পৰিছিল। আৰু এনেকৈ প্ৰেমাবিহীন বুজা পৰা নথকা এখন সংসাৰ চলাই মনামীয়ে জন্ম দিছিল এটা কন্যা সন্তানক। প্ৰবীন তেতিয়াও তাইৰ কাষত নাছিল। কৰ্তব্যৰ দোহাই দি চেমিনাৰ এখনৰ বাবে সি বেংকক পাইছিলগৈ। মনামীয়ে কণমানি জনীক বুকুত সাবটি লৈ উচুপি উঠিছিল আৰু ভাৱিছিল প্ৰবীন তোমাৰ বাৰু মোলৈ এবাৰো মনত পৰা নাইনে। মোৰ বুকুত এয়া তোমাৰ সন্তান। তাইৰ কণমানি বুকুখনে মোৰ বুকুত স্পন্দন তুলিছে। তাইৰ শিৰাই শিৰাই তোমাৰেই তেজ প্ৰৱাহিত হৈছে। আহা প্ৰবীন চোঁৱাহি আমাৰ ভৱিষ্যত। কিন্তু প্ৰবীন অহা নাছিল। মনামীৰ মাক-দেউতাকে মনামীক বুজাই বহাই নাৰ্ছিংহোমাৰ পৰা নিজা ঘৰলৈ লৈ আহিছিল। বৰজনা প্ৰদীপ বৰুৱা, জ্যাক অৰুণিমা, আৰু প্ৰবীনৰ বায়েক কেওগৰাকীয়ে সেইকেইদিন মনামীক আৱৰি আছিল। তেওঁলোকে কৈছিল - "মনা তোমাৰ যিকোনো সিদ্ধান্ততে আমি লগতেই আছোঁ।" মনামীয়ে সিদ্ধান্ত লৈছিল 'মৌ' ক অকলে ডাঙৰ কৰাৰ। তাই ভাৱিছিল তাই পাৰিব মৌক এক সুস্থ মানসিকতাৰে গঢ় দিবলৈ। তাই মোক শিকাব জীৱন মানে কেৱল জীয়াই থকা নহয়।

'বাইদেউ তেল ল'ব লাগিছিল। মনামী চক্ খাই উঠিল। চেঃ ইমানপৰে তাই কি যে কথাবোৰ ভাবি আছিল। তাই তপনক টকা পাঁচশ দি কলে, ব'ল তপন সোনকাল কৰ, চেমিনাৰখন সোনকালে পাবলৈ লাগে।□





# সুখৰ ৰেঙনিৰ প্ৰতীক্ষা

**সোণমনি পগাগ**

"लहरो से डर कर नौका पार नही होती
कौशिश करने वालो को कभी हार नही हौती।"

শিৱসাগৰ জিলাৰ সোণাৰি অঞ্চলৰ ৰতনপুৰ নামৰ ভিতৰুৱা ঠাই। এই ৰতনপুৰতে বাস কৰিছিল এটা দুখীয়া সৰু পৰিয়াল। পৰিয়ালটো আছিল মাক, দেউতাক আৰু তেওঁলোকৰ একমাত্ৰ ল'ৰা ৰাজ। ৰাজ যদিও দুখীয়া পৰিয়ালৰ সন্তান আছিল সি পঢ়া-শুনা আৰু খেলা-ধূলাত পাকৈত আছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়ত নামভৰ্ত্তি কৰে। দেউতাক ৰেণু আছিল ৰতনপুৰ চাহ বাগিছাৰ এজন কৰ্মী আৰু এজন সহজ সৰল তথা সৎ আদৰ্শৱান ব্যক্তি। বাগানত কাম কৰি দুখীয়া পৰিয়াল পোহ পাল দিয়াৰ উপৰিও দুয়োটা ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ দায়িত্ব লৈছিল। ভনীয়েক বৰ্তমান নৱম শ্ৰেণীৰ ছাত্ৰী।

কলেজৰ প্ৰথম দিনাখন কলেজৰ প্ৰাংগনত ভৰি দি ৰাজৰ মনতো কিমান যে ভাল লাগিছিল। সি দেউতাকে দেখা সপোনৰ এটি পোহৰৰ দিশ পাৰ কৰিব পাৰিলে। কলেজত ৰাজৰ বহুতো নতুন বন্ধুৰ লগত চিনাকী হ'ল। লগতে ৰাজে এজনী ধুনীয়া মৰম লগা ছোৱালীৰ লগতো চিনাকী হ'ল। তাইৰ নাম স্নেহা। স্নেহা ধনী পৰিয়ালৰ ছোৱালী আছিল যদিও তাই মানুহৰ মাজত ধনী দুখীয়াৰ ভেদা-ভেদ ভাব ৰখা নাছিল। তাই ভাল গান গাইছিল। তাই ৰাজৰ সহজ মনক খুব ভাল পাইছিল। আৰু পঢ়া-শুনাৰ ক্ষেত্ৰত তাই ৰাজক সহায়ো কৰিছিল। ক্লাছ নথকাৰ সময়ত দুয়ো প্ৰায় একে লগে থাকে। দুয়োৰ বন্ধুত্ব লাহে লাহে ঘনিষ্ঠ হ'বলৈ ধৰিলে। আৰু এই বন্ধুত্বই এদিন প্ৰেমত পৰিণত হ'ল।

এদিনাখনৰ কথা। সেইদিনা আছিল দেওবাৰ। ৰাজে ভনীয়েকৰ সৈতে মোমায়েকৰ ঘৰলৈ গৈছিল। উভতি আহোঁতে সন্ধিয়া লাগিল। ঘৰ পোৱাৰ অলপ আগতে সি দেখিলে সিহঁতৰ পদুলিত বহুত মানুহ গোট খাই আছে। সি দেখিলে যে পদুলিৰ ভিতৰৰ চোতালত এটা মৃতদেহ বগা কাপোৰে ঢাকি থোৱা আছে। আৰু কাষত মাক বহি কান্দি আছে। মানুহৰ ভিৰৰ পৰা প্ৰায় দৌৰি অহা দি ৰাজ আহি মাকৰ কাষলৈ মা মা কৈ চিঞৰি আহিল। আৰু এজনে কোৱা শুনিলে বাগানৰ পৰা উভতি আহোঁতে বনৰীয়া হাতীৰ আক্ৰমণত দেউতাক থিতাতে নিহত হ'ল। ৰাইজৰ সহযোগত দেউতাকক মুখাগ্নি কৰা হ'ল। আৰু ৰাতিয়ে মাকক চিকিৎসালয়ত ভৰ্ত্তি কৰায়। পিছ দিনাখন স্নেহাৰ লগতে ৰাজৰ কেইবাজনো অন্তৰংগ বন্ধু আহিল খবৰ ল'বলৈ। ৰাজে সকলোকে ঘটনাৰ সৰ্ম্পকে কলে। এনে আকস্মিক অঘটনটোৱে ৰাজৰ জীৱনলৈ অন্ধকাৰ নমাই আনিলে। অসুস্থ মাকৰ চিকিৎসা আৰু ভনীয়েকৰ পঢ়া-শুনাৰ বাবে ৰাজ নিজৰ পঢ়া-শুনাও বাদ দিব লগা হ'ল। আৰু হাতত দা লৈ হাজিৰা কৰিবলৈ ওলাই আহিব লগা হ'ল। কিয়নো উপাৰ্জন একমাত্ৰ সাৰথি আছিল ৰাজৰ দেউতাক। এতিয়া এওঁ নাই যিহেতু এতিয়া উৰ্পাজনৰ সাৰথি হ'ব লগা হ'ল ৰাজ। এইবোৰৰ মাজতো ৰাজে স্নেহাক পাহৰিব পৰা নাই। মাজে মাজে দুয়ো লগ কৰি মনৰ কথা পাতে। এনেকৈ কেইবা বছৰো পাৰ হ'ল। এদিন ৰাজে স্নেহাক ক'লে যে তুমি হৈছা ধনী ঘৰৰ শিক্ষিতা ছোৱালী আৰু মই দিন হাজিৰা কৰি পেট পোহা এজন যুৱক। তোমালোকৰ ঘৰখনে আমাৰ সম্পৰ্ক কেতিয়াও মানি নলয়। সেইয়ে তুমি মোক পাহৰি যোৱাই ভাল। তাকে শুনি স্নেহাই ৰাজক ক'লে; মানুহক ধন সোণ, টকা পইচাৰে জুখিব পৰা নাযায়। তুমি টকাৰে দুখীয়া হ'ব পাৰা মনৰ দুখীয়া নহয়। তুমি সৎ পথেৰে উপাৰ্জন কৰিবলৈ শিকিছা তাৰ বাবে মই বহুত সুখী। মই ভাবো মই তোমাৰ পৰা টকাৰ সুখ নাপালেও মনৰ সুখী হ'ব পাৰিম। মই তোমাক ভাল পাওঁ আৰু তোমাৰ বাবে অপেক্ষা কৰিম। এই কথা শুনি ৰাজৰ মনোবল বাঢ়িল। আৰু স্নেহাৰ প্ৰেম আৰু প্ৰেৰণাৰ ফলত ৰাজ সেনাবাহিনীত নিযুক্তি পালে আৰু স্নেহা কোনো এটা বৃত্তীয় প্ৰতিষ্ঠানত কাম কৰে। ইয়াৰ কিছুদিনৰ পাছত দুয়োৰে নিজৰ এখন সুখৰ সংসাৰ গঢ়িলে।□

# কোন কাৰ চেনেহৰ, কোন কাৰ মৰমৰ ...?

**আৰতি মাছাৰী**
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ

'সম্পৰ্ক' এটি সৰু শব্দ। কিন্তু ব্যাপক আৰু গভীৰ তাৰ পৰিসৰ। সম্পৰ্ক হৈছে নেদেখা এক এনাজৰীৰ বান্ধোন, যি বান্ধোনত বান্ধ খাই আছে সমগ্ৰ আকাশ পাতাল, জীৱ-জন্তু আমি সকলো। বিখ্যাত গ্ৰীক দাৰ্শনিক এৰিষ্টটলে কৈছিল "Man is a social being" অৰ্থাৎ মানুহ হৈছে এক সামাজিক প্ৰাণী। আমি কোনেও সমাজ তথা এই পৃথিৱীখনত অকলশৰীয়াকৈ জীৱন অতিবাহিত কৰিব নোৱাৰোঁ। সেয়ে আমি অবধাৰিত ভাৱে বান্ধ খাওঁ কাৰোবাত মায়াময় সম্পৰ্কৰ বান্ধোনেৰে।

সম্পৰ্ক বিভিন্ন ধৰণে গঢ় লৈ উঠে। পিতৃ-মাতৃ, দাদা-বাইদেউ, মিতিৰ-কুটুমৰ উপৰিও ছাত্ৰ-শিক্ষক, বন্ধু-সহপাঠী, প্ৰেমিক-প্ৰেমিকা আদি কৰি ঘৰৰ ভিতৰত বা বাহিৰত গঢ় লয় এই সম্পৰ্ক। ইয়াতে কিছুমান সম্পৰ্ক ক্ষণস্থায়ী হয় কিন্তু কিছুমান সম্পৰ্কৰ এনাজৰীডালে আমাৰ দৈনন্দিন জীৱনত কেতিয়াবা ইমান কটকটীয়াকৈ বান্ধ একোটা দি যায় যে আমি সেই বান্ধোন চিঙি ওলাই আহিবলৈ কষ্ট পাওঁ। তদুপৰি কেতিয়াবা তেজ মঙহৰ সম্পৰ্কতকৈও দৃঢ় হৈ পৰে এনে সম্পৰ্কবোৰ।

জীৱনৰ প্ৰথম পুৱাতে গঢ় লৈ উঠে পোন প্ৰথমতে নিজৰ ঘৰখনৰ লগত এক মধুৰ সম্পৰ্ক। মা-দেউতা ককাই ভনীৰ মাজত গঢ় লয় এক পাৰস্পৰিক বুজা পৰা, প্ৰেম শ্ৰদ্ধা, বিশ্বাস আৰু আন্তৰিকতা। মা-দেউতাই হৈছে আমাৰ আদি গুৰু তথা জীৱন কঠিয়া তলিখনেই হৈছে ঘৰখন। তেওঁলোকৰ ছত্ৰছায়াতে আমি জীৱন বাটত খোজ দিবলৈ শিকোঁ। এই নিবিড় সম্পৰ্কৰ পিছতেই হৈছে শিক্ষক ছাত্ৰৰ সম্পৰ্ক। শিক্ষকৰ প্ৰতি ছাত্ৰৰ অকৃত্ৰিম শ্ৰদ্ধা আৰু ছাত্ৰৰ প্ৰতি শিক্ষকৰ অনুশাসনমূলক মৰমৰ মাজতে জীপ পাই উঠে এই সম্পৰ্ক। শিক্ষক ছাত্ৰৰ মধুৰ সম্পৰ্কৰ আধাৰতে শিক্ষা লাভ সহজ আৰু আনন্দময় হৈ উঠে। শিক্ষকৰ প্ৰভাৱতে সলনি হয় অনেক ছাত্ৰৰ জীৱনৰ গতি পথ।

বাহ্যিক জগতত খোজ পেলোৱাৰ লগে লগে পাওঁ বন্ধু বা বান্ধৱী। কেতিয়াবা কিছু বন্ধু বা বান্ধৱী আমাৰ জীৱনত নিকট আত্মীয়তকৈও নিকটতম হৈ উঠে। এক এৰাব নোৱাৰা পবিত্ৰ সম্পৰ্ক এই বন্ধুত্ব। অৱশ্যে প্ৰকৃত বন্ধু বা বান্ধবী খুব কম সংখ্যক মানুহৰ ভাগ্যতহে পোৱা দেখা যায়। বন্ধু হ'ব লাগে সুখ-দুখ, হাঁহি কান্দোন সমানে ভাগ কৰি ল'ব পৰা শক্তিশালী কান্ধ। নিভাজ, স্বতঃস্ফূৰ্ত স্পষ্ট বন্ধুত্ব ৰৈ যায় আজীৱন। ক'ব পাৰি নাই কোনো বন্ধুত্বৰ পৰিধি। বিপদ কালত কাষত পাবলৈ দুআষাৰ গোপন কথা পাতিবলৈ প্ৰয়োজন বন্ধুত্বৰ। কোৱা হয় "A friend in need is a friend indeed" এসময়ৰ 'পত্ৰবন্ধু' বৰ্তমান 'ফেচবুক' আদি সামাজিক নেটৱাকিং ব্যৱস্থায়ো অনেক বন্ধুত্বৰ জোৱাৰ তুলিছে। এই সম্পৰ্ক যেনেকৈয়ে আৰম্ভ নহওক কিয় সচাঁ বন্ধুত্ব কিন্তু সকলোৱে নাপাই বিচাৰি। সচাঁ বন্ধুত্বই জীৱনটো সজীৱ আৰু ৰসাল কৰি তোলে।

প্ৰেমিক-প্ৰেমিকাৰ সম্পৰ্কও হৈছে এক পবিত্ৰ আৰু মধুৰ সম্পৰ্ক। ই বুকুৰ মাজত জন্মা এক পৰম কল্যান সম্পৰ্ক। কবিৰ ভাষাত প্ৰেম 'আৱৰণ খুলি হৃদয় জুৰায়' প্ৰেমত লুকাই থাকে এক নেদেখা শক্তি আৰু থাকে কিছুমান মিঠা... আবেগ, অনুভূতি প্ৰেমে নামানে কোনো বাধা বিঘিনি, উচ্চ নীচ, ধনী-দুখীয়া জাতি, সম্প্ৰদায়। দুটি মন এক হৈ দেখে জীৱনত অযুত সপোন। এগৰাকী প্ৰকৃত প্ৰেমৰ গৰাকী খুব কম সংখ্যক ভাগ্যৱান মানুহ হে হয়। প্ৰেম অবিহনে এটি জীৱন আধৰুৱা। সকলো মানুহৰ জীৱনত এবাৰ নহয় এবাৰ প্ৰেমে ভুমুকি মাৰেহি।

কৰ্মক্ষেত্ৰতো গঢ়ি উঠে এক নামহীন সম্পৰ্ক। সহকৰ্মীৰ সৈতে হোৱা স্বাভাৱিক, মধুৰ, আন্তৰিকতা পূৰ্ণ সম্পৰ্কই কৰ্মদক্ষতা বৃদ্ধি কৰে। সৃষ্টি কৰে সহযোগিতা, মৰম, চেনেহ, আস্থা। তেনেদৰেই কেতিয়াবা গঢ় লয় ঘৰুৱা কাম বনত সহায় কৰা ব্যক্তিজনৰ সৈতেও। এই সম্পৰ্কই কেতিয়াবা এনে এক পৰ্যায় পায়গৈ যে নিঃসংকোচে ঘৰৰ চাবিকোছাও ব্যক্তিজনৰ হাতত থব পাৰে।

ডাকে কৈ গৈছে - 'ওলায় দেখিবা যাক, শত্ৰু নাভাবিবা তাক' বিপদে আপদে সময়ত অসময়ে কাষলৈ দৌৰ মাৰি অহা প্ৰতিযোগীজন আমাৰ আত্মীয় কুটুম্বতকৈ হয় বেছি আপোন।

সম্পৰ্কৰ এনাজৰীডালে কেতিয়া কাক কেনেকৈ মেৰাই ধৰে কোনো নিৰ্দিষ্ট সময় সীমা নাই। পুৱা বাতৰি কাকত দিবলৈ অহা হকাৰজন, গাখীৰ দিবলৈ অহা গুৱালজন, নিৰ্দ্দিষ্ট দোকানী কেইজন, সদায় বিদ্যালয়লৈ অহা যোৱা কৰা গাড়ী কেইখন ইত্যাদি কিমান যে সম্পৰ্কই আমাক আবৰি আছে। এই সকলোবোৰ এক নামবিহীন সম্পৰ্ক। তদুপৰি প্ৰকৃতি জগতৰ পদুলি মুখৰ সেই কৃষ্ণচূড়া গছজোপা, চৌদিশে সুগন্ধিৰে মলমলাই ৰখা শেৱালি ফুল জুপি, ৰাতিপুৱা শুই উঠি দেখা শালিকা চৰাইহাল, গোহালিৰ মৰম লগা গৰু কেইটা, আমাক দেখাৰ লগে লগে জপিয়াই মৰমৰ সম্ভাষণ দিয়া কুকুৰটো তাৰ সেই ভৌ ভৌ শব্দৰে গঢ়ি উঠা আমাৰ সম্পৰ্কবোৰৰ কি নাম? কিন্তু এইবোৰেও জানো আমাৰ জীৱনটো জীপাল কৰি তোলা নাই?

সচাঁই 'সম্পৰ্ক' এক পৰম শ্ৰুতিমধুৰ শব্দ। এই সম্পৰ্কৰ মাজত পাওঁ এক অনাবিল আনন্দ। বিচাৰি পাওঁ এক সুকীয়া জগত।❑



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ - ২০১২-১৩ বৰ্ষ

# অনুভৱ

**হাচিবুন চুলতানা**
স্নাতক প্ৰথম যান্মাসিক

তাইৰ মূৰত কোনোৱাই মৰম কৰাত তাই ঘুৰি চাই দেখিলে ৰুমা মাহীয়ে তাইক মৰম কৰি আছে। ওচৰতে অবিনাশ ৰৈ আছে। তাই আৰু ৰ'ব নোৱাৰিলে। আজি অফিচত লগ পোৱা মানুহজনৰ কথা মনত পৰি হুক হুকাই কান্দি উঠিল। মাকলৈও মনত পৰিল। নিজৰ ভাগ্যৰ ওপৰত খং উঠিল।

এটা এটাকৈ তাইৰ মাকে কোৱা কথাবোৰ মনত পৰিল। শৈশৱত পোৱা তিৰস্কাৰে তাইৰ মনটো পুনৰ জোকাৰি গল। মাকে তাইৰ বাবে কম কষ্ট কৰিছিল নে? জন্মৰ পৰা আজিলৈকে দেউতাৰ মুখখন দেখি নোপোৱাৰ বাবে তাইৰ মনত কম কষ্ট হৈছিল নে? এই সৰু চহৰখনত মাক শেৱালিক সকলোৱে চিনি পাইছিল। গহীন মুখৰ মাকজনীয়ে যেন হাঁহিবলৈও পাহৰি গৈছিল। এই সৰু কলনীখনত কাম কৰিয়েই তাইক মাকে বহু কষ্ট কৰি ডাঙৰ কৰিছিল। সৰুৰে পৰা মাকৰ কষ্ট দেখি মাকক তাই বহুত সুখী কৰিম বুলি ভাবি থৈছিল।

তাই সৰুৰে পৰা দেখিছিল। মাকে তাইক প্ৰত্যেক সময়তে চকু ৰাখিছিল। ৰুমা মাহীৰ ল'ৰা অবিনাশৰ পৰাও তাইক আঁতৰাই ৰাখিছিল। আৰু তাই যেতিয়া প্ৰথম চাকৰিত জইন কৰিছিল। সেই দিনাই মাকে তাইক মাকৰ জীৱনৰ গোপন কথাবোৰ জনাইছিল। ইয়াৰ আগতেই তাইয়ো মাকে মনত দুখ পাব বুলি কোনো কথা সোধা নাছিল।

মাকৰ ঘৰ আছিল বৰপেটাৰ চেঙা নামৰ ঠাইখনত। মাকৰ ঘৰৰ ওচৰতে আছিল মৌজাদাৰ নন্দন বৰুৱাৰ ঘৰ। তেওঁৰে ল'ৰা অতনুৰ প্ৰেমত পৰিছিল মাক। আৰু অকনমান ভুলৰ পৰিণতি স্বৰূপে তাইৰ আগমন হৈছিল। মাকে অতনুক জনাইছিল, সিহঁতৰ ভুলৰ মৰমৰ সাক্ষী দিবলৈ কোনোবা সিহঁতৰ মাজলৈ আহি আছে। অতনুৱে মাকক বহুত বুজাইছিল গৰ্ভস্থ সন্তানটিক নষ্ট কৰি দিবলৈ, যিহেতু দেউতাক অতনুৰ সেই সময়ত কোনো উপাৰ্জন নাছিল। জেদি মাকে কথা নুশুনাকৈ এদিন গুচি আহিছিল এই নামৰূপৰ মাকৰ বান্ধৱী ৰুমা মাহীৰ ঘৰলৈ।

আৰু ৰুমা মাহীৰ ঘৰতে তাইৰ জন্ম হৈছিল। ৰুমা মাহীৰ ল'ৰা অবিনাশ আৰু তাই সৰুৰে পৰা একে লগে ডাঙৰ হৈছিল। পাৰ হৈছিল শৈশৱ।

তাই যেতিয়া ডাঙৰ হৈছিল তেতিয়া অবিনাশে ভালপোৱাৰ প্ৰস্তাৱ দিছিল। তাই একে চাতেই নাকচ কৰিছিল। যিহেতু মাকৰ গহীন মুখখনে যেন তাইক এইবোৰৰ পৰা আঁতৰাই ৰাখিছিল, তথাপি তাই অবিনাশক মনে মনে ভাল পাই পেলাইছিল।

আজি তাইৰ অফিচত চেঙাৰ এজন মানুহক লগ পাইছিল, মনটোক বুজাব নোৱাৰি ভয়ে ভয়ে সুধি পেলাইছিল মৌজাদাৰ নন্দন বৰুৱাক চিনি পাই নে? অতনু বৰুৱাই কি কৰি আছে?

মানুহজনে জনাইছিল যে নন্দন বৰুৱাই আজি প্ৰায় ১৫ বছৰৰ আগতেই একমাত্ৰ পুত্ৰ অতনু বৰুৱাই আত্মহত্যা কৰাৰ পিছত বোবা হৈ গৈছিল।

অফিচত তাইৰ মন বহা নাছিল। সেয়েহে তাই ঘৰলৈ আহি হিয়া উজাৰি কান্দিছিল। তাইৰ এনে লাগিছিল যেন মাকৰ জেদি মনোভাৱটোৰ বাবেই দেউতাকে যেন সিহঁতক বিচাৰি নাপাই আত্মহত্যা কৰিছিল। ককাক বোবা হৈছিল।

কালিলৈ তাইৰ মাকৰ মৃত্যুৰ এবছৰ হ'ব। আৰু তাই সিদ্ধান্ত ল'লে মাক আৰু দেউতাকৰ স্মৃতিত কালিলৈ তাই এটা ভাল কাম কৰিব।

তাই ৰুমা মাহী আৰু অবিনাশক মনৰ সকলো কথা খুলি কলে। ৰুমা মাহীয়ে হাঁহি হাঁহি ক'লে তেনেহ'লে আজিয়ে সেই ভাল কামতো কৰোঁ দিয়া। অবিনাশক চকুৰে কিবা ক'লে, লগে লগে অবিনাশে তাইৰ হাতত আঙঠি পিন্ধাই দিলে।

ৰুমা মাহীয়ে ক'লে দুখন হৃদয়ৰ মিলনতকৈ আৰু কি ভাল কাম হ'ব পাৰে। তাইৰ এনে লাগিল যেন ৰুমা মাহীৰ লগতে মাক আৰু দেউতাকেও তাইক আশীৰ্বাদ কৰিছে...... ।□



# কবিতা কানন



# অশ্ৰাব্য অসহনীয়

ৰিতুপৰ্ণা শৰ্মা

ধাতৰ বোকাত কৰ্ষণ কৰোঁ
বৰ্ণসংকৰ শইচ
'উৰ্বৰা' ডিস্ক'থেকৰ মজিয়া ৰসেৰে তিয়াই
আকাশভেদা প্ৰজাতি আমি।
পূবৰ নীৰৱ আকাশৰ পবিত্ৰ নীলা,
ডুব যায় সেয়ে
গোপন কোঠাৰ মখমলী এন্ধাৰ শেঁতেলীত।
শকুন্তলাৰ আঁচলত ধূলি ছটিয়াই
ডান্টে বিয়েট্ৰীছক ফাঁচী দিয়া হয়।
ৰমন্যাসিক জোনাকতো প্ৰেয়সীৰ
শৰীৰ নেফানেফ কৰি
বিচৰা হয় এটা চিম্পাঞ্জীৰ ঠাঁচ।
জোখমাখ কৰা হয়
আদিমতাৰ পৰা অত্যাধুনিকতালৈ
কিমান দূৰ বাট?
এটা সত্যক বিকৃত কৰি
হত্যা কৰা হয় আন এক সত্যক।
যুক্তিত ভেঁজা দি যুক্তিৰেই ডিঙিত
তৰোৱাল বহাই
স্নেহাৰ্শীষক অভিশাপ বুলি ভবা প্ৰজাতি আমি।
এতিয়া ঘিণলগা সচাঁই আৰৱে পৃথিৱীক
বাৰে বাৰে কিয় বলাৎকাৰ হয় কবিতাবোৰৰ
ছিঃ ছিঃ ছিঃ!!!

# বিষাদৰ জীয়া ৰূপ

মণিদীপা লাহন
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

হেঁপাহৰ উন্মাদনাত
বহুদিনৰ অন্তত আকৌ আহিছো
সমুখৰ সেউজীয়া দুববিৰিডৰালৈ।
জোনাকৰ স্নিগ্ধতা আৰু তিৰবিৰ তৰাবোৰৰ
লুকাভাকু চাবলৈ...
মন মোৰ উৰি যায়
কোনোবা অসীম সীমান্তলৈ
শৰতৰ শেৱালীৰ স্নিগ্ধ সুবাসে
মোৰ মন ধোৱাই নিলে...
সন্ধিয়াৰ মৃদু সমীৰণজাকে,
কাণে কাণে যেন তাৰেই বতৰা দিলে
হঠাৎ এচমকা কলীয়া ডাৱৰে
আহি ধূসৰিত কৰিলে
মোৰ জীয়া সপোনৰ
জীৱন্ত ৰূপবোৰ
যদিহে সচাঁকৈ তোমাৰ অপ্ৰিয় হয়
নিজৰাৰ স্বচ্ছতা
জোনাকৰ মাদকতা আৰু
সীমাহীন ভালপোৱা।
তথাপিও কিয়বাৰু
পুনৰাবৃত্তি হোৱা তুমি?
মোৰ অশান্ত মনলৈ
বিষাদৰ এজাক ধুমুহা হৈ??....

# স্মৃতিয়ে কাকো শুব নিদিয়ে

**অতুল বৰগোহাঁই**
ইংৰাজী বিভাগ, তৃতীয় বৰ্ষ

এটি গোপন পথেৰে মোৰ যাত্ৰা
হঠাৎ সিদ্ধান্ত ললো পোহৰ পিয়াসী চৰাই জনীৰ সতে
বৰ্তমানৰ পৰা অতীতলৈ
সপোনবোৰ সুমথিৰা হোৱাৰ হেঁপাহত
নিসংগ হৈ পৰিল হৃদয়
বৰ্তমানৰ পিঠিত উঠি অতীতৰ সন্ধানত
অথচ তুমি প্ৰহেলিকা হৈ ৰ'লা
স্মৃতিৰ এজাক বৰষুণ
তিতিল মাথো মোৰ হৃদয় যি অবুজ
তেজবোৰ গোট মাৰি বৰফ হ'ল
বহু যুগ পাৰ হৈ
এতিয়া মই মাথো শ্ৰান্ত ক্লান্ত
সময় ধাৰলৈ লৈ জীয়াই আছো।
আশা হতাশাৰ ঘৰত পালিত এটি শিশু।
স্মৃতিক জানো কোনোবাই জগাই
স্মৃতিয়েহে তোমাক জগাব গভীৰ নিদ্ৰাটো
স্মৃতিয়ে কাকো শুব নিদিয়ে।



# ভালপোৱা

**চক্ৰধৰ বাইলুং**
প্ৰাক্তন ছাত্ৰ
উপ-সভাপতি (২০১৩-১৩ বৰ্ষ)

সচাঁই,
তুমি নজনাকৈয়ে
প্ৰেমত পৰিলো তোমাৰ
তোমাৰ উঠত ওলমি থকা
হালধিয়া হাঁহিটিৰ প্ৰেমত পৰিলো
অজানিতে....।।
তুমিতো নাজানা....?
এতিয়া মোৰ প্ৰতিটো উশাহত পান কৰোঁ
তোমাক ভালপোৱাৰ এবুকু হেঁপাহ
প্ৰতিটো নিশাহত উফৰি পৰে
একো একোটা প্ৰেমৰ কবিতা
তোমাক ভাল পাব খোজা।।
এতিয়া প্ৰতিটো নিশাই তোমাৰ সতে
কথা পাতো... সপোনত....
এবুকু প্ৰেমৰ....
নতুন সপোন দেখো ....
এবুকু জীৱনৰ
সেউজীয়া সপোন....।।
এনেকৈয়ে,
ভালপোৱাৰ আয়োজন কৰিলো
তোমাক....
তোমাৰ অজানিতে
গোপনে .... ক্ৰমশঃ ....।।





# তোমাৰ বাবে চাৰিটা স্তৱক

**পৰিস্মিতা বুঢ়াগোহাঁই**
স্নাতক পঞ্চম যান্মাষিক
ইংৰাজী বিভাগ

(১)
'তুমি' আহিব খুজিছিলা
সেউজীয়া জখলা বগাই;
আহিছিল বৰষুণ জাকো
ধপধপনি বাঢ়িছিল মোৰ
ৰঘুমলা হৈ....।
কিন্তু উভতি চাওঁতে
তাত একো নাছিল;
আছিল মোক উপহাস কৰা
এখন অচিনাকি আকাশ
আৰু এটা পৰিত্যক্ত বাট।

(২)
মোৰ চকুৰ কাজল ভাল পোৱা 'তুমি'
ওঁঠত ৰং জানো ভাল পাইছিলা?
কাজলৰ বৰণ সঘনাই সলনি হ'লে
কেনে লাগে বাৰু?
ফাগুনীয়া হেঁপাহবোৰ যেতিয়া বাঢ়ি আহে
ধূলিৰ দৰে উৰুৱাই দিব পাৰিবা জানো?

(৩)
'তোমাৰ' চোতালৰ হাচনাহানা
দেখিছোঁ মই;
হয়তো তুমি নাজানা,
হয়তো জানিব নিবিচাৰা।
নিৰ্দোষী প্ৰেমিক কবি তুমি
মোৰ হৃদয়ৰ খবৰ ৰাখিছা?
যাযাবৰ হৃদয়ৰ গাঁথা
সদায় মৌন হৈ ৰ'ব,
অন্ত হ'ব সেই অসীমৰ
বিন্দুসম পোহৰত।



(৪)
অনুগ্ৰহ কৰিছো....
ৰাখিবা তুমি
আকৌ নাহিবা সেই
জখলা বগাই
মোৰ শাওনৰ পথাৰ
বোকাৰে উপচি পৰে।
হেঁপাহৰ ৰঙো ইমান
ধূসৰ হ'ব পাৰেনে?
যেনেকৈ ধূসৰ হয় আজি
এযুৰ চিনাকি চকুৰ 'কাজল'।

# বিষাদৰ ৰজনী

**বৰ্ণালী হাতীবৰুৱা**
স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ



তোমাৰ সান্নিধ্যত
পাৰ কৰিলো
বহু শৰতৰ
স্নিগ্ধ সন্ধিয়া,
পাৰ হ'ল
বহু ফাগুনৰ
মদাৰ ৰঙী পছোৱা,
বসন্তৰ
জেতুকা বোলোৱা বহাগী।
এতিয়া তুমি নাই
মোৰ কল্পনাৰ সবিয়হ ডৰাক
মুকুতাৰ মণিৰ দৰে চিঙি
দুচকুত নিয়ৰৰ টোপালবোৰ জিলিকাই
আঁতৰি গ'লা তুমি
এটি আঘোণৰ সেমেকা সন্ধিয়া।
মোৰ বুকুৰ কাঁচলি উদঙোৱা দুখত
সহাঁৰি দিবলৈ
নাই কোনো বিহংগ,
এতিয়াও মোৰ
কেঁচা কলিজাৰ চিৰিয়েদি নামি আহে
তোমাৰেই স্মৃতিপ্ৰপাত।
দুখৰ কজলা ছাঁই
ভাঙি নিলে মোৰ
সুখৰ ধ্ৰুপদী দুৱাৰ,
শুকান গছৰ চনকা ডালৰ দৰেই
কেৰমেৰাই সৰি পৰে
বিষাদৰ হুমুনিয়াহ।
জালিকটা জোনাকৰ তলত
আকৌ নগঢ়ো কোনো কল্পনাৰ সাম্ৰাজ্য
এতিয়া অমানিশাৰ সৈতেই মোৰ মিতিৰালি
এনেদৰেই পাৰ কৰো
বহু তমসাচ্ছন্ন বিনিদ্ৰ ৰজনী।



# স্মৃতি

**শৰত কুমাৰ গগৈ**
স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

তোমাৰ হৃদয় জোৰা স্মৃতিত
আজি মই দিশহাৰা পূজ্যৱৰ দেউতা।
সকলো ক্ষণ পলত,
তোমাৰ উপদেশ ও আৰ্হিৰ
কোনে দিব পথৰ ধাৰণা
কোন হ'ব দোষৰ আহিলা
কিন্তু কিমান বেদনা আৰু কথা ভাৰা
ভাবি নাপাওঁ বুজা নুবুজাৰ দোমোজাৰ
অপ্ৰকাশিত ভাষাৰ ছন্দও
তোমাৰ আৰ্হিৰ
উপদেশৰ দোতাৰা
মোৰ হৃদয়ত ছটিয়াই দিবা।
ভঙা হৃদয়ত সেয়ে হ'ব আৰ্শীষ নিৰ্মালি।
সযতনে তোমাৰ স্মৃতি,
মই কৰিম সজীৱতা।
মানৱতাৰ বীজ ৰোপন কৰিম,
তোমাৰ চিৰ যুগমীয়া স্মৃতিত।





# মোৰ জীৱন

**গীতাশ্ৰী দৈমাৰী**
স্নাতক প্ৰথম ষাম্মাসিক, অসমীয়া বিভাগ

ভাবিছিলোঁ এদিন অন্ত পৰিব
মোৰ হিয়া ভৰা কৰুণ কাহিনী
কিন্তু ভাগ্যৰ যে কি বিড়ম্বনা...?
ৰচিছিলোঁ বহুত সপোন,
কৰিছিলোঁ বহুত আশা,
মিহলি হৈছিলোঁ ৰামধেনুৰ সাতোৰঙৰ সৈতে
গাইছিলোঁ গান সপ্তৰাগেৰে।
সকলোবোৰ বিফল হ'ল
চুৰমাৰ কৰি নিলে প্ৰচণ্ড ধুমুহাই
ৰৈ গৈছে মাথো
সেই বিলাকৰ ভগ্নাৱশেষ।
ভগ্নাৱশেষ সমূহে অজানিতে
আঘাত কৰেহি মোৰ অন্তৰত
তেতিয়াই নিগৰি আহে মোৰ
সাঁচতীয়া গোপন অশ্ৰু।
সকলোবোৰ সজীৱ হৈ আছে মনত
উজ্জীৱিত হৈ আছে দুচকুত আৰু
লিপিবদ্ধ কৰা আছে মগজুত।
সকলোবোৰ ৰৈ গৈছে স্মৃতি স্বৰূপে
মোৰ জীৱন পৃষ্ঠাত আৰু
এতিয়াও মই চকুলোৰে লুটিয়াই আছোঁ
মোৰ জীৱনৰ শেষ পৃষ্ঠা।

# মোক এখন হৃদয় দিয়া

**নৱজ্যোতি খাণ্ডাধৰা**
স্নাতক প্ৰথম ষাম্মাসিক

মোক এখন হৃদয় দিয়া...
যিখন হৃদয়ত বেদনা থাকিব
কাৰণ,
বেদনা বিধৌত হৃদয়খনত হে
কোমলতা, নিৰ্মলতাই ঠাই পাব
কিয়নো হৃদয়খন নিকা কৰিবলে
মোৰ বাবে বেদনাৰ বৰ প্ৰয়োজন...।
মোক এটা মন দিয়া
যিটো মনত দৃঢ়তা থাকিব
আবেগৰ উন্মাদনা অথবা
অহমিকা নেওচি
জীৱনৰ চিৰন্তন সত্য বুটলিবলে
য'ত সাহসৰ অভাৱ নহব
কিয়নো,
তেনে এটা সাহসীয়াল মনৰ বৰ প্ৰয়োজন...।
মোক এটা জীৱন দিয়া
যি জীৱনৰ শৃংখলিত চেতনাত থকা
মমতা, মানৱতা
আৰু ত্যাগৰ দীপ্তিৰে
বহু জীৱনক উজ্জীৱিত।
আৰু
অনুপ্ৰাণিত কৰিব পাৰে
কিয়নো,
নিৰ্ভেজাল জীৱন বোধহে
সমাজখন সুন্দৰকৈ সজাব পাৰে
সেয়ে,
তেনে জীৱনৰ প্ৰয়োজন,
মোক অলপ মানুহ দিয়া।
যি মানুহে আনৰ দুখত কান্দিব পাৰে
কিয়নো,
আনৰ দুখত কান্দিব পৰা
সহৃদয় মানুহৰ যে
এতিয়া বৰ প্ৰয়োজন।

# তুমি নাহাঁহিবা অপৰাজিতা

**অনিন্দিতা বুঢ়াগোহাঁই**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

তুমি আৰু নাহাঁহিবা অপৰাজিতা,
তোমাৰ হাঁহিত সজীৱ হৈ উঠে কলেজৰ কেণ্টিন।
কি ক্লাছৰুম .... কি কমনৰুম...
সকলোতে মাথো এটাই গুঞ্জন,
অপৰাজিতা.... আৰু অপৰাজিতা।
তোমাৰ চঞ্চল হাঁহি, কাজল সনা চাৱনিয়ে
খলকনি তোলে সকলোৰে হৃদয়ত।
তুমি আৰু নাহাঁহিবা অপৰাজিতা,
তোমাৰ হাঁহিত জীপাল হৈ পৰে
কলেজ কেম্পাছৰ প্ৰতি জোপা গছ।
তোমাৰ মধুৰ হাঁহিয়ে এটা নতুন দিনৰ
আদৰণি জনায়,
নিৰাশাই আশালৈ ৰূপান্তৰ হয়।
তোমাৰ পদধ্বনিত নাচিব ধৰে
বৰষুণৰ টোপালবোৰ.....
তোমাৰ প্ৰাণ খোলা হাঁহিত দহি পুৰি মৰে
ব্যৰ্থ প্ৰেমিকৰ হৃদয়বোৰ।
এইয়া যেন কি এক আকুলতা
ঢৌ খেলা মেঘালী চুলি টাৰি নচুৱাই
সাঁথৰ সাঁথৰ যেন লগা চকুৰে
তুমি বাৰু কি ক'ব খোজা?
হাঁহিৰ বিষণ্ণ মনকো চুই যোৱা
তুমিয়েই জানো নোহোৱা সেই অপৰাজিতা?
তোমালৈ আজি মোৰ অনুৰোধ,
তুমি আৰু দুনাই নাহাঁহিবা
কাৰণ, যিদিনা তুমি যাবাগৈ
সেইদিনা, মৰহি যাব কলেজৰ সকলোৰে মন
মদৰুৱা ৰঙে ছানিব এই সেউজী ধৰণীখন।
সেইবাবে তোমাক আকৌ কৈছো
তুমি আৰু নাহাঁহিবা।।




# কবিতা

**নৱজিৎ বৰগোহাঁই**
ইংৰাজী বিভাগ, তৃতীয় বৰ্ষ

ভালপোৱাবোৰ জ্বলি ছাই হৈ যায়
অকলশৰীয়া ৰাতিবোৰত চকুলো বৈ থাকে
ভগ্ন হৃদয়ৰ পদুলিত শেৱালী ফুলে
সেয়াও মাথো ক্ষন্তেকৰ বাবে
প্ৰেমিক পক্ষীটি তাতে পৰি উচুপে
হেঁপাহৰ ক্ষণবোৰ উৰি গুছি যায়
দুখবোৰ বুকুলে উজাই আহে।





# অলপ অনুভৱৰ এজাক বৰষুণৰ মাজত

**পুষ্পী দত্ত**
স্নাতক তৃতীয় ষান্মাসিক

হঠাতে আহিছিল এজাক মৰমৰ বৰষুণ
বহুদিনৰ মূৰত....
অংগাংগত কিযে বৰষুণ কিযে বৰষুণৰ
সাংগীতিক লয়
যেন সেউজীয়া সৃষ্টিক বুৱাব খোজাৰ আকাংক্ষা
কিয় জানো তিতিবৰ মন গৈছিল বৰষুণজাকত
হাতেৰে স্পৰ্শ কৰিছিলো টিনৰ ছালেৰে
বৈ অহা পানীধাৰাক।
একেৰাহে সেই বৰষুণজাকৰ ফালে
মই থৰ লাগি চাইছিলো
ৰুণজুন ৰুণজুন বৰষুণৰ শব্দ
হুৰহুৰাই নামি আহিছে ছালৰ নেৰাপতায়েদি
হঠাৎ কপি উঠিছিলো।
গোপগোপীয়া গৰমৰ মাজতো যেন আছিল
এজাক চেঁচা মলয়া বতাহ
এই বৰষুণ জাকতেই উটুৱাই দিব পাৰি
হৃদয়ৰ সমস্ত দুখ আৰু বেদনাবোৰ
সঁচাকৈয়ে বৰষুণে সম্ভৱ বুজি পায় দুখক
সেয়ে চাগৈ....
একাকাৰ কৰিব পাৰি চকুৰ অশ্ৰুমুকুতাবোৰ
বৰষুণৰ টোপালৰ লগত।
একাকাৰ কৰিব পাৰি উদং বুকুৰ কান্দোন
বৰষুণৰ ৰুণুক-জুণুক শব্দৰ লগত।
চোতালৰ দুৱৰিবনৰ মাজত ভৰি থকা বৰষুণৰ
পানী ডোঙাত তিয়াবলৈ মন যায়
মোৰ ভৰিৰ কোমল তলুৱা,
মন যায় মোৰ মন যায়
দুৱৰি বনৰ মাজত বৈ চিপচিপিয়া
বৰষুণজাকত তিতিবলৈ
এই বৰষুণজাকৰ মাজত জীপাল হৈ উঠে
অচেতন মনৰ আদিম উন্মাদনা
যান্ত্ৰিকতাৰ মাজতো বৰষুণে দেখুৱাই দিয়ে
জীয়াই থকাৰ মাদকতা।
এই বৰষুণে যেন প্ৰতিজন মানুহক
এপলকৰ বাবে হ'লেও কৰি তোলে স্মৃতিকাতৰ
বৰষুণে লৈ যাব পাৰে অতীতৰ স্মৃতিৰ মাজলৈ
ডুব খাই যাব পাৰে সুমধুৰ নষ্টালজিয়াত।
সঁচাকৈয়ে বৰষুণ তুমি অনন্য
অনন্য তোমাৰ ৰাগ আৰু তোমাৰ সুবাস
একমাত্ৰ তোমাৰ বাবেই
দুখৰ পোচাক খুলি থৈ
গুণগুণাবৰ মন যায় মোৰ
'ক'ৰ এজাক সপোন
যেন বৰষুণ......।'

# অনুতপ্ত

**হাচিবুন চুলতানা**
স্নাতক মহলা কলা, প্ৰথম ষান্মাসিক

তেওঁ উভতি আহিল
এদিন কাৰো কথা নুশুনি
গুচি গৈছিল তেওঁ
অভিমান হৈছিল ও খং উঠিছিল
নিজৰ ওপৰত
শিক্ষাৰ ওপৰত
সততাৰ ওপৰত
আৰু পাৰদৰ্শিতাৰ ভিত্তিত পোৱা
প্ৰমাণ পত্ৰবোৰৰ ওপৰত
কিন্তু আজি অনুতপ্ত
আকৌ উভতি আহিল
নিজৰ পথলৈ বুলি
কাৰণ নিজক বুজি পালে।



# শান্তিৰ সন্ধানত

**মিছ হাছিনা বেগম**
স্নাতক প্ৰথম যান্মাসিক

শান্তিৰ সন্ধানত ঘূৰি ফুৰা
এজন পথিক মই
বিচাৰি ফুৰিছো এখন শান্তিৰ পৃথিৱী
বিচাৰিছো এখন শান্তিৰ সমাজ
যত কিছু লোকে বাস কৰে শান্তিৰ সতে।
শান্তিৰ সন্ধানত বিচাৰিছো এজোপা বৃক্ষ
যাৰ ছাঁত জিৰাব পাৰো মই ওৰেটো জীৱন
যাৰ বতাহে শাঁত কৰিব পাৰে মোৰ অশান্ত মন
নাই, শান্তিৰ যেন কোনো উমঘামেই নাই
একবিংশ শতিকাৰ এই সমাজত
শান্তিৰ বিপৰীতে অশান্তি নামৰ শব্দটি বেছিকৈ
পৰিচিত আজিৰ সমাজত।
এতিয়া মই পৰিণত হ'লো
শান্তিৰ সন্ধানত ঘূৰি ফুৰা
এজন ভাগৰুৱা পথিকত
বিচাৰি পালো অশান্তি নামৰ শব্দটি
ৰেডিঅ', দূৰদৰ্শন আৰু বাতৰি কাকতত
অশান্তিৰ মাজেৰে জীৱনটো কৰিছো যাপন
শেষত কবিতাৰ দ্বাৰাই শান্তিক পুনৰ
আমাৰ ধৰিত্ৰীলৈ কৰিছো নিমন্ত্ৰণ।







# এৰাবাৰীৰ এন্ধাৰত যিদিনা জোনাক ফুলিব

**ৰিতুপৰ্ণা শৰ্মা**

দিওঁ বুলিয়েই কি দৰে
পুৰণিকলীয়া পেৰাৰ
সাঁচতীয়া দুখ উপহাৰ দিওঁ তোমাক?
এৰাবাৰীৰ এন্ধাৰত যিদিনা জোনাক ফুলিব
বনফুলৰ মালা পিন্ধাই তোমাক বৰিম
সৌ দূৰ পাহাৰৰ পৰা চপৰা চপৰে
কপহুৱা ডাৱৰ আনি
বৈ বৈ আলোৱান পিন্ধাম।
টুকুৰা টুকুৰে ছিঙি পেলাম
মোৰ হিয়া মেৰাই থোৱা সৰ্পিল ৰঘুমলাডাল....
এৰাবাৰীৰ এন্ধাৰত যিদিনা জোনাক ফুলিব....।।





# শাওনৰ সেউজীয়া ৰং

**চিমি গগৈ**

শাওনৰ পথাৰৰ সেউজীয়া হাঁহি
আহ; কিযে এক মিঠা শিহৰণ
সেউজীয়া পথাৰবোৰ দেখি মনত শান্তিৰ বতাহ বলে
এই হুলস্থূল পৃথিৱীত অলপমান জিৰণিৰ বাবে
এই পথাৰেই উত্তম
সৰুতে কোনোবা এজন মহৎ ব্যক্তিৰ
বাণী পঢ়িছিলো
সেইসময়ৰ পৰাই সেউজীয়া ৰং মোৰ দুৰ্বলতা
কি পঢ়িছিলো আজি সেই কথাও মনত নাই
এষাৰ কথাই মনত আছে
সেউজীয়া ৰঙেই পৃথিৱী জীয়াই ৰাখিছে
শাওনৰ ব্যস্ততাৰ মাজতো পথাৰত
ৰোৱনী আৰু হালোৱা কথা-বতৰা
তাৰ মাজতে হাঁহি
ৰ'দত বিৰিঙি উঠে সিহঁতৰ ৰঙা মুখখনি
কিছু ৰ'দ, কিছু বতাহ,
মাজতে মুখত অলপ সান্ত্বনা
কিহৰ সান্ত্বনা এয়া
সিহঁতৰ মাটি ডৰা সেউজীয়া কৰাৰ সান্ত্বনা






# শ্ৰদ্ধাঞ্জলি

**নৱজ্যোতি খাণ্ডাধৰা**
স্নাতক প্ৰথম যান্মাসিক

গুৰু তুমি সংগীতৰ
সাধক তুমি সংস্কৃতিৰ
হে সংগীতসূৰ্য্য
স্ৰষ্টাৰো যে স্ৰষ্টা তুমি
তুমি সৰ্বদ্ৰষ্টা
উদ্ধাৰি ধৰিলা ভূমি
হে শিল্পী তুমি যাযাবৰ
তুমিয়েই সুধাকণ্ঠ
সাগৰ সংগ্ৰামীও তুমি
পাৰিব জানো পূৰাব কোনোৱে
এই শূন্যতা
আজিও থাকে ভাঁহি
চকুৰ আগত মোৰ
চিতাৰ সেই জুইকুৰা
যিকুৰা জুইত হ'ল বিলীন
তোমাৰ নশ্বৰ দেহ
হে ভূপেন মামা
আজি তুমি অমৰ
জনাওঁ তোমাক পুষ্প গন্ধৰ্বৰ
একাঁজলি শ্ৰদ্ধাঞ্জলি।
(শ্ৰদ্ধাৰ ভূপেন মামাক সুঁৱৰি)

# উজনি অসম

মিছ হাছিনা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

উজনি অসমৰ অশ্ৰু ভৰা কান্দোন
চাৰিওফালে বিকট শব্দৰ ধ্বনি
প্ৰতিজন মানুহে গমন কৰিছে বিপদৰ ফালে
কঢ়িয়াই নিছে একো একোটা দুখৰ বোজা
আমি প্ৰতিজন মানুহে দুখী
কাৰণ
আমি সহি আছোঁ অন্যায়ৰ যন্ত্ৰণা
মাত মাতিব পৰা নাই আমি অন্যায়ৰ বিৰুদ্ধে
আগুৱাই যাব পৰা নাই শান্তিৰ ফালে
বিলাব পৰা নাই মৰম চেনেহ
ত্ৰিৰংগা উৰিছে কণমানিৰ তেজেৰে
'জনগণ' গাইছে মৃত্যুবাসী তেজেৰে
শান্তিৰ নামত প্ৰতিটো কামতে অশান্তি
আৰু অশান্তিৰ নামত মৃত্যু
মৃত্যুৱে বিলাইছে এটোপাল চকুৰ পানী
কাৰ বাবে কাৰ বাবে এই চকুৰ পানী
নালাগে আমাক চকুৰ পানী
আমাক লাগে শান্তি
ত্ৰিৰংগা উৰিব লাগিব শান্তিৰ নামত
বাজক শংখ, বাজক ঢোল বাজক মৃদং ডবা
হাঁহি হাঁহি সকলোৱে গাবা
জয় আই অসম, জয় আই অসম
জয় আই অসম

# শেষ দিনৰ গান

অতুল বৰগোহাঁই
প্ৰাক্তন ছাত্ৰ

তোমাৰ বুকুতে আৰম্ভ হৈছিল এই যাত্ৰা
তোমাৰ কোলাত উৰ্ধমুখী হ'ল জ্ঞানৰ সুৰুযমুখী
তুমিয়ে মোৰ বুকুত সাৰটি ৰখা প্ৰেৰণাৰ ৰক্তাক্ত নদী
ভালপোৱাৰ জীৱন্ত প্ৰতিচ্ছবি।
সকলোৰে এদিন শেষ আছে
এই যাত্ৰাৰো এদিন শেষ হ'ব...
শেষ বুলিলেই বিষাদৰ সুবিশাল সাগৰ
য'ত যন্ত্ৰণাৰ ঢৌ উঠে
দুচকুত ভৰুণ হয় চকুলো
হৃদয়ত ৰু-ৰুৱাই থাকে বিষাদৰ ৰাগ
শেষ বুলিলে সকলো শেষ হৈ নাযায়
হৃদয় ভৰি থাকে যাৰ সৰল আকুলতা
কোনেও কোনো কালে অস্বীকাৰ কৰিব নোৱাৰে
ভালপোৱাৰ এই চিৰশ্বাশ্বত ভাষা
তথাপি
এই গান হৃদয়ৰ গান
এই গান চকুলোৰ গান
এই গান
শেষ দিনৰ গান।





# সেউজী পাতৰ সপোন

বিষ্ণুপ্ৰিয়া তামুলী
স্নাতক তৃতীয় ষাণ্মাসিক

সেইযে বৰ'দৈছিলাৰ আগমন, ব'হাগৰ সমাৰেশ,
প্ৰৱেশৰ দুৱাৰদলিত তুমি ধীৰ গতিৰে....
পুৱাৰ ৰাঙলী সুৰুযে, সাৰ নৌপাওঁতেই
মই ঢাপলি মেলিলো....
বিলীন হ'বলৈ, শাওনৰ টৌখেলা এডৰাত।
কল্লোলিত শাওনৰ মাজতে
গুণগুণাই গালো, কিবা যেন সেউজ বিচাৰি...
চিপ চিপ বৰষুণ, মন আনন্দ
ৰচি গলো নাঙলৰ সীৰলুত
সপোনৰ ঘৰখন।
হাতত জলপানৰ বাতি, জিভাত ৰঙা চাহৰ জুটি
ক্ষণিক মাত্ৰ....
নিস্তব্ধতাৰে সেউজে দেখোন আকোৱালী ল'লেই।
সেউজীৰ তৃপ্তিৰে নয়নজুৰিত
সপোন ঢালো....
সেউজী পাতৰ গৰ্ভৱতী ৰূপৰ বুকুত
এইবাৰ পোহৰেৰে উজ্বলাই, আলোকিত কৰো।
ভোকাতুৰ নয়নজুৰিয়ে দেখোন
সেউজীৰ অনুভৱ মাথো ক্ষণিকলৈহে পালে??
কোনো কথা নাই
কিয়? এইবাৰ জানো চকুৰ পতাত
সোণালী ৰূপে শোভা নাপাব।
এনে লাগে, পৃথিৱীৰ সমস্ত সোণালী যেন মোৰ
চকুৰ পতাতে লুকাব....
সোণগুটি ধানৰ থোকবোৰৰ আবেদনত
উন্মাদ হৈ সংগী হ'লো।
পৃথিৱীৰ সমস্ত সোণালী আনি
ভৰালৰ বুকুত বান্ধি থ'লো....।
আকৌ আহিছে মৰমৰ দিনবোৰ
সেউজী সোণালীৰ তৃপ্তিৰে
মোৰ সপোনবোৰ জীৱন্ত কৰিবলৈ....



# বিদায়ৰ প্ৰাকক্ষণত
## "ভগ্ন হৃদয়ৰ অনুভৱ"

জ্যোতিষ বুঢ়াগোহাঁই
প্ৰাক্তন ছাত্ৰ

(১)
সোণাৰি কলেজ
মোৰ আজন্মৰ সাধনাৰ স্থলী
যাৰ বুকুত খোদিত হৈছে অনেক ঐশ্বৰ্য গৰিমা
সোণাৰি কলেজ
যাক লৈ দেখো মই অজস্ৰ সপোন
সোণাৰি কলেজ তোমাক সহস্ৰ প্ৰণাম।
(২)
হে জ্ঞানৰ মন্দিৰ, সোণাৰি মহাবিদ্যালয় —
তোমালৈ জনালো সশ্ৰদ্ধ প্ৰণিপাত,
জ্ঞানৰ পোহৰেৰে আলোকিত কৰি
উজলাই তুলিছা সহস্ৰজনৰ জীৱন
তোমাৰ আশীৰ্বাদ শিৰত লৈ যাম আমি আগুৱাই
জিলিকাই তুলিম লুইতৰে পাৰ

কিছু একান্ত ব্যক্তিগত অনুভৱ

# অনুভৱৰ দলিচা

প্ৰান্তীময়ী দত্ত
স্নাতক পঞ্চম যান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

মায়ে হাতত ধৰি লিখিবলৈ শিকালে জীৱনৰ অ, আ, ক, খ। নুনি পকাৰ চেকা লগা চোলাটো বিচাৰি নষ্টালজিক হৈ পৰো মাজে সময়ে। হয়তো সময় এনেকুৱাই। পাৰ হৈ যোৱা ৰোমাঞ্চিত সময়বোৰক ৰোমন্থন কৰি তৃপ্তি লাভ কৰোঁ। শৈশৱতে মায়ে মনৰ ধাৰণাত ভৰাই দিছিল এটা সপোন আৰু দেউতাই সেই সপোনবোৰৰ পিছে পিছে দৌৰিবলৈ শিকাইছিল। সেই সপোনৰ পিছে পিছে দৌৰি আহি ভৰি দিছিলোঁহি সোণাৰি মহাবিদ্যালয়ত।

সোণাৰি মহাবিদ্যালয় — চৰাইদেউ মহকুমাৰ জ্ঞানৰ জিলিঙণিৰে জিলিকাই তোলা এখন জ্ঞানৰ মন্দিৰ। এই মন্দিৰ খনিতেই ২০০৯ চনৰ কোনোবা এটা দিনত আহি উঃ মাঃ বৰ্তত ভৰ্ত্তি হৈছিলোহি। মনত অযুত হেঁপাহ, তাৰ লগে লগে কিছু ভয়। কাৰণ এখন মহাবিদ্যালয়ত পঢ়িবলৈ আহিছোঁ। যিখনৰ অধ্যক্ষ মহোদয়ৰ নাম শুনিলেই সকলো কঁপি থাকে। অৰ্থাৎ ডঃ ৰাজেন তামুলী ছাৰ।

চাওঁতে চাওঁতে মহাবিদ্যালয়ত পঢ়া পাঁচটা বছৰত ভৰি দিলোঁ। কেতিয়ানো কেনেকৈ দিনবোৰ পাৰ হ'ল গমকে নাপালোঁ। কলেজত নাম ভৰ্ত্তি হোৱা দিনটো, পুৰণিৰ লগত চিনাকি পৰ্ব, নবাগতা আদৰণি সভা ... এইবোৰৰ কথা আজিও চকুৰ আগত ভাঁহি থাকে, যেন কেইটামান দিনৰ আগৰ কথাহে। লাহে লাহে হাজাৰ ছাত্ৰ-ছাত্ৰী বহুতৰ লগত চিনাকি হৈ পৰিছিলোঁ। কোনোবা হয়তো দাদা-বাইদেউ, বন্ধু-বান্ধৱী। চাওঁতে চাওঁতে উঃ মাঃ ৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'লো, উত্তীৰ্ণ হোৱাৰ পাছত একেবাৰে লগত থকা বান্ধৱী কেইজনী বেলেগত পঢ়িবলৈ গ'লগৈ, নিজকে বহুত অকলশৰীয়া যেন লাগিছিল সেই সময়ত। স্নাতক প্ৰথম যান্মাসিকত শিক্ষাতত্ত্ব সন্মানীয় বিষয় হিচাপে লৈ ভৰ্ত্তি হোৱাৰ পাছত পুনৰ আত্মীয়তা গঢ়ি উঠিল বহুতো অচিনাকী মুখৰ সৈতে। লাহে লাহে তেওঁলোকবোৰ আত্মীয়তকৈয়ো আত্মীয় হৈ পৰে।

মহাবিদ্যালয়ত সদায় সোমাই আহোতেই কলেজৰ গেটখনৰ ওচৰতে প্ৰায়ে বৈ থাকিছিল প্ৰাক্তন অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী ছাৰ। ছাৰক দেখি জীৱ উৰোঁ উৰোঁ হৈ থাকে। যদিও প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ছাৰলৈ ভয় কৰিছিল খঙাল বাবে তথাপিও ছাৰৰ মাজত ৰসাল চৰিত্ৰ এটা প্ৰস্ফুটিত হৈ থাকে কোনো কোনো মুহূৰ্তত। এদিনৰ কথা, মই মোৰ লগৰ কাৰোবাৰ লগত ছাৰৰ কক্ষৰ কাষৰে পাৰ হৈ গৈছিলোঁ। ছাৰ বাহিৰতে বৈ আছিল। ছাৰে মোক পিছ ফালৰ পৰা মোৰ লগত থকা বন্ধুজনক কৈছে — "এই জনী দেখাতহে টিকিৰি মিকিৰি, বৰ কথা কয়, বৰ উৎপতীয়া।' কথাষাৰ শুনিয়ে মোৰ ইমানেই ভয় লাগিছিল, ছাৰে দিলে আৰু আজি গালি বুলি। কিন্তু অলপ দূৰ গৈ ঘূৰি চাই দেখিলোঁ, ছাৰে মোলৈ চাই হাঁহি আছে। তেতিয়াহে যেন মোৰ বুকুৰ ঢপঢপনিটো কমিছে। সেই দিন ধৰি চাৰে মোক টিকিৰি বুলিয়ে মাতে। কথাটো মিছা নহয় সচাঁয়ে মই টিকিৰি মিকিৰিয়ে ...। ছাৰৰ বিদায় মিটিঙৰ দিনা আমি প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বিৰাট আবেগিক হৈ পৰিছিলোঁ। আজিও প্ৰতিটো দিনেই ছাৰৰ অনুপস্থিতি অনুভৱ কৰোঁ। মোৰ শিক্ষা জীৱনত ছাৰৰ নিচিনা এজন শিক্ষাগুৰু কেতিয়াও পোৱা নাই। যাৰ বাবে আজি আমাৰ সোণাৰি মহাবিদ্যালয়ৰ স্থান বহু শীৰ্ষত। ধন্যবাদ ছাৰ।

মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠানতে সদায় থাকি ভাল পাইছিলোঁ। কলেজ সপ্তাহৰ দিনকেইটাৰ কথাই বেলেগ। নাটক, তৰ্ক, বক্তৃতা, কবিতা আবৃত্তি আদিবোৰত পুৰস্কাৰ পালেও নাপালেও অংশ গ্ৰহণ কৰোঁৱেই। কলেজ ইলেকচনত এবাৰ প্ৰাৰ্থীত্ব আগবঢ়াই হৰাৰ বাবে খুব কান্দিছিলোঁ কেন্টিনত। সেই দিনা শ্ৰদ্ধাৰ সুনীল দত্ত ছাৰ আৰু প্ৰশান্ত দায়ে মোক বুজাইছিল যে মানুহে হাৰি হাৰি জিকিবলৈ শিকিব লাগে। সেয়া যেন মোৰ জীৱনৰ প্ৰতি মুহূৰ্ত্ততে অনুপ্ৰেৰণা হৈ ৰ'ব। কলেজৰ প্ৰাচীৰ পত্ৰিকা, বাৰ্ষিক আলোচনী সোণালীৰ কামবোৰ কৰি সদায়





বিৰাট আনন্দ লাভ কৰিছিলোঁ। কলেজ কেন্টিন, গছৰ তলত বহা, জাৰৰ দিনত কুঁৱলি ফালি ওলোৱা ৰ'দজাকত ফিল্ডত বহি আমেজ লোৱা, কলেজৰ আগফালৰ পৰা কেঁচা চানা আনি খোৱা, শিক্ষামূলক ভ্ৰমণ কলিকতালৈ যোৱা, লগৰবোৰৰ লগত আড্ডা মৰা... এইবোৰ যেন এদিন নষ্টালজিক হৈ পৰিব।

এই বৰ্ষটো কলেজৰ শেষ বৰ্ষ। কেনেকৈনো গ'ল দিনবোৰ গমেই নাপালোঁ। মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুৰে প্ৰতি মুহূৰ্ততে অনুপ্ৰেৰণা যোগায়। বিশেষকৈ আমাৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰতিজন ছাৰ বাইদেউ সদায় উৎসাহ যোগাই আমাক আগবাঢ়ি যাবলৈ। এই পাঁচটা বছৰ ছাৰ বাইদেউ, বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টি বহুতক লগ পালোঁ। বহুতৰ মানস পটত বা, ভণ্টি, বান্ধৱী হৈ থাকি যাম....। লাহে লাহে আমাৰো ইয়াৰ পৰা আন বহুতৰ দৰে বিদায়ৰ সময় পাবহি। সময়ৰ কি নিষ্ঠুৰ আহ্বান। আমিবোৰ আঁতৰি যাম এনেকৈয়ে এদিন। বহুতো শিকি, হয়তো বিচাৰৰ দৰে নিদিয়াকৈয়ে.....

শৈশৱতে মায়ে দিয়া সপোনটোৰ পিছে পিছে দেউতাই শিকোৱাৰ দৰেই দৌৰি দৌৰি বহুদূৰ পাম গৈ। সময়ৰ সোঁতত বিলীন হৈ যাব হয়তো বহুত কিবা কিবি....। এইবোৰৰ সৈতে যোগ কৰিম সকলোবোৰ স্মৃতি। মাৰ সপোনটো ধৰিব পাৰিলে হয়তো এদিন আকৌ নষ্টালজিক হৈ পৰিম। শেষত মহাবিদ্যালয়খনিলৈ শ্ৰদ্ধা নিবেদি, উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

---

# বিদায় এমুঠি অনুভৱৰ গাঁঠা

জ্যোতিষ বুঢ়াগোহাঁই, স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

সময় গতিশীল। ই বোঁৱতী নৈৰ সোঁতৰ দৰে। ২০০৮ চনত কলেজীয়া জীৱনৰ প্ৰথমটো খোজ পেলাইছিলো ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ সোণাৰি নগৰৰ মাজমজিয়াত অৱস্থিত জ্ঞানৰ মন্দিৰ, জ্ঞানৰ পুণ্যতীৰ্থ সোণাৰি মহাবিদ্যালয়ত। কলেজীয়া জীৱনৰ সুমধুৰ পাঁচবছৰ কেনেদৰে চকুৰ টিপতে পাৰ হৈ গ'ল গমকে নাপালো।

"বিদায়" মাথো এটা শব্দই নহয় "ই যেন বিষাদৰ এটা কৰুণ সুৰ।" "বিদায়"ৰ মুহূৰ্তত বহুতো মধুৰ স্মৃতিয়ে মোক আমনি কৰিছেহি। বিশেষকৈ "কলেজ উইকৰ" ৰঙীন দিনবোৰ, কাজিৰঙা ভ্ৰমণ, তেজপুৰ ভ্ৰমণ, ডিব্ৰু-চৈখোৱা ভ্ৰমণৰ মধুৰ অভিজ্ঞতা, সাহিত্যৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনত সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাটো, ড° অমৰজ্যোতি চৌধুৰীদেৱৰ তেজোদ্দীপ্ত ভাষণ আৰু তেওঁৰ কবিতা শুনাৰ যি সৌভাগ্য ঘটিছিল, সেই মুহূৰ্তবোৰ সদায় মই মোৰ হৃদয়ৰ মণিকোঠাত সাঁচি ৰাখিম।

মহাবিদ্যালয়খনৰ পুথিভঁৰাল, হোষ্টেল কেন্টিন, প্ৰেক্ষাগৃহ, নানা ৰঙৰ ফুলেৰে ভৰা ফুলনি বাগিছা এই আটাইবোৰেই আছিল মনপৰশা। ছাৰ-বাইদেউসকল, কৰ্মচাৰীবৃন্দৰ পৰা যি মৰম আৰু আদৰ পালো সেয়া মোৰ জীৱনত চিৰস্মৰণীয় হৈ ৰ'ব। মোৰ হেঁপাহৰ ঘৰ "সোণাৰি মহাবিদ্যালয়খনৰ পৰা কিছুদিন পাছতেই আঁতৰি যামগৈ। কোলাহল আৰু হাঁহি তামাচাৰ বৰ্ণময় পৃথিৱীখনক এৰি মুখামুখি হম অন্য এখন পৃথিৱীৰ। যত মুখামুখি হ'ব লাগিব জীৱনৰ কঠোৰ বাস্তৱতাৰ।

অধ্যক্ষ ছাৰৰ নিয়মানুবৰ্তিতা, আদৰ্শই মোক ভৱিষ্যতে আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিব।

মহাবিদ্যালয়খন এৰি যোৱাৰ আগমুহূৰ্তত মোক বিভিন্ন দিহা পৰামৰ্শ দিয়া শিক্ষাগুৰুসকলক বিশেষকৈ অধ্যয়নৰ ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়োৱা ৰীতা দত্ত বাইদেউ, পদ্মাকুমাৰী বাইদেউ, বিজয়লক্ষ্মী বাইদেউ, ৰেখা বাইদেউ, ৰঘুনাথ কাগ্যুং ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ সকলো বন্ধু-বান্ধৱী আৰু মৰমৰ ভাইটী ভনী সকললৈ হৃদয়ৰ এবুকু উমাল মৰম যাচিলোঁ।

মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত আৰু দীৰ্ঘায়ু কামনাৰে ......

# "কলেজৰ প্ৰথম দিনৰ অনুভৱ"

জ্যোতিষ্মান বৰগোহাঁই
একাদশ শ্ৰেণী



৬ জুন, সময় ৮:৪২। মই মোৰ প্ৰথম কলেজ লাইফ আৰম্ভ কৰিছিলোঁ। এই এটা সময়তে মই মোৰ প্ৰথম খোজ পেলাইছিলো সোণাৰি মহাবিদ্যালয়ৰ প্ৰাংগণত। চাৰিওফালে কেৱল অচিনাকি পৰিৱেশ। এই অচিনাকি পৰিৱেশৰ মাজত মোৰ নিজকে বৰ অকলশৰীয়া যেন লাগিছিল। এনে অনুভৱ হৈছিল যে কি কৰোঁ কি নকৰোঁ, কোন পিনে যাম কোন পিনে নাযাওঁ। হঠাতে দেখা পালো দুখন চিনাকি মুখ। মানে মোৰ স্কুলৰ বন্ধু দুজনক, তেতিয়াহে মনৰ পৰা অকনমান ভয়তো আতৰিল। মই যেতিয়া ক্লাছ ষষ্ঠত আছিলোঁ তেতিয়া মোৰ 'বা' এজনী সোণাৰি কলেজত পঢ়িছিল। তেতিয়াৰ পৰাই তাইক দেখি মোৰ সোণাৰি কলেজলৈ অহিবলৈ মন গৈ আছিল। সেই সপোন আজি ৭ বছৰৰ পাছত সঁচা হৈছে। মনত ভয়ো লাগিছিল আৰু লগতে ইমান আনন্দ লাগিছিল, যাক মই কলমেৰে শব্দেৰে কাগজত প্ৰকাশ কৰিব নোৱাৰো।

# "বন্ধুত্বৰ এটি মিঠা অনুভৱ"

সোণমণি পগাগ
স্নাতক প্ৰথম ষাণ্মাসিক

বন্ধুত্ব এটি মিঠা শব্দ। যাক শুনিলে জীয়াই থকাৰ প্ৰেৰণা পাওঁ। প্ৰেৰণা যে জীৱনৰ উৎস। বন্ধুত্বৰ প্ৰেৰণাত জীৱনৰ গতি সলনি হ'ব পাৰে। জীৱনটো ৰঙীন হয়। সেইয়া এটা মিঠা অনুভৱ বন্ধুত্বৰ। বন্ধুত্বত থাকে নিঃস্বাৰ্থ ভাল পোৱা। বন্ধুত্ব এক মধুৰ সম্পৰ্ক; য'ত থাকে দৃঢ় বিশ্বাস; প্ৰকৃত ভালপোৱা, উৎসাহ উদ্দীপনা, সহযোগিতা। এই বন্ধুত্ব কোনো ধৰ্ম জাতিৰ ভেদাভেদ নাথাকে, বয়সৰ সীমা নাথাকে; থাকে মাথো আনন্দ, বিশ্বাস, উদাসীন পৃথিৱীৰ বুজাব নোৱাৰা অনুৰাগ আৰু প্ৰেৰণা। মানৱীয় বিৱৰ্তনৰ অদ্বিতীয় সম্পদৰ সৈতে যুঁজিবলৈ বন্ধুত্বই প্ৰেৰণা দিয়ে, আশ্বাস দিয়ে। এই বন্ধুত্বই সৎ কামত প্ৰেৰণা অসৎ কামত বাধা দিয়ে। বন্ধুত্বই সত্যানুৰাগ, সৎ চৰিত্ৰ আৰু মৰ্যাদাবোধ দৃঢ় কৰাৰ লগতে সঠিক পথৰ সন্ধান পায়। বিপদত সহায়ৰ হাত আগবঢ়োৱাই প্ৰকৃত বন্ধুত্ব। বন্ধুত্ব হৈছে অনাবিল আশাৰ এটি দিশ। বন্ধুত্ব গঢ় ল'লে হৃদয়ৰ স্বতঃস্ফূৰ্ত তাগিদা পৰম্পৰৰ সতে থকা আদৰ্শ, দৃষ্টিভংগী চিন্তা চৰ্চাৰ পৰিৱেশ সৃষ্টি হয় মনত। সেইয়ে মোৰ বাবে "বন্ধুত্ব" শব্দটো পৃথিৱীৰ শ্ৰেষ্ঠ বুলি ভাবো।





ভ্ৰমণ কাহিনী

# সাগৰ চোৱাৰ হেঁপাহত....

কল্যাণী বৰুৱা
স্নাতক পঞ্চম ষাণ্মাসিক, শিক্ষা বিভাগ

ভ্ৰ...ম...ণ... এই তিনিটা শব্দতে লুকাই থাকে অনাবিল আনন্দ আৰু অনুসন্ধিৎসু এটা মন। ভ্ৰমণে কেৱল মনোৰঞ্জন বা আনন্দ দিয়ে এনে নহয়, বহু নজনা কথা জানিব পৰা যায়। এক ঘেয়ামী জীৱন যাত্ৰাত ভ্ৰমণে শক্তিবৰ্দ্ধক ৰূপেও কাম কৰে। কিছুমান মিঠা অভিজ্ঞতাই ভ্ৰমণটো সুখময় কৰাৰ বিপৰীতে কিছুমান তিতা অভিজ্ঞতাইহে সেই ভ্ৰমণৰ স্মৃতি সদায় সজীৱ কৰি ৰাখে। তিতা মিঠা মিশ্ৰ অভিজ্ঞতাইহে ভ্ৰমণৰ আচল সোৱাদ বুলি মই ভাবোঁ। ঠিক তেনেকৈ জীৱনত কেৱল সুখৰ মাজতে জীয়াই থাকিলে সেইসুখৰ আচল সোৱাদ বুজি পোৱা



নাযায়। প্ৰতিজন মানুহে ভ্ৰমণ প্ৰিয় বুলি ক'লে মিছা কোৱা নহ'ব। সেয়া লাগিলে ওচৰে হওক বা দূৰৈ হওক। আমি নেদেখা ওচৰৰ কোনো এখন ঠাইলৈ গৈও ভ্ৰমণৰ আচল মাদকতা ল'ব পাৰোঁ। আন বহুজনৰ দৰে মোৰো মন আছিল ট্ৰেইনত কিছু দীঘলীয়া যাত্ৰা কৰা। মনতে পুঁহি থকা সেই হেঁপাহ পূৰণ কৰিবলৈ সুবিধা পালোঁ কলকাতালৈ কলেজৰ পৰা ওলোৱা শিক্ষামূলক ভ্ৰমণত। তাতে আকৌ লগৰ বিলাকৰ লগতে দাদা বাইদেউহঁতৰ লগত। ভ্ৰমণৰ সংগীবিলাক যেতিয়া মনে মিলা হয় তেতিয়াতো সেই ভ্ৰমণ কিমান আনন্দময় হ'ব নিশ্চয় অনুমেয়। কথাবোৰ ভাবিয়ে মনটো নাচি উঠিল। নিৰ্দিষ্ট দিনটো যেতিয়া ক্ৰমান্বয়ে ওচৰচাপি আহিল সিমানেই আন কামত মনতো স্থিৰ হৈ থাকিব নিবিচৰা হ'ল আনকি পঢ়াতো। নিৰ্দিষ্ট দিনা ৰাতি পুৱাৰ পৰা মনতো সাতখন আঠখন যেন লাগিল। তাতগৈ কি কৰিম, কি চাম কি কিনিম এইবিলাক ভাবি থাকোতে দিনটো কেতিয়া পাৰ হ'ল ধৰিবই নোৱাৰিলো।

২৫ ছেপ্তেম্বৰৰ দিনা সন্ধিয়া ৭-৩০ বজাতে 'একিন' নামৰ বাছখনত উঠি ভজো ৰেল ষ্টেচন পালোগৈ। সকলোৱে তাতে লগ হৈ ট্ৰেইনৰ অপেক্ষাত ৰ'লোঁ। পাতলকৈ পৰিবলৈ ধৰা আহিনৰ কুঁৱলি ফালি ৮-৫৫ বজাত 'কামৰূপ এক্সপ্ৰেছ' ট্ৰেইনখন প্লেইটফ'মত ৰ'লহি। ক'ব নোৱাৰাকৈ বুকুৰ ভিতৰত ধুক ধুক শব্দ এটা বাজি উঠিল। এটা দীঘল উকি মাৰি ট্ৰেইনখনে আমাক কোলাত তুলি লৈ গ'ল গন্তব্য স্থানলৈ। সকলোৱে লগত বিভিন্ন ধৰণৰ ৰং তামাচা কৰি সময়বিলাক পাৰ কৰিলোঁ এইদৰে বিৰামহীন যাত্ৰাৰ অন্তত ২৭ চেপ্তেম্বৰ পুৱা ৮-১৫ বজাত হাওৰা পালোগৈ। লগে লগে আমাৰ বাবে সাজু কৰি ৰখা 'ডিপু' নামৰ বাছখনত উঠি দিঘালৈ ৰাওনা হ'লো। পাঁচ ঘণ্টা বাছ যাত্ৰাৰ পিছত দিঘা পালোগৈ। হোটেলত গৈ গা ধুই কিছুসময় জিৰণি লৈ সাগৰ (বংগোপ সাগৰ) চাবলৈ গ'লো। গৈ থাকোতে স্কুলীয়া দিনত আবৃত্তি কৰা দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতাটো চিঞৰি চিঞৰি নিজৰ কথাত গাবলৈ মন গ'ল —

'সাগৰ দেখিছা? দেখা নাই কেতিয়াও
দেখিম এতিয়া, বাকী আছে
কেইটামান পল।'

